

# পাতিদৰং মহাবিদ্যালয় আলোচনী

একবিংশ বছৰ ঃ বিংশ সংখ্যা
ইং ২০০৯-২০১০ বৰ্ষ




তত্বাৱধায়িকা ঃ মিনাক্ষী শৰ্মা
জুৱেনা দেৱান

সম্পাদক
চহিদুল ইছলাম



কৰ্ম ব্যস্ততাৰ মুহূৰ্ত্তত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীগিৰিধৰ শৰ্মা



প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মুহূৰ্ত্ত
আমাৰ মহাবিদ্যালয়ৰ অসমীয়া
বিভাগৰ প্ৰবক্তা
মাননীয় শ্ৰীতপন শৰ্মা

আলোচনী সম্পাদনা সমিতি



# পাতিদৰং মহাবিদ্যালয় আলোচনী

একবিংশ বছৰ ঃঃ বিংশ সংখ্যা

ইং ২০০৯ – ২০১০ বৰ্ষ

# PATIDARRANG COLLEGE MAGAZINE

**Year 2009 - 2010**

**21th Year :: 20th Issue**

শুভেচ্ছাৰে ————

মাননীয় / মাননীয়া

______________________________

______________________________

সম্পাদক

তত্বাৱধায়িকা
মিনাক্ষী শৰ্মা
জুৱেনা দেৱান

সম্পাদক
চহিদুল ইছলাম

# পাতিদৰং মহাবিদ্যালয় আলোচনী

একবিংশ বছৰ ঃ বিংশ সংখ্যা
ইং ২০০৯-২০১০ বৰ্ষ

---

## ঃ সম্পাদনা সমিতি ঃ

**উপদেষ্টা**
শ্ৰীগিৰিধৰ শৰ্মা

**তত্বাৱধায়িকা**
মিনাক্ষী শৰ্মা
জুৰেনা দেৱান

**সম্পাদক**
মহঃ চহিদুল ইছলাম


**সদস্য**
শ্ৰীনয়নমণি বৰুৱা, শ্ৰীনৱজিৎ দাস, শ্ৰীমানৱ ডেকা

**প্ৰকাশক**
ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়

**বেটুপাত / অংগ সজ্জা**
সমৰজ্যোতি ডেকা

**মুদ্ৰণ ঃ জয়শ্ৰী প্ৰিন্টাৰ্চ, ইছাৰকেম্প, কামৰূপ (অসম)**
**দূৰভাষ ঃ ৯৮৫৪৭-৩১৯৭৬**

# পাতিদৰং মহাবিদ্যালয়



কৰ্ম ব্যস্ততাৰ মূহুৰ্তত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ

মাননীয় শ্ৰীগিৰিধৰ শৰ্মা দেৱ

# শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় প্ৰবীণ চন্দ্ৰ বসুমতাৰী

আমাৰ সতীৰ্থ স্বৰ্গীয় প্ৰবীণ চন্দ্ৰ বসুমতাৰীৰ
আত্মাই চিৰ শান্তি লাভ কৰক তাৰেই
কামনাৰে আজিৰ পৱিত্ৰ স্মৃতিত
আমি অশ্ৰু অঞ্জলি
যাচিছোঁ।

*' সম্পাদনা সমিতি '*

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS` UNION
Phone : 2571130
2602890
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014
Website : htta//aasu.m 2014.net

প্ৰসঙ্গ- দিনাংক........................

# শুভেচ্ছা বাণী

পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হ'ব বুলি জানি আনন্দ পাইছোঁ। মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে আলোচনী এখনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিষ্ঠাৰে এই সাহিত্য কৰ্মত আত্ম-নিয়োগ কৰি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিব। আলোচনীখনত পাতিদৰংৰ লগতে অসমৰ সামাজিক, অৰ্থনৈতিক, বৌদ্ধিক আৰু সাংস্কৃতিক দিশৰ ওপৰতো আলোকপাত হ'ব বুলি আশা কৰিলোঁ। পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ শুভেচ্ছা থাকিল।

শুভেচ্ছাৰে—

(সমুজ্বল ভট্টাচাৰ্য)
উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

# পাতিদৰং মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদক সকল

| | | |
|---|---|---|
| ১। | শ্ৰীলংকেশ্বৰ ডেকা | ইং ১৯৮৯-১৯৯০ বৰ্ষ |
| ২। | মিছ সবিতা দাস | ইং ১৯৯০-১৯৯১ বৰ্ষ |
| ৩। | শ্ৰীতৰ্জন দাস | ইং ১৯৯১-১৯৯২ বৰ্ষ |
| ৪। | শ্ৰীবনমালী দাস | ইং ১৯৯২-১৯৯৩ বৰ্ষ |
| ৫। | শ্ৰীসত্যেন্দ্ৰ কলিতা | ইং ১৯৯৩-১৯৯৪ বৰ্ষ |
| ৬। | শ্ৰীকৃষ্ণ কান্ত ডেকা | ইং ১৯৯৪-১৯৯৫ বৰ্ষ |
| ৭। | প্ৰকাশ নহ'ল | ইং ১৯৯৫-১৯৯৬ বৰ্ষ |
| ৮। | শ্ৰীভৈৰৱ ডেকা | ইং ১৯৯৬-১৯৯৭ বৰ্ষ |
| ৯। | শ্ৰীকমল নাৰায়ণ বৈশ্য | ইং ১৯৯৭-১৯৯৮ বৰ্ষ |
| ১০। | মহঃ মোজাম্মিল হক | ইং ১৯৯৮-১৯৯৯ বৰ্ষ |
| ১১। | শ্ৰীতপন চন্দ্ৰ ডেকা | ইং ১৯৯৯-২০০০ বৰ্ষ |
| ১২। | শ্ৰীনৱজিৎ ডেকা | ইং ২০০০-২০০১ বৰ্ষ |
| ১৩। | শ্ৰীনজৰুল ইছলাম | ইং ২০০১-২০০২ বৰ্ষ |
| ১৪। | শ্ৰীৰমণী শৰ্মা | ইং ২০০২-২০০৩ বৰ্ষ |
| ১৫। | মহঃ মোস্তাকিন হক | ইং ২০০৩-২০০৪ বৰ্ষ |
| ১৬। | শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা | ইং ২০০৪-২০০৫ বৰ্ষ |
| ১৭। | শ্ৰীহেৰম্ব শৰ্মা | ইং ২০০৫-২০০৬ বৰ্ষ |
| ১৮। | শ্ৰীৰাকেশ কুমাৰ ডেকা | ইং ২০০৬-২০০৭ বৰ্ষ |
| ১৯। | শ্ৰীঅম্বিকা প্ৰসাদ বড়ো | ইং ২০০৭-২০০৮ বৰ্ষ |
| ২০। | শ্ৰীভদ্ৰেশ্বৰ দাস | ইং ২০০৮-২০০৯ বৰ্ষ |



# সম্পাদকীয়



প্ৰতিবেদনৰ আৰম্ভণীতে মাতৃভূমিৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ গৈ যিসকল জাতীয় বীৰ ছহিদে আত্ম বলিদান দিলে সেই সকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ এনেকুৱা এটা মহান দায়িত্বৰ সুযোগ দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ মই শলাগৰ শৰাই আগবঢ়ালোঁ।

দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ যিখিনি কাম কৰিছো সেয়া এক নগণ্য অংশহে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ 'প্ৰতিভা সপ্তাহ' ৰ কিছু খেল, প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। নৱাগত আদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকাখন কিছু উন্নত মানৰ কৰা হয়। সমস্যা অসীম। বিভাগীয় কিঞ্চিত অৰ্থৰে সকলোবোৰ সমস্যা সমাধান কৰা অসম্ভৱ। ম হাবিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকাখনত কিছু উন্নতমানৰ কবিতা দেখা যায়। ইয়াৰ পৰাই বুজিব পাৰি যে কিছু প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰী আমাৰ মহাবিদ্যালয়ত আছে। সাহিত্য আৰু সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত ছাত্ৰ সমাজে যি বৰঙণি আগবঢ়াব পাৰিছে তাৰ যোগেদি আমাৰ ভাষা-সাহিত্যক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক নিৰ্দিষ্টকৈ চিনাকী দিয়াত উল্লেখনীয় বৰঙণি যোগাবলৈ সক্ষম হৈছে।

এই আলোচনীখনতো কিছু উন্নতমানৰ গল্প, প্ৰৱন্ধ, কবিতা চকুত পৰে। তেখেত সকলৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলো।

শেষত মোৰ অনুষ্টুপীয়া অভিজ্ঞতা আৰু সামৰ্থৰে আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰি উলিয়াবলৈ সক্ষম হ'লো। এই ক্ষেত্ৰত তত্বাৱধায়িকা মাননীয়া মিনাক্ষী শৰ্মা আৰু জুৰেনা দেৱান বাইদেউ আৰু সম্পাদনা সমিতিৰ সদস্যবৃন্দৰ লগতে অধ্যক্ষ মহোদয়ৰ ওচৰত মই বিশেষভাৱে কৃতজ্ঞ আৰু অনুগৃহীত। আলোচনীখন প্ৰকাশত সহায় কৰাৰ বাবে দীপক, মানৱ, নয়নমণি আৰু প্ৰণৱলৈ এই চেগতে ধন্যবাদ জ্ঞাপন কৰিলো। লগতে অতি কম সময়ৰ ভিতৰতে আলোচনীখন ছপা কৰি উলিয়াই দিয়াত 'জয়শ্ৰী প্ৰিণ্টাৰ্চ' ৰ স্বত্বাধিকাৰী মাননীয় শ্ৰীমুক্তা ৰাম পাটোৱাৰীৰ ওচৰত কৃতজ্ঞ হৈ ৰলো। সদৌ শেষত আলোচনীখনত ৰৈ যোৱা সমুদায় ভুল-ক্ৰুটিৰ বাবে মই আটাইৰে ওচৰত মূৰ দোৱাইছোঁ। লগতে ইয়াতেই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু পাতিদৰং মহাবিদ্যালয়'

।। জয় আই অসম ।।

চহিদুল ইচলাম

সম্পাদক, আলোচনী বিভাগ

# সূচীপত্ৰ


সম্পাদকীয় —

**গল্প ঃ**

| | | |
|---|---|---|
| অৰণ্যত জোনাক | প্ৰাঞ্জল কলিতা | ১ |
| এটা যাত্ৰাৰ অন্তত | আনন্দ ডেকা (শৰণীয়া) | ৩ |
| আইতাৰ দোষ | দীপক কুমাৰ | ৬ |
| জীৱনৰ লগৰী | কৈলাশ শৰ্মা | ১০ |
| মানৱতা | প্ৰণিতা দাস | ১২ |

**প্ৰৱন্ধ ঃ**

| | | |
|---|---|---|
| আজিৰ যুৱ প্ৰজন্মৰ মানসিকতা আৰু দৰ্শনৰ প্ৰয়োজনীয়তা | চৈয়দা জোৰেনা বেগম | ১৪ |
| ঐতিহাসিক পটভূমিত অন্ধ বিশ্বাস আৰু মানৱ অধিকাৰ | ধীৰাজ তালুকদাৰ | ১৬ |
| লোকগীতত অসমৰ প্ৰকৃতি | দীপক কুমাৰ | ১৯ |
| অনুভূতি | দাউদ আহমেদ | ২২ |
| পৃথিৱীৰ বাবে শেষ দিন হ'ব নেকি ২১-১২-২০১২ | জ্যোতিষ ডেকা | |
| আসামাবা জিবৌনি মোদায়জো মনসানি পুজা | কল্পনা বসুমতাৰী | ২৭ |
| Examination Reform : An Analysise | মিনাক্ষী শৰ্মা | ২৯ |
| প্ৰেম | ৰতন পাটোৱাৰী | ৩৩ |

**কবিতা ঃ**

তুমি হাঁহিলে নয়নমণি বৰুৱা-৩৫/ প্ৰতাৰণা মানৱ ডেকা-৩৫/স্মৃতি ধনশ্ৰী ডেকা-৩৬/ তোমাৰ চকুৰ ছাঁত বিউটি পাটোৱাৰী-৩৬/ তুমি অৰূপা ডেকা-৩৭/ এটি গোলাপৰ কলি তফিক আলী-৩৭/ তুমি আফজাল আলী, জেহেৰুল আলী-৩৮/ সপোন ভৰা আৱেগ জেহেৰুল আলী-৩৮/ হিয়াত তুমি চাজিদ আহমেদ (নিপু)-৩৯/ প্লিজ ! কোৱানা কিবা এটা ৰতন পাটোৱাৰী-৩৯/ অনুভৱ ৰিয়াজুদ্দিন আহমেদ বৰা-৪০/ ভগা সপোন হেলেনা বেগম-৪০/ শৈশৱ প্ৰেমৰ স্মৃতি কিশোৰ কুমাৰ কাকতি-৪১/ তুলনা সতীশ কাকতি-৪১/ অৰ্থ বিচাৰি ৰীতামণি বৰুৱা-৪২/ হিয়া ভঙা সপোন মইনুল আলী-৪২/ ইউনিয়ন-২০১০ দীপক কুমাৰ-৪৩/ বুকুত এজাক হেঁপাহ নৱজিৎ দাস-৪৪/ কবিতা লভিতা দাস-৪৪

বিভিন্ন বিভাগৰ সম্পাদকীয় প্ৰতিবেদন — ৪৫-৫২

# অধ্যক্ষৰ কলম .................

ইং ১৯৮৯ চনৰ ৩১ আগষ্টত জন্ম লাভ কৰা পাতিদৰং মহাবিদ্যালয়ৰ আঁৰত যিসকল জ্ঞাত অজ্ঞাত মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টা জড়িত হৈ আছে ; যিসকল মহান ব্যক্তিৰ পবিত্ৰ চিন্তা আৰু প্ৰচেষ্টাৰ ফল এই উচ্চ শিক্ষাৰ অনুষ্ঠান পাতিদৰং মহাবিদ্যালয়, সেই সমূহ ব্যক্তিক অধ্যক্ষৰ চকীৰ পৰা গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদিছো।

পাতিদৰং মহাবিদ্যালয়ৰ পৰা অধ্যয়ন কৰি গৈ ভালেমান ছাত্ৰ-ছাত্ৰী আজি বিভিন্ন পদবীত অধিষ্ঠিত। শ শ ছাত্ৰ-ছাত্ৰী বৰ্ত্তমান অধ্যয়নৰত। সমূহ ছাত্ৰ-ছাত্ৰী আমাৰ গৌৰৱৰ থল। যান্ত্ৰিক সভ্যতাৰ উন্নয়নৰ দিনত ছাত্ৰ-ছাত্ৰীসকলে তথাকথিত শিক্ষিত নহৈ বিজ্ঞান সন্মতভাৱে সমাজক সুৰক্ষা দিব লাগিব।

বৰ্ত্তমান যুগত প্ৰতিযোগিতাৰ নিৰন্তৰ গতি ; প্ৰতিযোগী মুখী হোৱাটো আজি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে নৈতিক কৰ্ত্তব্য তথা সংকল্প হোৱা উচিত।

অৰ্থনৈতিকভাৱে বহুত পিছ পৰি থাকিও আজি শিক্ষক-শিক্ষয়িত্ৰী সকলে এই মহাবিদ্যালয়ত কঠোৰ শ্ৰম দান কৰি আহিছে। সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী মোৰ শলাগৰ পাত্ৰ।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতিৰ কাৰণে গঠন মূলক দিহা-পৰামৰ্শ বিচাৰি অধ্যক্ষৰ কলমৰ সামৰণি মাৰিলো।

শ্ৰদ্ধাৰে—

গিৰিধৰ শৰ্মা
অধ্যক্ষ
পাতিদৰং মহাবিদ্যালয়

গল্প

# অৰণ্যত জোনাক

প্ৰাঞ্জল কলিতা
প্ৰাক্তন ছাত্ৰ
পাতিদৰং মহাবিদ্যালয়

কথাটো সমৰে আকৌ এবাৰ ভাবি চালে। সি কি কৰিব ওলাইছে বা ইয়াৰ পৰা তাৰ কি লাভ হ'ব! সি একো ভাবি পোৱা নাই। আজি সাত বছৰে যিজনী ছোৱালীৰ ছাঁটোকে সি দেখা নাই বা ইচ্ছাও কৰা নাই, কিন্তু আজি কিয় সি সেইজনী ছোৱালীকে অপেক্ষা কৰিব লগা হ'ল। সিয়েইটো তাইক ফোন কৰি কৈছে আঁহত জোঁপাৰ তলত ল'গ কৰাৰ কথা।

নাই, সি একো ভাবিয়ে পোৱা নাই। এই মূহুৰ্তত সি আবেগ নে মগজুৰদ্বাৰা চলিছে সি একো জনা নাই। এই সময়ত তাৰ কলেজত পঢ়ি থাকোতে অসমীয়াৰ ছাৰে কোৱা কথাষাৰ মনত পৰিল — "সমস্যাৰ যদি কোনো সমাধান নোপোৱা তাক সময়ৰ লগত খাপ খোৱাকৈ এৰি দিবা, পিছত চাবা নিশ্চয় এটা ধুনীয়া সমাধান ওলাব।" তাক তাহানিতে চাৰে কোৱা কথাষাৰে বহুত উপকৃত কৰা যেন পালে। চাৰে পিঠিত কৰা স্পৰ্শ সি গম নোপোৱাকৈয়ে খেপিয়াই চালে। পিছত খেপিয়াই চোৱা কথাটো ভাবি তাৰ অকলে হাঁহি উঠিল। চাৰিওফালে সি এবাৰ ঘূৰি চালে কোনোবা আছে নেকি! নাই, চহৰত এইটোৱে সুবিধা কোনে কি কৰি আছে কাৰো চাবৰ সময় নাই, গাঁৱত হ'লে কোনে কি কৰে বিচাৰি থাকে।

একসকিউজ মি, আপুনি ........... তই এই সমৰ, চা মই কি চিনি পাইছো। একে চঞ্চলতাৰে, জপিয়াই কথা কোৱা ছোৱালীজনীয়েই যে তাৰ অপেক্ষাৰ ক্ষণ বুজাত তাৰ বেছি পলম নালাগিল।

ঃ তেনেহ'লে চিনি পাইছ ?

ঃ আৰে কি কথা কৈছ ! তোক আৰু মই চিনি নেপাম নেকি ? সেই কাৰেণ্টৰ পোষ্টটোৰ পৰাই ঠিক ধৰিছো, বাৰু এতিয়া তই কছোন তই জানো মোক চিনি পালিহে ?

ঃ আৰে নাপাম কিয় সি লাহেকৈ হাঁহি দিলে, হাঁহিটো কোনোবাই যেন টানিহে উলিয়াইছে।

ঃ এই ইয়াত এনেকৈ ঠিয় হৈ থাকিবি নে কৰবাত বহিবি ? এই দোকানখনতে বহোঁগৈ ব'ল বুলি তাই তৰ্জনী আঙুলিটোৰে দেখুৱাই দিলে।

ঃ হো ব'ল। সি দেখা পালে যে তাই ভৰিৰ বুঢ়া আঙুলিটোৰে মাটিখিনিত জোৰেৰে হেছি আছে।

ঃ ক'ল্ড ড্ৰিংকচ্ খাবিনে কফি খাবি ?

ঃ ক'ল্ড ড্ৰিংকচ্ । সি লাহেকৈ হাঁহি সহজ হোৱাৰ চেষ্টা কৰি দুটা ক'ল্ড ড্ৰিংকচ্‌ৰ অৰ্ডাৰ কৰিলে।

সিহঁতে টেবুলখনৰ এটা ফালে বহিছিল, অলপমান লৰচৰ কৰিলেই গাতে লাগে। বহা ঠাইৰ পৰা ৰাস্তাৰে যোৱা মানুহবোৰ ভালকৈ দেখা পায়। কিছু সময় দুয়ো নীৰৱে থাকিল, তাৰ পিছত সমৰে গম পালে তাই তাৰ বেল্টৰ ওলাই থকা ভোটা আগটো পেণ্টৰ খাপ এটাত সোমাই দিছে।

সমৰৰ ভাব হ'ল তাই যেন ক্ৰমে হালি আহিছে অথচ সিতো তাইক যথেষ্ট স্মাৰ্ট হোৱা বুলি গম পাইছিল।

ঃ এই কচোন তোৰ কি খবৰ। মুখত ক'ল্ড ড্রিংকচ্‌ৰ পাইপডাল লৈয়ে তাই বাৰে বাৰে একে প্ৰশ্নকে কৰি আছে।

ঃ উহঃ ভালেই মোৰ, তোৰ কেনেকুৱা, মাষ্টৰণীৰ চাকৰি কৰি আছ নহয়, কেনেকুৱা লাগিছে? ছেঃ.............

ঃ তাই কিন্তু একো প্ৰতিক্ৰিয়া দেখুওৱা নাছিল। একেবাৰে চুপাৰ জান, ইমানবোৰ ল'ৰা-ছোৱালীৰ মাজত থাকি কিমানযে মজা লাগে। বাৰু এতিয়া ক' তোৰ কোম্পানীৰ খবৰ কি ? সি তাইৰ কথাত মন নিদি কিবা বেলেগ ভাবি আছিল।

ঃ ঐ, ঐ, কি হ'ল, কি ভাবি আছা ?

ঃ সি টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে হৈ লাহেকৈ ক'লে— নাই ...... নাই খবৰনো কি? কোম্পানীবোৰ এতিয়া আমাৰে কোম্পানী কথাষাৰ কৈয়েই সমৰে খোলাকৈ হাঁহি দিলে আৰু সেই হাঁহিত তাইও যোগদান কৰিবলৈ বাধ্য হ'ল। ছেলচ্‌মেনজনে এবাৰ সিহঁত দুয়োৰো ফালে চালে আৰু আগৰপৰা ক'ল্ড ড্রিংকচৰ খালী বটলদুটা লৈ গুছি গ'ল।

ঐ কিবা নকৰ কিয়, তাই হাতখন মুঠি মাৰি ধৰি সমৰৰ পিঠিত লাহেকৈ হেচুকি দিলে। সমৰ সিহঁৰিত হৈ উঠিল।

উহ তয়ো যে আৰু। দুয়োটাই পুনৰ একেলগে হাঁহিলে আৰু পুনৰ নিৰৱতাই বিৰাজ কৰিলে। সি চিন্তা কৰি চালে তাই বাৰু তাক পাই সেই পুৰণি দুৰ্বলতা জাগি উঠিছে নেকি! কিন্তু কি ঠিক এতিয়াতো তাইৰ ৰূপৰ সেই সৌন্দৰ্য নাই আৰু তাই কৰে মাষ্টৰণী চাকৰি, সেইটোতো এটা ডাঙৰ কাম নহয়।বয়স জানো বৈ থাকে; কোনেও নিনিলে .......। ছিঃ সি ইমান ঠেক মনৰ মানুহনে এইবোৰ কথা ভাবিব পাৰে। সমৰৰ উশাহ লাহে লাহে ঘন হৈ পৰিল, পানী খাবৰ মন গ'ল তাৰ। জগটোৰ পৰা পানী বাকি লৈ সি লাহে লাহে পী খালে।

বাৰু স্মিতা, তই আজিকালি ঘৰত যাবনে নে ইয়াতে কৰবাত ঘৰ সংসাৰ ............. কথাষাৰ কৈ তাইৰপিনে নোচোৱাকৈয়ে সি হাঁহিলে। তাইৰ কথাখিনি কৈ থাকোতে সি দেখা পালে এজন যুৱক বাইকখন ৰাখি তাৰপিনে চাই হাঁহি হাঁহি আহি আছে। যুৱকজনক সি কিন্তু চিনি নাপায়। সি স্মিতালৈ চালে তাই পাৰ্চটোত কিবা বিচাৰি আছে।

হাই স্মিতা বিচাৰিব নালাগে বিল মই দিম। যুৱকজনৰ মাতটো মিঠা লাগিছে যদিও সি নিজকে সৰু সৰু অনুভৱ কৰিলে। আৰে নয়নদা এইটো বাইকখন ওচৰত ৰ'ল।

আচ্ছা নয়নদা, চিনাকী কৰাই দিছো, এয়া মোৰ বন্ধু সমৰ, খুব ভাল ল'ৰা আৰু সমৰ এয়া নয়নদা, প্ৰফেচাৰ। ইতিমধ্যে তাই যুৱকজনৰ বাইকৰ পিছত উঠি বহিছেই আৰু তাক তাই লাহেকৈ থাপৰ মাৰি গুছি গ'ল। সি তাত কিছু সময় অকলে ঠিয় হৈ ভাবিলে স্মিতা নামেৰে সিহে মাতে কিন্তু যুৱকজনে কেনেকৈ জানিলে তাইৰ নাম স্মিতা বুলি ! নে তাই স্মিতা বুলি মাতিব কৈছে। ধেৎ, কিবোৰ যে ভাবিছে সি, নিজৰ পিছ মূৰটোত নিজে এবাৰ থপৰিয়াই দিলে আৰু স্মিতাহঁত যোৱাৰ ফালে চাই ৰ'ল। সি এটা হুমুনিয়াহ কাঢ়ি পুনৰ ওপৰৰ ফালে চালে। মেঘবোৰ ক্ৰমে বগা হৈ আহিব ধৰিছে, সূৰ্যটোৱে চকুত চাট মাৰি ধৰিছে। অকণমানি চৰাই এহাল দূৰত উৰি গুছি গ'ল। এতিয়া হয়তো আৰু বৰষুণ নিদিয়ে। সি ইফালে সিফালে চাই এখন অ'টো বিচাৰি তাৰ ৰুমৰ ফালে ৰাওনা হ'ল।

*****

# এটা যাত্ৰাৰ অন্তত

আনন্দ ডেকা (শৰণীয়া)
স্নাতক, তৃতীয় বৰ্ষ

টোপনিৰ পৰা উঠি নাকে মুখে ভাত কেইটা গুজি দি কোনোমতে ৰাতিপুৱাৰ বাছখন ধৰিলো। ছাগলী, হাঁহ-কুঁকুৰা, মাছ, বেপাৰী, ল'ৰা-তিৰোতা গোটেই বাছখনত পাণ জপা দি আনিছে। চালকজনো 'নাচোৰ বান্দা'। ৰাস্তাৰ কাষত পোৱা এই গ্ৰহৰ প্ৰতিটো নমুনা যেন অন্য গ্ৰহলৈহে যাত্ৰা কৰিব। ইফালে পথত এশ এটা গাত, আনফালে ঠেলা-হেঁচা। মোৰতো কথাই নাই, আনবোৰ যাত্ৰীলৈয়ো চাব নোৱাৰা অৱস্থা। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই যোৱা বুঢ়ীজনীয়ে অৱশেষত ওঠৰ ওপৰৰ আঙুৰৰ দৰে টোপোলাকেইটাকে চেলেকিছে। ৰাতিপুৱাৰ বাছখন যেন এটা ঘাম পেৰা মেচিন।

প্ৰাণটো হাতৰ মুঠিত লৈ কোনোমতে আদাবাৰী পালোহি। ঠেলাৱালা, অটোৱালা, হেণ্ডিমেন, কুলিৰ ভিৰে বাছ ষ্টেণ্ডত একেবাৰে বিৰ দি বাট নোপোৱা অৱস্থা কৰিছে। কত ঠাইৰ কত মানুহ। কত মানুহৰ কত উদ্দেশ্য। কোনোমতে বাট উলিয়াই শাৰী পাতি ৰৈ থকা ৬নং গাড়ীখনত উঠোতে চিনাকী কণ্ডাক্টৰজনে মাত দিলে— "দাদা পিছফালে আহক ছিট আছে।"

মই তাৰফালে চাই মিচিকিয়া হাঁহি মাৰি খিৰিকীৰ কাষৰ ছিট এটাত বহি পৰিলো। দাদা বুলি মাতিছিল যদিও কণ্ডাকটৰজন মোতকৈও বয়সত ডাঙৰ হ'ব। প্ৰায়ে এইখন গাড়ীতে আদাবাৰীৰ পৰা শিলপুখুৰীলৈ যাওঁ। সেয়ে কণ্ডাক্টৰজনৰ লগত চকুৰ চিনাকী এদিন মুখলৈ বাগৰিল। মানুহজন বৰ সহজ-সৰল, নাম জীৱন ডেকা।

বাছ চলিব ধৰিলে। খিৰিকীৰে সোমাই অহা বতাহজাকে যেন আৱৰৰ সমস্ত সুগন্ধ নাকে-মুখে ছটিয়াইছে। ইমান চিনাকী গোন্ধ। আগফালে ভেজা দি সমুখৰ আসনত বহা ছোৱালীজনীলৈ চালো। চুলিকোছা বান্ধিবলৈ তাই আপ্ৰাণ চেষ্টা কৰিছে যদিও পৰা নাই। পুনৰ ভাঁহি আহিল সেই চিনাকী গোন্ধ। কিবা এক অজান পুলকত মোৰ চকু দুটা মুদ খাই গ'ল। মনত পৰিল ৰাতিপুৱাৰ বাছখনৰ কথা। 'নাচোৰ বান্দা' চালকজনে মোক যেন বৈকুণ্ঠতহে পেলালে। আজি যদি তাই কাষত থাকিলে হেতেন !

আগৰ আসনখনৰ কাষত ঠিয় হৈ থকা ছোৱালীজনীৰ বাক্যবানে মোৰ ভাৱত যঁতি পেলালে। "অভদ্ৰামী কৰিবলৈ এইবোৰ মানুহে গাড়ীত কাম কৰে। অভদ্ৰামীও কৰিব আৰু ভাড়াও বিচাৰিব। নাপায়, আজি মুঠেই ভাড়া নাপাৰ।"

——— বেয়া নাপাবা। পিছফালৰ পৰা ঠেলা মৰাৰ বাবেহে গাত লাগিল। তুমি মোৰ ——

মহিলাজনীৰ পৰা ভাড়া লৈ সি মোৰ ওচৰ চাপিল। পাঁচ টকীয়া নোট এখন আৰু এটকীয়া মুদ্ৰা যচা দেখি

জীৱনে মোক উদ্দেশ্যি ক'লে, "দাদা বেছিকৈ দিলে দেখোন। মানুহে প্ৰাপ্য খিনিকে দিব নিবিচাৰে। আৰু আপুনি এটকা বেছিকৈ দিলে?

——— " আজি ৰবিবাৰ নহয়। ............... বন্ধ। নুনমাটিত থকা পেহীদেউৰ ছোৱালীৰ বিয়ালৈহে আহিছো।" মই ক'লো।

——— ৰবিবাৰটো চৰকাৰী বন্ধহে। আমাৰ বাবে ৰবিবাৰ সোমবাৰৰ কোনো মতলব নাই। সদায় একেটাই কাম। মনতে নাথাকে কোন দিনা কি বাৰ। পিছে আদাবাৰীত উঠিছিল নহয়। আদাবাৰীৰ পৰা ভাড়া আঠ টকা।

——— অ' হয় নেকি? বুলি ওপৰৰ পকেটৰ পৰা এশ টকীয়া নোটখন উলিয়াই দিলো। নোটখন দেখি সি ক'লে, 'হ'ব দিয়ক, পিছত দিব। আপোনাকতো ল'গ পায়ে থাকো।'

সি পাহৰিছে যদিও মোৰ ভালদৰে মনত আছে; এটকা, দুটকাকৈ মোৰ পৰা সি কিমান পাওঁনা হৈ আছে। মুদ্ৰাবোৰৰ পৰা হাত সাৰিবলৈ ওপৰৰ পকেটত ডাঙৰ নোট ৰখাটো মোৰ যেন এতিয়া অভ্যাসত পৰিণত হৈছে। তাৰতো এইবোৰ মনত ৰাখিবলৈ সময় নাই। পাৰ হৈ যোৱা প্ৰতিটো দিন সিহঁতৰ বাবে স্মৃতিয়ে ৰোমন্থন কৰিব নোৱাৰা দিন। আচলতে সিহঁতে ৰোমন্থন কৰিবও নিবিচাৰে।

জীৱন এতিয়াও ভাড়া লোৱাত ব্যস্ত। তাৰ তীক্ষ্ণ চকুহালে ভাগ কৰিছে ভাড়া লোৱা আৰু নোলোৱাজন, কোনজন উঠিল, কোন নামিল। কোনোবা ভাড়া নিদিয়া যাত্ৰী বাছত মজুত নেকি? পিছফালৰ পৰা ভাড়া বিচাৰি জীৱনে গাত গা লগাই থকা যুৱকজনৰ ওচৰ চাপিল। সি ইচ্ছা কৰিলে ছোৱালীজনী আৰু যুৱকজনৰ মাজত প্ৰভেদ ৰাখিব পাৰে। পিছফালে ঠাই থকা তাৰ দেহটো লিপিট খাই আছে তাইৰ অংগত। তথাপি ছোৱালীজনীৰ মুখখন চাই তাই অসুবিধা পোৱা বুলি ভাৱ নহয়।

জীৱনে যুৱকজনক উদ্দেশ্যি ক'লে, " ভাইটি ভাড়াটো ............... "

——— এই, এইমাত্ৰ দিয়া নাই?

——— ক'ত দিলাহে, চান্দমাৰিৰ পৰ এইখিনিলৈ ভাড়াই লোৱা নাই।

——— এতিয়া মই তোক প্ৰমাণ দিব লাগিব? কিন্তু প্ৰমাণ দিবলৈও তইতো মোক ভাড়া লোৱাৰ সময়ত টিকট দিয়া নাই।

——— হেৰা, ভাড়াটো দিবলৈ ইমান টান কিয় পোৱাহে?

——— ঐ সাৱধানে কথা কবি। তোৰ সম্মান নহ'ব পাৰে ; মোৰ আছে। ধৰিব লাগিলে হাদ্দি বিচাৰি নাপাবি।

জীৱন নিমাত। মনে মনে থকাৰ বাহিৰে তাৰ উপায়ো নাই। চহৰৰ ল'ৰা, যি কয় তাকে কৰিব পাৰে। জীৱনৰ লগত এটা পৰিয়ালৰ আশা-ভৰসা জড়িত। ল'ৰাজনে ভাড়া নিদিয়াতো সত্য। কাৰণ বামুণী মৈদামত উঠি সি মোৰ ওচৰতে থিয় হৈছিল। মই সকলো জানিও মাত মতা নাছিলো। জীৱনৰ দৰে ময়ো হয়তো ভাবিছিলো— বাটৰ কচু গাত ঘঁহি কি লাভ? নিজকেহে খজুৱাব। নুনমাটিত বাছ ৰ'ল। নামিয়ে চাহ একাপ খাম বুলি সন্মুখৰ চাহ দোকান এখনত সোমালো। চাহৰ গিলাচটো হাতত লৈ জীৱনৰ কথা ভাবিব ধৰিলো। জীৱনে দিনৰ দিনটো তেজক পানী কৰি, হাড়ক মাটি কৰি কষ্ট কৰিছে ; পৰিয়ালৰ তাগিদাত, পেটৰ তাড়নাত। কিন্তু যাত্ৰীবোৰে তাৰ প্ৰাপ্যখিনিও দিব নিবিচাৰে। এচামে

গাৰ জোৰ দেখুৱাই ভাড়া নিদিয়ে।

চাহৰ কাপত শেষ হোপা দি মুখখন মচিবলৈ ৰুমালখনৰ বাবে পেণ্টৰ পকেটত ভৰোৱাত হাতৰ আঙুলিত খুচুৰা পইচা লাগিল। এটকীয়া, দুটকীয়া মুঠ দহ টকা। ময়ো যে সেই একেটাই ভুল কৰিছো ; যি ভুল ক্ষমাৰ যোগ্য নহয়। খুচুৰা থাকিও এশ টকীয়া নোট যঁচাজনে জীৱনৰ বাবে পুতৌ দেখুওৱাৰ যুক্তি আছেনে?

দোকানৰ পৰা ওলাই আহি সন্মুখত ৰোৱা বাছখনত উঠিলো। ৬নং গাড়ীবোৰ নাৰেঙ্গীত কিছু সময় ৰয়। তাতে নিশ্চয় জীৱনক ল'গ পাম। মই আশা কৰা ধৰণে জীৱনক ল'গ পালো। সি মোক দেখি সুধিলে,— 'দাদা বিয়া খাব আহি ইয়ালৈ কিয় আহিল?

———— তোমাৰ ভাড়াটো দিবলৈ। মই লাহেকৈ ক'লো।

———— চাৰি টকা ভাড়া ভৰি নাহিলেও হ'লহেতেন ; বুলি মই যঁচা টকা জীৱনে হাত পাতি ল'লে।

তাৰফালে চাই ৰ'লো কিছু সময়। কিমান সৰল এই হৃদয়। এটা ক্ষীণ হাঁহিৰে তাৰফালে নোচোৱাকৈ ক'লো; "চাৰি টকা ভৰিলো কি হ'ল। সেই চাৰি টকা কাৰোবাৰ চৰুত চাউল হ'ব, দেহত হ'ব কাপোৰ আৰু কিছু মৰম।"

*********

# সঁচাও নহয়, মিছাও নহয়

উৎপতীয়া ল'ৰাটো স্কুলৰ পৰা উলটি অহাৰ পাছত ————

মাক ঃ মইনা, আজি তুমি স্কুলত একো দুষ্টামি কৰা নাইতো?

মইনা ঃ নাই কৰা মা। দিনটো কাণত ধৰি বেঞ্চৰ ওপৰতে উঠি আছিলো। গতিকে দুষ্টামি কৰা সময়েই নাপালো। *****

এহাল গিৰিয়েক-ঘৈণীয়েকৰ মাজত কিবা কথা লৈ মস্ত কাজিয়া এখন লাগিল। ফলত এসপ্তাহমান দুয়োৰে মাজত মাত-বোল নাই। তাৰ পাছৰ এদিনাখন গিৰিয়েকে কোঠালিৰ বিছনা,গাৰু, বাকচ, আলমাৰি, বিছনাৰ তল— চাৰিওফালে কিবা বিচাৰি ফুৰিছে। চৌদিশে বিশৃংখল বয়-বস্তুবোৰ দেখি ঘৈণীয়েকৰ অতিপাত খং উঠিল।

ঘৈণীয়েক ঃ (চিঞৰ মাৰি) কি হ'লহে? কি বিচাৰি আছা, কৈ নিদিয়া কেলেই?

গিৰিয়েক ঃ (জাপ মাৰি উঠি) পাই গ'লো, পাই গ'লো।

ঘৈণীয়েক ঃ কিনো? কি পালা? কি বিচাৰি আছিলা?

গিৰিয়েক ঃ তোমাৰ মাতটো। *****

# আইতাৰ দোষ

দীপক কুমাৰ
স্নাতক ২য় বৰ্ষ

মাধুৰিমা গোস্বামীৰ বিয়া হ'ব জয়ন্ত চলিহাৰ লগত। বাঃ কি উলাহৰ দিন। তাতকৈ আৰু আনন্দৰ দিন ক'ত পাব? তাৰ আজি এনেকুৱা লাগিছে যে সি যেন আকাশবাণীৰ বাতৰি শুনোৱাৰ দৰে সকলোৰে আগত চিঞৰি চিঞৰি কৈ দিব —চোৱা মোৰ প্ৰেমৰ মূল্য কিমান। প্ৰেমেই জীৱন, প্ৰেমেই ঘৰ সংসাৰৰ ভেঁটি স্বৰূপ ইত্যাদি নানা ধৰণৰ কথাই মনত খুন্দা মাৰিবলৈ ধৰিলে। আজি সি যে মাধুৰিমাক পালে! সি ওচৰৰ তিনি আলিটৌলৈ লৰ দিব খুজিছিল মাধুৰিমাক কল কৰিবলৈ। কিন্তু মাষ্টৰৰ কথাত ৰৈ গ'ল সি।

আজি দুবছৰে হ'ল সিহঁতৰ মাজত ফোনৰ কথা বতৰা নাই। সি আজি ওৰে দিনটো কোঠাৰ ভিতৰতে পুৰণা দিনৰ কথাবোৰ এফালৰ পৰা ভাবি গৈছিল। হঠাৎ বাহিৰত কিবা এটা শব্দ তাৰ কাণত পৰিল। 'জয়' এই মাতটো শুনি সি আচৰিত হৈছিল। আৰে এয়া মধু নহয়তো জয়ন্তই মাধুৰিমাক 'মধু' বুলি মতাৰ বিপৰীতে জয়ন্তক মৰমতে 'জয়' বুলি মাতিছিল। সি বাহিৰলৈ ওলাই আহি দেখিলে যে তাৰ ধাৰণা এশ শতাংশই শুদ্ধ। পোনে পোনে মাধুৰিমাই জয়ন্তক সাৱটি ধৰিলে। মাধুৰিমাৰ চকুত চকুলো দেখি সি সুধিলে— "তুমি কান্দিছা কিয়? তোমাৰ কি হৈছে নকলে কেনেকৈ জানিম?"তাই মনৰ দুখৰ কথা খুলি ক'ব নোৱাৰি পুনৰ ঘৰলৈ উলটি আহিল। মাধুৰিমাৰ এনে দৃশ্য দেখি জয়ন্তই গোটেই পৃথিৱীৰ ভৰ তাৰ মূৰত পৰা যেন পালে। সি বজ্ৰপাত পৰা মানুহৰ দৰে একেঠিৰে চাই থাকিল মাধুৰিমা যোৱাৰ ফালে। সি ভাবিলে মাধুৰিমাক কোনোবাই .................. । নাই নাই, নদীৰ সোঁত ওলোটাই বব, কিন্তু মাধুৰিমাৰ মন গলাব নোৱাৰিব। কিন্তু বিয়াৰ দিন হোৱাৰ পিছতো তাইৰ মন কিয় এনেকুৱা? ঘৰলৈ উভটি আহি সি ওৰে ৰাতিটো সেইবোৰ কথা ভাবি ভাবি ভাত পানী নোখোৱাকৈ উজাগৰে কটালে।

জয়ন্ত বৰুৱা অতি দৰিদ্ৰ ঘৰৰ ল'ৰা। সি প্ৰৱেশিকা পৰীক্ষা প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ঘৰখনলৈ বহুত সন্মান কঢ়িয়াই আনিছিল। কোনোমতে চৰকাৰী সাহাৰ্যত বি.এ. ডিগ্ৰী লাভ কৰে। চাকৰিৰ কথা ভাবি আছে যদিও হাত দীঘল মানুহ হাতত নাই । যাৰ ফলত দেউতাকৰ শ্ৰমৰ বেতনকে হজম কৰি আছে। এজনী বায়েক আৰু দুজনী ভনীয়েকৰ সৈতে মুঠ পৰিয়ালৰ সদস্য ছয়জন। সি আনৰ ল'ৰা-ছোৱালীক পঢ়ুৱাই যিখিনি দৰমহা পায় সেই খিনি মাধুৰিমাৰ নামত খৰছ বহন কৰোতে ঘৰ নাপায়। ফোনত কথা পাতোতে চিনেমা চোৱাত সকলো টকা শেষ হয়। প্ৰেম স্বৰ্গীয় কথাটো সত্য কিন্তু প্ৰেমেই যে জীৱন সেইটো অৰ্থহীন। প্ৰেমৰ সমাপ্তি সদায় ঘৃণা। কিয়বা আজিকালি তাৰ খাবলৈ-শুবলৈ একোৰেই মন নাইকিয়া হয়। সি মাত্ৰ ভাবি থাকিল কিয়বা মাধুৰিমাই কান্দি কান্দি গুচি গ'ল অথচ একো নক'লে। ওৰে ৰাতি টোপনি খতি হোৱাত সি পুনৰ শুই পৰিল। বাহিৰৰ কিনকিনিয়া

বৰষুণ জাকে তাক শুই থাকিবলৈ বাধ্য কৰালে, তাতে আকৌ ৰবিবাৰৰ দৰে এটা বন্ধৰ দিন। হঠাৎ বাহিৰত দৰ্জাত কোনোবাই টুকুৰিয়াই মাতিলে — জয়ন্ত, জয়ন্ত।বাহিৰত চিনাকি মাত এটা শুনি সি অতি সোনকালে দৰ্জাখন খুলি দিলে। আৰে মাষ্টৰ বাবু দেখোন, ক'ৰ পৰা ভাই আজি এই বৰষুণত তিতি আহিছা যে? মাষ্টৰ আছিল জয়ন্তৰ সৰু কালৰ বন্ধু, নাম বিশ্বজিৎ তামুলী। মাষ্টৰে ক'লে — দিনত যে দৰ্জা বন্ধ কৰি শুই আছা, নিশ্চয় ৰাতি টোপনি নাহিল সম্ভৱ? জয়ন্তই মাষ্টৰৰ প্ৰথম কথাটোত কিবা এটা ইংগিত পালে। আৰু প্ৰেমৰ এনেকুৱা লেন-দেনৰ কাৰণেই দুয়োৰে মাজত বহুদিন অহা-যোৱা নাছিল হয়তো সময়ৰ অভাৱত। জয়ন্তই মাষ্টৰৰ কথাৰ উত্তৰ নিদি সুধিলে — বাৰু কোৱাচোন কিয় আহিলি? তই আজি তিতি বুৰি মোৰ ঘৰলৈ আহিলি? মাষ্টৰেও মনে মনে ভাবি আছিল যে আজি সি জয়ন্তক সলনি কৰিহে যাব।সি জয়ন্তৰ প্ৰশ্নৰ উত্তৰ দিলে— জয়ন্ত, মানুহ অকল স্বাৰ্থতহে মানুহৰ কাষ চাপে নেকি? মই যোৱাৰাতিৰ তহঁতৰ নাটকখনৰ কথা জানিবলৈহে আহিলো। পিছে কোৱাচোন কি ঘটিল ঘটনাটো। জয়ন্তই তাৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি ক'লে, — ৰবি, নাটকখনৰ আলোচনা পিছত পাতিম, প্ৰথমতে চাহ দুকাপ বনাই লওঁ। এই বুলি সি চাহ দুকাপ বনাই লৈ আহিল। মাষ্টৰে এইবাৰ মাধুৰিমাই দি যোৱা চিঠিখন জয়ন্তৰ হাতত দিলে আৰু সুধিলে— বাৰু এতিয়া ক, মাধুৰিমাক তই প্ৰকৃততে ভাল পাৱনে? মাষ্টৰে পোনে পোনে প্ৰেমৰ কথা সোধাত সি বৰ লাজ পালে আৰু সি লাজ লাজকৈ ক'লে— প্ৰেম কৰাটো মানুহৰ পাপ নেকি? " অ' পাপ। খাবলৈ নোহোৱা ঘৰৰ ল'ৰাই প্ৰেম কৰাটো পাপ। কেৱল পাপেই নহয়, ই এক ডাঙৰ দোষ। এই নষ্ট ছোৱালীবোৰৰ কথাত ভোল গৈ এচাম মুখা পিন্ধা ভদ্ৰলোকে পৃথিৱীৰ কথা একো চিনি নোপোৱা হৈছে। সমাজখন তললৈ গ'ল।"

মাষ্টৰৰ মুখত 'নষ্ট ছোৱালী' শব্দটো শুনি জয়ন্তৰ মূৰটো গৰম হৈ গৈছিল যদিও তাৰ প্ৰতিবাদ নকৰিলে। অৱশ্যে মাষ্টৰে কোৱা কথাবোৰ অসত্যও নহয়। সি তল মূৰ হৈ বহি আছিল।

মাষ্টৰে পুনৰ ক'লে— " জয়ন্ত তই এবাৰ ঘৰৰ কথা ভাৱচোন, এজনী বাইদেউ আৰু দুজনী ভনীয়েৰাৰ দায়িত্ব অকল দেউতাৰৰ নেকি? আৰু শুন, যোৱাকালি নিশা ঘটি যোৱা ঘটনাটো মই নেদেখা বুলি ভাৱ নেকি?" জয়ন্তই এইবাৰ বজ্ৰ পৰা মানুহৰ দৰে একেথিৰে চাই থাকিল মাষ্টৰৰ মুখলৈ। মাধুৰিমাৰ বিয়া কাৰ লগত জাননে? নাজানা যদি পিছত জানিবি? আৰু তাই কিয় অকলে কালি তোৰ ওচৰত আহিছিল তই কিবা জাননে? বাৰু শুন, মাধুৰিমাৰ বিয়া অহা মাহৰ ২৫ তাৰিখে, কোনোবা জয়ন্ত চলিহা নামৰ ব্যৱসায়ী এজনৰ লগত। তোক নিমন্ত্ৰণ দিবলৈ আহিছিল, পিছে বেচেৰীয়ে তাইৰ প্ৰেমিকক একো ক'ব নোৱাৰি মোৰ হাতত দি গৈছিল এই চিঠিখন। আৰু কৈ গৈছিল— তই যদি ২৫ তাৰিখৰ আগত তাইক পলুৱাই অনা তেন্তে তাই প্ৰস্তুত। আৰু যদি নোৱাৰা তেন্তে ................।

জয়ন্তই চিঠিৰ লেফাফাটো ঘূৰাই ঘূৰাই চাইছিল কিন্তু সাহস পোৱা নাই খুলিবলৈ। সি মাষ্টৰক অনুৰোধ কৰিলে, প্লিজ মোক কিবা এটা উপায় দিয়া। মই এতিয়া কি কৰো?

মাষ্টৰে কৈ গৈছিল, বাৰু জয়ন্ত শুন, এটা পুৰণি কালৰ কাহিনী আৰু ইয়াৰ পৰাই তই তোৰ উপায় বাচি লবি। মোৰ তাত ক'বলৈ একো নাই। বহুত দিন আগতে কোনো এখন দেশত সনাতন নামৰ

ৰজা এজনে শাসন কৰিছিল। তেওঁৰ একমাত্ৰ জীয়ৰী আছিল অৰুন্ধতী আৰু পুত্ৰ ঋষিকেশ। অৰুন্ধতীক ৰজাই বহুত মৰম কৰিছিল। সত্যনাথ আছিল ৰজাৰ প্ৰধান মন্ত্ৰী। সত্যনাথৰ সকলো কথা ৰজাই মানি লৈছিল আৰু দুয়োৰে মাজত বন্ধুত্বৰ মিলন ঘটিছিল। ৰজাৰ পুতেক ঋষিকেশৰ লগত মন্ত্ৰী পুত্ৰ ৰঘুনাথেও বন্ধুত্ব স্থাপন কৰিছিল। ৰঘুনাথ ৰূপে-গুণে, স্বভাৱ-চৰিত্ৰই ঋষিকেশতকৈ বহু গুণে ওপৰত। যাৰ কাৰণে ৰাজকুমাৰী অৰুন্ধতীয়ে গোপনে ৰঘুনাথক ভাল পাইছিল। আনকি তাই এদিন সুযোগ লৈ ৰঘুনাথক কৈছিল, 'তুমি যিদিনাই ঘোঁৰা লৈ আমাৰ ঘৰলৈ আহিবা সেই দিনাই মই তোমাৰ লগত পলাই যাম।' ৰাজকুমাৰীৰ মুখত এনেকুৱা কাকুতি শুনি মন্ত্ৰী পুত্ৰই দেউতাকৰ সৈতে বজাৰলৈ গ'ল ঘোঁৰা কিনিবলৈ। বজাৰত বহুত ঘোঁৰাৰ মাজত এটা ঘোঁৰা তাৰ পচন্দ হ'ল আৰু দাম-দৰ কৰিবলৈ ধৰিলে। লগতে ঘোঁৰাৰ দোষ- গুণৰ কথা সুধিলে। বিক্ৰেতাই সকলো কথা ভাঙি-পাতি ক'লে — ঘোঁৰাটোৰ একো দোষ নোপোৱা, পিছে তাইৰ আইতাকৰহে এটা দোষ আছিল। আইতাকৰ লগত ইয়াৰ একো সম্পৰ্ক নাই বুলি পিতা-পুত্ৰই ঘোঁৰা লৈ আহিল। ইফালে ৰঘুনাথৰ মনত আনন্দৰ জোঁৱাৰ। পিছদিনা ৰাতিপুৱাই গা-পা ধুই ৰজাৰ ঘৰলৈ বুলি ৰাওনা হ'ল। ৰজাৰ ঘৰৰ নিচেই ওচৰতে এখন সৰু নদী আছিল। নদীখনৰ সিটো পাৰে ৰজাৰ ঘৰ। গৈ গৈ ৰঘুনাথ সেই নদীৰ ওচৰ পালে। নদীখনত কোনো দলং নাছিল আৰু মানুহে কোনোমতে সাকোঁৰে পাৰ হৈছিল। ৰঘুনাথে ঘোঁৰাটো পাৰেমানে কোবায় কিন্তু ঘোঁৰাটো পানীত নামি নাযায়, কাৰণ এইটোৱে আছিল তাইৰ আইতাকৰ দোষ। সি ভাবিছিল বেপাৰীজনৰ কথাটো। উপায় নাপাই সি ঘোঁৰাটো নদীৰ পাৰতে বান্ধি থৈ ৰজাৰ ঘৰলৈ গ'ল। ঘৰ পোৱাৰ পিছত ঋষিকেশ আচৰিত হৈ সুধিলে— আৰে খোজ কাঢ়ি যে। আচলতে সি কাহানিও খোজ কঢ়া মনত নপৰে তাৰ। ৰঘুনাথে লাজ ঢাকি ক'লে— নাই নাই ঘোঁৰাটো নতুনকৈ অনা বাবে নদীৰ কিনাৰতে বান্ধি থৈ আহিলো। ইফালে ঘোঁৰাৰ আচল গুণৰ কথা কোৱা নাছিল। ঘোঁৰা শব্দ শুনিয়েই ৰাজকুমাৰী কইনাৰ বস্ত্ৰ পৰিধান কৰি কোনোৱে গম নোপোৱাকৈ ঘোঁৰাৰ ওচৰত লুকাই থাকিল। ৰঘুনাথেও খোৱা-বোৱা কৰি ঘৰলৈ বুলি ৰাওনা হ'ল। হঠাৎ ঘোঁৰাৰ কাষত ৰাজকুমাৰীক দেখি ৰঘুনাথ খঙত জ্বলি উঠিল। কি সাংঘাটিক ছোৱালী। সি মনতে ভাবিলে— ঘোঁৰাৰ আইতাকৰ দোষ যদি নাতিনীয়েকৰ গাত প্ৰভাৱ পেলায় তেন্তে মই যদি আজি ৰজাৰ ছোৱালীক পলাই নি সংসাৰ কৰো পিছত আমাৰ ল'ৰা-ছোৱালী একে নাৱৰে যাত্ৰী হ'ব। অসম্ভৱ, ই কেতিয়াও হ'ব নোৱাৰে। এইবুলি ভাবি সি হঠাৎ নিজৰ তৰোৱালখনেৰে অৰুন্ধতী ডিঙিটো দুচোৱা কৰি পেলালে আৰু হাবিৰ মাজতে মৰাশটো পেলাই থৈ গ'ল। ক্ৰমে সন্ধিয়া হৈ আহিলত সকলোৱে ৰাজকুমাৰীৰ অনুসন্ধান কৰিবলৈ ধৰিলে। হঠাৎ নদীৰ কাষৰ হাবিত ৰাজকুমাৰীৰ দুচোৱা মৰাশটো দেখি মন্ত্ৰীবোৰে ৰজাক গোচৰ দিলেগৈ। ৰাজকুমাৰীৰ মৃত্যুৰ কথা শুনি ৰজাই ক্ৰোধত জ্বলি উঠিল আৰু ঘোষণা কৰি দিলে যে কাইলৈ এখন সাধাৰণ সভা আহ্বান কৰা হওঁক আৰু সেই সভাত মোৰ ছোৱালীৰ মৃত্যুৰ কথা যিজনে দিব পাৰে, তাক মই মোৰ ৰাজ্যৰ আধা অংশ দিবলৈ প্ৰতিজ্ঞা কৰিলো। কথামতে কাম। ৰাতি পুৱাল আৰু ৰাজহাউলী নানা ধৰণৰ মানুহেৰে ভৰি পৰিল।

সকলোৱে এফালৰ পৰা কৈ গ'ল। সকলোৰে মুখত মাত্র এটাই উত্তৰ মই ক'ব নোৱাৰিম। অৱশেষত মন্ত্রী পুত্র ৰঘুনাথৰ পাল। সি কোনো ভয় নকৰাকৈ উত্তৰ দিলে। মহাৰাজ, ক্ষমা কৰিব মই আপোনাৰ ছোৱালীৰ হত্যাকাৰী। মন্ত্রী পুত্রৰ মুখত এনেকুৱা কথা শুনি ৰজা ক্ৰোধত জ্বলি উঠিল আৰু তাৰ কাৰণ সুধিলে। ৰঘুনাথে কৈ গ'ল— মহাৰাজ, মই ঘোঁৰা কিনাৰ আগ মূহুৰ্তত বিক্ৰেতাই কোৱা কথাষাৰ গুৰুত্ব নিদি ঘোঁৰাটো কিনি আনিলো সঁচা কথা কিন্তু জানি শুনি মই কিয় লোকৰ ছোৱালী পলাই নিও। আমাৰ ল'ৰা-ছোৱালীওটো একে নাৱৰে যাত্রী হ'ব। ৰঘুনাথৰ কথা কোনেও একো বুজি পোৱা নাছিল একমাত্র ৰজাৰ বাহিৰে। ৰজাই বাৰুকৈয়ে বুজিছিল, পুত্ৰ শুন তই মোক আজি নজনা কথা এটা জনাই দিলি। তাইৰ এই গুণটো মোৰ কাৰণেই হ'ল কাৰণ মই তাইৰ মাকক পলুৱাই আনিছিলো। বাৰু যি নহওক, মোৰ ৰাজ্যৰ আধা অংশ তোৰ নামত লিখি দিলো। সভাৰ সকলো মানুহ তবধ মানি চাই থাকিল।

জয়ন্ত এতিয়া কোৱাচোন ৰজাই নিজৰ ছোৱালীক হত্যা কৰাৰ পিছতো মন্ত্রী পুত্ৰকহে ধন্য বুলি ক'লে কিয়? তোৰ ভৱিষ্যতৰ কথা চিন্তা কৰি তোৰ কৰণীয় কামখিনিত আগবাঢ়ি যা। মাষ্টৰৰ মুখত এনেকুৱা এটা উপদেশ মূলক কাহিনী শুনি জয়ন্তই হাঁহি কৈছিল— মাষ্টৰ, আচলতে মাধুৰিমাৰ মাকো পলাই আহিছিল দ্বিতীয় বিবাহ সূত্রে অন্য মানুহ এজনলৈ। সি পুনৰ জন্ম লোৱা যেন পালে। তাৰ মনৰ সকলো দুঃখ আঁতৰি গ'ল। সি ভাবিব ধৰিলে, সি আচলতে বহুত ভুল কৰিবলৈ আগবাঢ়িছিল। সি মধুৰিমাৰ চিঠিখন নোচোৱাকৈয়ে পুনৰ এখন চিঠি লিখিলে— মধু মই তোমাৰ বিয়াত নিশ্চয় যাম। তুমি দুখ নকৰিবা। মই সঁচা কৈছো মধু। তোমাৰ যুগ্ম জীৱন আনন্দৰে ভৰি পৰক। তুমি ঘৰৰ মানুহৰ কথা নেপেলাবা। নিজৰ মা-দেউতাই কোনো সন্তানৰ অমঙ্গল কামনা নকৰে। আজিলৈ ইয়াতে এৰিলো। বিয়াৰ দিনা লগ পোৱাৰ আশাৰে।

ইফালে পশ্চিম দিশত বেলিটো লুকাবলৈ ললে। শৰতৰ শেৱালিৰ গোন্ধ ওৰে কোঠাটোতেই বিয়পি পৰিল। হাঁহি মুখে মাষ্টৰক বিদায় দি জয়ন্তই বিশাল ফৰকাল আকাশখনলৈ চাই থাকিল।

*****

---

# কৌতুক

শিক্ষক ঃ 'মই চোৰ কৰিলো', ইংৰাজীলৈ অনুবাদ কৰা।

ছাত্র ঃ আপুনি চোৰ কৰিছে যেতিয়া আপুনিয়ে অনুবাদ কৰক ছাৰ। আপোনাৰ হৈ মই জামেলাত ফচিব নোৱাৰো। *****

শিক্ষক ঃ পাটনা ক'ত আৰু কিহৰ কাৰণে বিখ্যাত।

ছাত্র ঃ ছাৰ, পাটনা আমাৰ পুখুৰী পাৰত আৰু মায়ে কাপোৰ ধোৱাৰ কাৰণে বিখ্যাত।

সংগ্ৰাহক ঃ নয়নমণি বৰুৱা, সাধাৰণ সম্পাদক

# জীৱনৰ লগৰী

কৈলাশ শৰ্মা
স্নাতক, ২য় বৰ্ষ

" কলেজীয়া জীৱনৰ লগৰী আজি গোটেই জীৱনৰ লগৰী হ'ল "— জানে ইয়াকে আজি ৰোমন্থন কৰি আছে। ন কইনা অলপ আগতে আহি পদূলি গচকিছে আৰু জানৰ মন কলেজীয়া জীৱনলৈ উৰি গৈছে।

'জানে' তেতিয়া হায়াৰ ছেকেণ্ডাৰী পাছ কৰি বি. বৰুৱাত স্নাতক পঢ়িবলৈ সোমাইছে। সিহঁতৰ ক্লাছটোত পিছে বেছি ছাত্ৰ-ছাত্ৰী নাই। মাত্ৰ ২৫ জন। তাৰে ভিতৰত ভাল লাগে মইনাকে (কবিতা)। আনৰ নিচিনা ধুনীয়া নহয় তাই, পিছে খুবেই ভাল লাগে তাইক। কিয় ভাল লাগে ক'ব নোৱাৰো আৰু মইনা ......... প্ৰেম মানে কি তাই নাজানে। কেচুৰা সুলভ তাইৰ স্বভাৱ।

এদিনাখন মনত সাহস কৰিয়ে জানে মইনাক মাতিলে——

ঃ Hello মইনা

ঃ Hello

ঃ তোমাৰ rough copy খন দিবা?

ঃ নিশ্চয়। এইখন লোৱা।

ঃ তুমি কিন্তু বেছ Intelligent দেই।

ঃ কিয় কলা?

ঃ নহয় মানে তোমাক অলপ বেলেগ যেন লাগে।

ঠিক এনেদৰেই আৰম্ভ হৈছিল দুয়োৰে বন্ধুত্ব। দুয়ো একেলগে কিতাপ কিনিছিল জানক মইনাই কিতাপ বহী আদিবোৰ দি সহায়ো কৰিছিল।এদিনাখন ৰিমামণিয়ে মইনাক কৈছিল—

ঃ তহঁত দুয়োৰে মাজত কিন্তু নিশ্চয় কিবা এটা আছে দেই।

ঃ এনেকৈ তই কিয় ক'লি?

ঃ নহয় মানে, তই তাক Notes দিয়, পৰীক্ষাৰ সময়ত ইমানবোৰ সহায় কৰ, Sir ৰ গালিৰ পৰা তাক ৰক্ষা কৰ।

ঃ অ তাৰ মানে কোনোবা বন্ধুক সহায় কৰিলে মই তাৰ প্ৰেমিকা হৈ যাম?

ঃ নহয় মানে, তোৰ নাথাকিলেও তাৰ মনত যে কিবা আছে সেইটো খাটাং।

ঃ হ'ব দে, পাগলামি কৰি থাকিব নালাগে। ব'ল, বৰা ছাৰৰ ক্লাছ কৰো।

এনেদৰে দিন গৈ থাকিল আৰু স্নাতক পৰীক্ষাও শেষ হ'ল। কিন্তু দুয়োৰে মনৰ কথা মনতে ৰ'ল। জানে এম. এ. কটনত কৰিলে আৰু মইনাই এম. এ. বি. বৰুৱাতে কৰিলে। জানে মাজে মাজে বি. বৰুৱালৈ যায়। পাছে দুয়োৰে মনৰ কথা পাতিব পৰা নাই।এটা সময়ত সিহঁতৰ এম. এ. complete হ'ল। মইনাই চাকৰি পালে কলিকতাত আৰু জানে চাকৰি পালে আমেৰিকাত।

দুদিন মানৰ পৰা মইনাক ঘৰৰ মানুহে ফোন কৰি বৰকৈ মাতি আছে। বিয়াৰ বাবে মানুহ এঘৰ আহিছে। ল'ৰা বাহিৰত থাকে। ছুটিত ঘৰলৈ আহিব। সোনকালে বিয়াখন পাতিব লাগে।

ঃ মা তহঁতে মিছাতে বেছিকৈ লাগি আছ।

ঃ একো নহয় দে। মানুহ ঘৰেহে বৰকৈ লাগি আছে।

ঃ মইনো ল'ৰাটো নেদেখাকৈ কেনেকৈ বিয়াত বহো?

ঃ ল'ৰা বোলে বাহিৰত থাকে। সিয়ো বোলে তোক দেখা নাই। পিছে সি ঘৰৰ মানুহক ছোৱালী চাব দিছে। বিয়াৰ দুদিনমান আগতে আহি তোক চাই যাব।

ইফালে জানৰ মন উগুল-থুগুল। কেনেকুৱা হ'ব ছোৱালীজনী? ছোৱালীজনীৰ বিষয়ে একো জনা নহ'ল। দেউতাকহঁতে ভাল বুলি কৈছে। ইমান ততাতৈয়াকৈ আৰু বিয়া কৰাব পাৰিনে? অৱশ্যে উপায়ো নাই। ঠিক আছে, ঘৰে ভাল বুলি কৈছে যেতিয়া .............

আৰু এয়া হোমক সাক্ষী কৰি বিয়া কৰাই ঘৰৰ পদূলি গছকিছে তাৰ একালৰ অতি মৰমৰ বান্ধৱী মইনাই। আচৰিত মিলন। ভাগ্য অদৃষ্ট। সেই ভাগ্যই সিহঁতক মিলাইছে আৰু এই নিশাকে হোমক সাক্ষী কৰি আনি অলপ আগতে ঘৰ সোমাইছে। আচৰিত এই মিলন। এই জীৱনে মিলাইছে জান আৰু মইনাক। সিহঁত যে পৰম সৌভাগ্যবান।

*****

# অকথ্য

* যিবোৰ মানুহে নিজৰ অপব্যয়ৰ কথা জানিব পাৰে, তেওঁলোকেই চহকী হয়।
* সৈমান হোৱা জিভাই সহি থাকে, আঁকোৰগোজ দাঁত ধ্বংস হয়।
* ডাঙৰ মাছ ধৰিব খুজিলে বৰশীত সৰু মাছ গাঁঠিব লাগিব।
* পৃথিৱীৰ কোনো লোকেই সৎ নহয়, যি সৎ তেওঁ অসৎ হোৱাৰ সুবিধা পোৱা নাই।
* এজন শিক্ষকৰ লিখনীৰ পৰা চুৰ কৰিলে তাক নকল বুলি কোৱা হয়, বহু লেখকৰ পৰা চুৰ কৰিলে তাক কোৱা হয় গৱেষণা।
* জোৰ যাৰ মুলুক তাৰ নহয়, টকা যাৰ মুলুক তাৰ।
* উভৈনদী হ'লে নাটনিৰ কথা ভাবিবা, নাটনি হ'লে উভৈনদী যেন নেদেখুৱাবা।
* অহংকাৰে ঘোঁৰাত উঠি ঘৰ এৰে, কিন্তু খোজ কাঢ়ি উলটি আহে।
* দূৰত গৈ ধূপ জ্বলোৱাতকৈ ঘৰৰ ওচৰত ভাল কাম কৰা উচিত।
* তিৰোতাৰ মুখ বন্ধ থাকিলে কাৰো কেতিয়াও অনিষ্ট নহয়।
* বহু ক্ষেত্ৰত আমাৰ আকাংক্ষাবোৰ পূৰণ হ'লে আমি অসুখীহে হওঁ।
* গিৰিহঁতৰ লগুৱা-ভৃত্য যিমানে বেছি হয় শত্ৰুও সিমানে বাঢ়ে।
* বনৰীয়া ঘাঁহ নাপালে ঘোঁৰা কেতিয়াও নোদোকা নহয়, সৌভাগ্যৰ সহায় নহ'লে মানুহ কেতিয়াও ধনী হ'ব নোৱাৰে।

# মানৱতা

প্ৰণিতা দাস
স্নাতক, প্ৰথম বৰ্ষ

বিনোদ এজন দুখীয়া ঘৰৰ ল'ৰা। কাম-বন কৰি খাবলৈয়ো তাৰ সোঁহাতখন নাই। ভিক্ষা বৃত্তিয়েই তাৰ জীৱিকাৰ একমাত্ৰ পথ।এদিন সি শুনিলে যে গাঁৱতকৈ চহৰত ভিক্ষা কৰি বেছি ধন পোৱা যায়। তাকে বিশ্বাস কৰি এদিন সি চহৰ ওলালগৈ। দিনৰ দিনটো সি ভিক্ষা কৰিলে। পইচা পালে যথেষ্ট কিন্তু খাবলৈ কাৰো ঘৰতে আহাৰ নাপালে। গাঁৱত ভিক্ষা কম পায় কিন্তু ৰোজৰ মূৰত পৰিলে মানুহে খাবলৈ দিয়ে। সি ভাবিলে, চহৰ আৰু গাঁৱৰ ব্যতিক্ৰম এই খিনিয়ে। তাৰ বৰ ভোক লাগিছিল। গধূলি এখন হোটেলত পৰঠাকে কিনি খাওঁ বুলি সোমাল। এনেতে মাৰুতি ভান এখনৰ পৰা নামি আহি এহাল দম্পত্তি সেইখন হোটেলতে সোমাল।প্ৰথমতে সিহঁতে নতুন খোৱা বস্তু কি আছে মালিকক সুধিলে। মালিকে হাঁহি হাঁহি ক'লে— “আজি যে আপোনালোক অহাত পলম হ'ল, ক'ৰবালৈ গৈছিল চাগে।” হোটেলৰ মালিকজনৰ কথাৰ পৰা জনা গ'ল যে এই দম্পত্তিহাল সদায়েই হোটেলখনলৈ আহে আৰু ৰুচি অনুযায়ী মিষ্টান্ন খায়।

আপোন মনে ভিক্ষাৰী ল'ৰাটোৱে পৰঠা খাই থকা দেখি ভদ্ৰ মহিলাজনীৰ টিকিচ্‌কৈ খং উঠিল। তাই গিৰিয়েকক ক'লে— “চোৱাচোন এই ভিক্ষাৰীমখাৰ খোৱাৰ উৎপাত। ইহঁতে বোলে খাবকে নাপায়। আনদিনা সেইখিনি ঠাইত আমি বহো,আজি তাত কেনেকৈ বহিম? ঘৈণীয়েকৰ কথা শুনি ভদ্ৰলোকজন ভিক্ষাৰী ল'ৰাটোৰ ওচৰলৈ গৈ ধমক দিলে— “অ'ই ল'ৰা, দূৰ হ ইয়াৰ পৰা। চাৰিওফালে কেৱল তহঁতৰেই উৎপাত। ঘৰৰ বাৰাণ্ডাত বহিব নোৱাৰি ভিক্ষাৰী। ফুট পথৰে খোজ কাঢ়িব নোৱাৰি ‘বাবু পইচা দিয়ক’। উৎসৱ-পাৰ্বনৰ কথাই নাই— কেৱল ভিক্ষাৰী। ভদ্ৰলোকজনৰ ধমক শুনি বিনোদে পৰঠাৰ শেষ কামোৰটো কেওটকৈ গিলি পানী এগিলাচ ঢোক-ঢোককৈ পী থিয় হ'ল। সি ভদ্ৰলোকজনৰ ফালে চালে। তাৰ মুখত এটা মিচিকীয়া হাঁহি বিৰিঙি উঠিল।

“চাৰ আপোনাক মই চিনি পাইছো। আপুনিহে মোক চিনি পোৱা নাই হ'বলা। পাবনো কেনেকৈ?” বিনোদে এটা হুঁমুনিয়াহ কাঢ়িলে। তাৰ চকু দুটাও চলচলীয়া হ'ল। তাকে দেখি ভদ্ৰলোকজনৰ খঙহে উঠিল। খঙেৰে ক'লে— “হৈছে হৈছে, চিনাকি দিব নালাগে। এইটো তোৰ পইচা সৰকোৱাৰ ফন্দি।”

বিনোদে টোপোলাটো বাওঁ হাতখনেৰে কান্ধত ওলোমাই লৈ কেইখোজমান আহি হোটেলৰ দুৱাৰ মুখত থিয় হ'ল। সি ভদ্ৰলোকজনৰ ফালে চাই ক'লে- চাৰ আপুনি নক'লেও মই ইয়াৰ পৰা গুছি যাম। কিন্তু যোৱাৰ আগতে মোৰ চিনাকিটো দি থৈ যাওঁ। চাৰ, মই ভিক্ষাৰী হ'ব পাৰো কিন্তু মনুষ্যত্ব জ্ঞান এতিয়াও লোপ পোৱা নাই। আপুনি আমাৰ তাহানিৰ বিমল চাৰ নহয়নে? আপুনি বালিপাৰা মজলীয়া ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল। নিয়মীয়া পাঠৰ উপৰিও আপুনি আমাক নীতিশিক্ষা দিছিল। দুখীয়াক

সদায় সহায় কৰিবা, কণা-খোৰাক পুতৌ কৰিবা, সাধ্যানুযায়ী ভিক্ষাৰীক ভিক্ষা দিবা, কথাৰে এটা আৰু কামেৰে অন্য এটা কৰা দুমুখীয়া সকলৰ কাৰ্যক ঘোৰ প্ৰতিবাদ কৰিবা ইত্যাদি। ডাঙৰ চাকৰি পাই আপুনি স্কুলৰ চাকৰি এৰি আহিছিল। অহাৰ দিনাখন আমি হুক-হুকাই কান্দিছিলো। আপুনিও চকুলো টুকিছিল। সেইদিনা আপুনি আমাক কেতিয়াও পাহৰিব নোৱাৰে বুলি সান্ত্বনা দিছিল। নতুন চাকৰিত আপুনি যথেষ্ট ধন-দৌলত কৰা আৰু গুৱাহাটী চহৰত ডাঙৰ ঘৰ বন্ধা বুলি আমি সাধু কথাৰ দৰে শুনিছিলো। আপুনি স্কুলৰ চাকৰি এৰি অহাৰ এবছৰ মানৰ পাছত মোৰ এটা দুৰ্ঘটনা হয়। সেই দুৰ্ঘটনাটোত মই সোঁহাতখন হেৰুৱাওঁ। দেউতাৰ খেতি মাটি নাছিল বুলি আপুনি ভালকৈয়ে জানিছিল। দিন মজুৰি কৰি মোক পঢ়ুৱাইছিল। মোৰ হাতখন কটা যোৱাৰ দুখতে দেউতায়ো বেমাৰী হ'ল। এদিন মৰি থাকিল। উপায়ন্তৰ হৈ মই ভিক্ষাৰ জোলোঙা হাতত লওঁ। ভিক্ষা কৰি গৈ থাকোতে আজি ৰাতিপুৱা এটা পকা ঘৰৰ বাৰাণ্ডাত থিয় হৈ থকা আপোনাক দেখিলো। নমস্য চাৰক দেখা পাই মোৰ মনত অপাৰ আনন্দ লাগিল। খাবলৈও একো পোৱা নাছিলো। ভোকত মোৰ পেটৰ নাড়ী ভুৰু ছিগি যাও যাও অৱস্থা। বহুত আশা বুকুত বান্ধি লোৰ গেটখন খুলি ভিতৰলৈ সোমাই যাবলৈ ধৰোতেই আপুনি ঘৰৰ ভিতৰলৈ সোমাই গ'ল। আপুনি মোক দেখা নাপালে বুলি ভাবি ময়ো গৈ চাৰ চাৰ বুলি মাতিলো। বাইদেউ ওলাই আহি 'তই ভাগ ভাগ ' বুলি মোক খেদি পঠালে। ঘূৰি আহোতে বান্ধি থোৱা কুকুৰটোৰ আগত এটা ধুনীয়া পাত্ৰত অলপ ভাত থকা দেখি ভাবিলো, কুকুৰটোৱে চাগে পেট পুৰাই খাই ভাত কেইটা এৰিছে। ভোকৰ তাড়নাত ৰব নোৱাৰি ভাত কেইটা খাওঁ বুলি হাত মেলোতেই কুকুৰটোই ভুক কৰি ভুকি উঠিল। কুকুৰৰ মাত শুনি এখেত বাইদেউ পুনৰ ওলাই আহি "হেই হেই, কি কৰ কি কৰ" বুলি চাকৰ এজনৰ হতুৱাই গতিয়াই মোক একেবাৰে লোৰ গেটখনৰ বাহিৰ কৰি দিয়ে। মনৰ দুখতে একো খোৱা নাছিলো। ভিক্ষা কৰি পোৱা পইচাৰে ইয়াত এখন পৰঠা কিনি খালো। আহাৰ কিনি খোৱাৰ কাৰণে মোৰ দুখ লগা নাই চাৰ, দুখ লাগিছে আমাৰ অতি নমস্য বিমল চাৰৰ পৰিৱৰ্তন দেখি। লাজ অপমানত নহয় মানুহৰ চাৰিত্ৰিক ৰঙৰ পৰিৱৰ্তনে মোক বৰ দুখ দিলে। চাৰ নমস্কাৰ, বুলি এখন হাতেৰে নমস্কাৰ জনাই বিনোদ হোটেলৰ পৰা ওলাই গ'ল। হোটেলত থকা অন্যান্য গ্ৰাহকসকলে 'কি সাংঘাটিক ল'ৰা' বুলি বিনোদ যোৱাৰ ফালে চাই থাকিল। কিন্তু হোটেলৰ মালিকজনে হ'লে একেথৰে সদায়েই অহা ভদ্ৰলোক আৰু ভদ্ৰমহিলা হালৰ ফালেহে চালে।

*****

---

যিকোনো কাৰ্য সুকলমে সম্পাদন কৰিবৰ বাবে মনোযোগ, অধ্যাৱসায়, নিৰ্ভুলতা, শুদ্ধ পদ্ধতি, সমানুবৰ্তিতা আৰু দক্ষতা হ'ল প্ৰয়োজনীয় প্ৰধান গুণ ।

— ছেমুৱেল স্মাইলছ

# আজিৰ যুৱ প্ৰজন্মৰ মানসিকতা আৰু দৰ্শনৰ প্ৰয়োজনীয়তা

চৈয়দা জোৰেনা বেগম
প্ৰবক্তা, দৰ্শন বিভাগ
পাতিদৰং মহাবিদ্যালয়

আজিৰ সমাজ আধুনিকতাৰ বেশেৰে সজ্জিত। আধুনিকতা সমাজৰ এক অবিচ্ছেদ্য আৰু প্ৰগতিশীল দিশ যদিও ই মানুহক বহু পৰিমাণে বিলাসিতা প্ৰিয় আৰু আৰামপ্ৰিয় কৰি তুলিছে। বিজ্ঞানৰ অগ্ৰগতিয়ে মানৱ সমাজ জীৱন আৰামদায়ক আৰু সহজ কৰি তুলিছে। প্ৰতিটো পদক্ষেপত মানুহে ইয়াৰ অৱদান উপভোগ কৰিব পাৰিছে। আমাৰ কৌতুহলী মনক কিছু পৰিমাণে উত্তৰ দিব পৰাকৈ চন্দ্ৰ, মঙ্গল গ্ৰহৰ তথ্যও আমালৈ আগবঢ়াইছে। আমি যেনিয়ে চাও তেনিয়ে ইয়াৰ চমৎকাৰ দেখিবলৈ পাওঁ। কিন্তু ইয়াৰ বিৰূপ প্ৰভাৱেও সমাজৰ বহু ক্ষতি সাধন কৰিছে। প্ৰদূষণৰ বাবে প্ৰাকৃতিক বাতাৱৰণৰ যি প্ৰভাৱ পৰিছে তাৰ ফল স্বৰূপে নানা ৰোগ আৰু প্ৰাকৃতিক দুৰ্যোগ ভূগিব লগীয়া হোৱাটোৱে আমাক তাহানিৰ শুৱনি প্ৰকৃতিৰ বুকুৰ গাঁওখনলৈ সোঁৱৰাই দিয়ে।

সি যি কি নহওক, আজিৰ যুৱ প্ৰজন্মৰ তথাকথিত আধুনিকতা আৰু বিলাসৰ প্ৰতি আকৰ্ষণ মনকৰিবলগীয়া, যাৰ বাবে সিহঁতে অন্তহীন অভাৱ অনুভৱ কৰে। অভাৱ অন্তহীন বাবে এটাৰ পিছত আনটো সামগ্ৰীৰ প্ৰয়োজনীয়তাই আমনি কৰে আৰু এই অভাৱ পূৰণ কৰিবলৈকে নানান ধৰণৰ উপায় সিহঁতে অৱলম্বন কৰে। (যুৱ প্ৰজন্মৰ কথা কওঁতে ইয়াত প্ৰত্যেকজন যুৱকৰ কথা কোৱা হোৱা নাই বুলি সকলোৱে বুজে ; তথাপিতো এবাৰ উল্লেখ কৰিলো যে ইয়াত এটা সামগ্ৰিক ছবিহে দাঙি ধৰা হৈছে।)

মানুহ যিমানেই আধুনিক হৈছে সিমানেই যুক্তিনিষ্ঠ হৈছে। যুক্তিৰে চিন্তা কৰাটো এটা সদৰ্থক দিশ। কিন্তু যুক্তিয়ে মানুহক ধৰ্ম আৰু আধ্যাত্মিক দিশটোৰ পৰা বহু পৰিমাণে আঁতৰ কৰিছে। ধৰ্মীয় কু-সংস্কাৰ আৰু অন্ধ বিশ্বাস আঁতৰাই সমাজ উন্নত আৰু শৃংখলিত কৰাটো অতি আৱশ্যক। কিন্তু যেতিয়া মানুহে মানৱ ধৰ্ম পৰ্যন্তও পাহৰি যায় তেতিয়া সমাজত আহি পৰে অৰাজকতা, অশান্তি আৰু বিশৃংখলা। উশৃংখল মানুহৰ বাবে মানৱতাবোধ, প্ৰেম, দয়া, সহানুভূতি আদি শব্দবোৰ নিৰৰ্থক সদৃশ। তেনেবোৰ মানুহৰ বাবে গ্ৰহণীয় তথা আদৰণীয় হৈ পৰিছে স্বাৰ্থপৰতা, দাম্ভিকতা ; যাৰ বাবে তেওঁলোকে বহুতো সমাজবিৰোধী তথা মানুহক আঘাট কৰা কাম কৰিবলৈকো কুণ্ঠাবোধ নকৰে।

আজিৰ যুৱ প্ৰজন্মই আধুনিকতাৰ সদৰ্থক দিশটোক কম আৰু বাহ্যিক আধুনিকতাক বেছি গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। সাধাৰণভাৱে জীৱনশৈলী চলাই নিয়া মানুহবোৰৰ প্ৰতি অৱহেলা ভাৱ আজিৰ সমাজত বাৰুকৈয়ে দেখা যায়। পূৰ্বতো আছিল আৰু আজিও আছে এনে কেতবোৰ মানুহ যাৰ জীৱন চলে

অতি সাধাৰণভাৱে অথচ তেওঁলোকৰ আভ্যন্তৰত থাকে সুন্দৰ, বিৰল প্ৰতিভাৰ সম্পদ, যি সম্পদ অৰ্থৰ দ্বাৰা লাভ কৰাটো সম্ভৱ নহয়। তেওঁলোক গুণৰ সাগৰেৰে সমৃদ্ধ। মানুহ সভ্য, সংস্কৃত আৰু যৌক্তিক হ'লেহে প্ৰকৃততে আধুনিক হয়। এখন সভ্য, সংস্কৃত সমাজ পাবলৈ হ'লে প্ৰথমতে সমাজখনৰ লোকসকল ব্যক্তিগতভাৱে তেনে হ'ব লাগিব। সমাজৰ প্ৰতিজন ব্যক্তি যদি চাৰিত্ৰিক ভাৱে নিকা আৰু উন্নত মানসিকতাৰ হয় তেন্তে সেই সমাজখনো উন্নত আৰু সভ্য হ'ব।

এই সকলো দিশলৈ চাই আমিও ভাবো যে বৈষয়িক আসক্তিৰ তীব্ৰতা (বিষয়ৰ প্ৰতি সম্পূৰ্ণ আসক্তিক অস্বীকাৰ কৰা নাই, কাৰণ সম্পূৰ্ণ আসক্তিহীনতা আমাৰ বাবে সম্ভৱ নহয়) আৰু আধ্যাত্মিক চিন্তাৰ প্ৰতি অৱহেলা বা নিৰ্লিপ্ততা আধুনিক (তথাকথিত) যুৱ প্ৰজন্মৰ মাজত অতি তীব্ৰতাই দৰ্শনৰ প্ৰয়োজনীয়তাক অধিক অনুভূত কৰি তুলিছে। সেয়ে গ্ৰীক মনীষী প্লেটোৱে কৈছিল যে আদৰ্শ ৰাষ্ট্ৰ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে, মাৰ্ক্সে কৈছিল যে দৰ্শন নহ'লে আমি এখোজো আগবাঢ়িব নোৱাৰো। গ্ৰীক দাৰ্শনিক ত্ৰাপকিউৰাচে মত পোষণ কৰিছিল যে ল'ৰা-ছোৱালীক সৰু হৈ থাকোতেই দৰ্শনৰ শিক্ষা প্ৰদান কৰা উচিত।

বিজ্ঞানৰ ইমানবোৰ দান-বৰঙণি পোৱাৰ পিছতো আমি নিসংকোচে স্বীকাৰ কৰিবই লাগিব যে আধ্যাত্মিক চিন্তাৰ উৎকৰ্ষ সাধন আৰু আমাৰ চিন্তা শক্তিৰ উন্নতি সাধনৰ বাবে আমাক দৰ্শনৰ শিক্ষাৰ অতি প্ৰয়োজন। *****

---

# মহৎ লোকৰ বাণী

☆ প্ৰথমে নিজৰ ওপৰত বিশ্বাস ৰাখিব লাগে, তেতিয়াহে আনৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিব পাৰি।

—— স্বামী বিবেকানন্দ

☆ আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংসও কৰিব নোৱাৰো।

—— গুৰু নানক

☆ দেশৰ হকে প্ৰাণ দিয়া কিন্তু কাৰো অন্তৰত আঘাত নিদিবা।

—— মহাত্মা গান্ধী

☆ চৰিত্ৰ হ'ল জীৱনৰ কীৰিটি আৰু গৌৰৱ। ই মানুহৰ মহত্তম সম্পদ। ই নিজেই এক উচ্চ প্ৰতিষ্ঠা আৰু লোক দৃষ্টিত পৰম প্ৰশংসনীয়।

—— ছেমুৱেল স্মাইল্‌ছ

# ঐতিহাসিক পটভূমিত অন্ধ বিশ্বাস আৰু মানৱ অধিকাৰ

ধীৰাজ তালুকদাৰ
প্ৰবক্তা, বুৰঞ্জী বিভাগ
পাতিদৰং মহাবিদ্যাল

অন্ধ বিশ্বাস হ'ল এবিধ সামাজিক বিকাৰ। ধৰ্মৰ বিপৰীতে যুক্তিহীন কথাত অন্ধভাৱে পৰিচালিত যিবিলাক বিশ্বাস সেইবোৰেই অন্ধ বিশ্বাস। আত্মবিশ্বাসী লোকে নিজৰ বিবেক বুদ্ধি আৰু শক্তিৰ ওপৰত আস্থা স্থাপন কৰিব নোৱাৰে।সেয়ে ই মানুহক বহু সময়ত বিপথগামী কৰে আৰু সামাজিক প্ৰগতিত বাধাৰ সৃষ্টি কৰে। অন্ধ বিশ্বাসী মানুহে যুক্তিহীন কাম বা নিয়ম ত্যাগ নকৰাকৈ কোনো নতুন কথা বা নতুন চিন্তা মনলৈ আনিব নোৱাৰে বা আনিবলৈ ইচ্ছা নকৰে। কাৰণ নতুন নিয়মে কিবা অমঙ্গল ঘটাব বুলি মিছাকৈ ভয় কৰে। অশিক্ষিত আৰু দুখীয়া লোকৰ মাজত অন্ধ বিশ্বাসৰ প্ৰভাৱ বেছি। ৰোগ আৰু মৃত্যুৰ ভয়ে মানুহক সহজে অন্ধ বিশ্বাসৰ বলি কৰি তোলে। বৰ্তমানেও আমাৰ জন সমাজত এই অন্ধ বিশ্বাস চলি আছে যে 'মৰাশ' চাই আহি কাপোৰ-কানি তিয়াই গা ধুব লাগে নহ'লে চুৱা লাগে, কিন্তু বৈজ্ঞানিক দৃষ্টি ভংগিৰে যদি ইয়াক বিচাৰ কৰা হয় তেতিয়া আচলতে চুৱা নালাগে কাৰণ বেমাৰৰ বীজাণুৱে আক্ৰমণ কৰিব পাৰে। আমি বাস্তৱ ক্ষেত্ৰত দেখিবলৈ পোৱা কিছুমান ঘটনায়ে আমাক আকৌ অতীতলৈ ওভোটাই পঠিয়ায়। ধৰা হওঁক জাত-পাতৰ বিচাৰ, আগতে এনে কিছুমান ভুল বিশ্বাসত মানুহ বৰ্তি আছিল যে হিন্দু সম্প্ৰদায়ৰ ঘৰত যদি মুছলমান সম্প্ৰদায়ৰ লোক আহে তেতিয়া খোৱা লোৱা, বহা আসনৰ পৰা সকলোবোৰ পৃথক আছি নহ'লে জাত যায় বুলি কৈছিল। আকৌ ব্ৰাহ্মণ সম্প্ৰদায়ৰ ঘৰত যদি বৈশ্য, শূদ্ৰ মানুহ আদি যা তেতিয়া খোৱা বাচন ভালদৰে ধুই দিব লাগে এনেকুৱা ভিত্তিহীন বিশ্বাসৰ কাৰণে আমি সকলোবোৰ এক হ'ব নোৱাৰো। যাৰ ফলত হিংসা অন্যায়, অনীতি বাঢ়ি গৈছে। সমাজৰ অধঃপতন হৈছে। সৌ সিদিনালৈকে কুষ্ঠৰোগীৰ ঘৰ আঁতৰৰ বান্ধি থোৱা হৈছিল বা কাউৰী, শগুণে খাব বুলি জীয়াই জীয়াই পুতি থৈছিল। আকৌ এনেকুৱা বিশ্বাসো বৰ্তমানে চলি আছে যে ডায়েৰীয়া হোৱা ঘৰত মাত দি আহিব নাপায় কাৰণ ডায়েৰীয়া হোৱা মানে এটা ভূতে লম্ভা আৰু মাত দি আহিলে হয়তো সেই ভূতে মাত দিয়া জনকো লম্ভিব পাৰে। সমাজ বিজ্ঞানত পঢ়িছো যে মৃত স্বামীৰ জলন্ত চিতাতেই বিবাহিত মহিলাবোৰে জীৱন বিসৰ্জন দিব লাগিছিল। তদুপৰি পৰম্পৰাগত জ্ঞান আৰু বিশ্বাসৰ দ্বাৰা আজিৰ দিনত মানুহ পৰিচালিত হয়, সেয়ে হয়তো মানুহে নতুনত্বক আদৰিবলৈ টান পায়। ইতিহাসত এনে বহু দৃষ্টান্ত আছে যিবোৰে ইয়াৰ সাক্ষ্য বহন

কৰি আছে। যাৰ ফলস্বৰূপে দাৰ্শনিক ছক্ৰেটিছক বিষ পাণ কৰোৱা হৈছিল ; গেলিলিঅ'ক গীৰ্জাঘৰতে আঁঠু কাঢ়িব দিয়া হৈছিল; আৰু ধৰ্মভীৰু মানৱতাবাদী গান্ধীক ধৰ্ম পাগল অমানৱতাবাদী আৰু এজন হিন্দুৱে হত্যা কৰিছিল। সৌ সিদিনা স্বামীৰ লগত চিতাত জাপ দি মৰিল ৰাজস্থানৰ ৰূপ কনোৱাৰ সিং। ঠিক এনেকুৱা কিছুমান ঘটনা ঘটি আছে আৰু হয়তো ঘটি থাকিব যেতিয়ালৈকে ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা নাযায়। ইয়াৰ লগে লগে ধৰ্মৰ নামতো আমাৰ মানৱ সমাজত কম পৰিমাণে হ'লেও অন্ধ বিশ্বাস নিহিত হৈ থকা পৰিলক্ষিত হয়। যেনে-পূজা-পাৰ্বন আদিবোৰ এক ধৰ্মৰে সমষ্টি। শক্তি পূজা আদিবোৰৰ বলিদান প্ৰথা এক অন্ধ বিশ্বাস বুলিয়েই ক'ব পাৰি। জানিব পৰা মতে প্ৰাচীন কালত কোনো ধৰণৰ বলি দেৱীক সন্তুষ্টিৰ অৰ্থে আগবঢ়াব লাগে। সেইবোৰ বৰ্তমানৰ দৃষ্টিভংগীৰে চালে তবধ মানিব লাগে। সেই সময়ত আনকি দেৱীক সন্তুষ্ট কৰাৰ কাৰণে লোমহৰ্ষক নৰবলি প্ৰথাৰো প্ৰচলন আছিল। তদুপৰি দেৱীক সন্তুষ্ট কৰাৰ আন এক প্ৰথা আছিল স্ব-পাত্ৰ ৰুধিৰ প্ৰধান। ভক্তসকলে নিজ ইচ্ছামতে শৰীৰৰ নাভিৰ ওপৰৰ অংশৰ পৰা ৰক্ত উলিয়ায় আৰু আৰু শৰীৰৰ মাংস কাটি দেৱীৰ শ্ৰীচৰণত অৰ্পণ কৰিছিল। ঠিক তেনেদৰে শক্তি পূজাৰে অন্য এক পূজা কুমাৰী পূজাক বিশ্বাস কৰা হয় যে কুমাৰী পূজা কৰিলে সকলো দেৱ-দেৱীৰ পূজাৰ ফল লাভ হয়। আকৌ যোগিনী তন্ত্ৰৰ মতে বলিৰ তালিকা এনে ধৰণৰ যে দুহেজাৰ মানুহতকৈ এটা লোণতুণ্ড ; দুশ লোণতুণ্ডতকৈ এটা বগা ঘোঁৰা ; এশ বগা ঘোঁৰাতকৈ এটা গোধিকা ; আৰু এশ গোধিকাতকৈ এক মানৱ কুমাৰ বেছি উত্তম বুলি আগবঢ়োৱা হয়। বৰ্তমানৰ কামাখ্যা দেৱীৰ মন্দিৰতো বলিবিধান প্ৰথা প্ৰচলিত হৈ আছে। মন্দিৰৰ সাধকসকলে বাহুৰ পৰা ৰক্তদান কৰিব লাগে, তদুপৰি ডিঙি, কঁপাল, ভ্ৰূৰ মাজভাগ, কাণৰ আগভাগ, স্তনযুগল, উদৰ, ডিঙিৰ তল ভাগ নাভিৰওপৰৰ অংশৰ পৰাও দেৱীক তেজদান দিব লাগিছিল। এনেদৰে বহু ক্ষেত্ৰতেই নৰবলি প্ৰথা চলি আহিছিল আমাৰ মানৱ সমাজত। গতিকে এইবোৰ এক অন্ধ বিশ্বাস বুলি ক'ব নোৱাৰি। যাৰ ফলত মানুহে এক লোমহৰ্ষক নৰবলি প্ৰথাৰে ভগৱান বা দেৱী পূজা কৰিছিল। সেয়ে এই ক্ষেত্ৰত নদি ক'ব পৰা যায় যে বৰ্তমান সময়ত পৰম্পৰাকেই সাৰটি বহি থাকিলে মানৱ অধিকাৰ প্ৰয়োগ কৰাটো নুবুজাব।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ফল সমূহ মানুহৰ কল্যাণ বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰিব পাৰিলেও অন্ধ বিশ্বাস আঁতৰ কৰিব পৰা যাব। এনেধৰণৰ বহু ঘটনাই ঘটি থাকিব যদিহে বৰ্তমানৰ শিক্ষিত সমাজে এক নতুন প্ৰচেষ্টাৰে নিৰ্মূল কৰিব নোৱাৰে। এই অন্দ বিশ্বাসৰ দৰে সামাজিক বিকাৰ কিছুমান আঁতৰ কৰিব লাগিব আমাৰ শিক্ষিত সমাজখনে লগতে ইয়াক সহায়-সহযোগিতা আগবঢ়াব লাগিব সমাজৰ প্ৰত্যেকজন সচেতন ব্যক্তিয়ে। এইটো মানৱ সমাজৰ মাত্ৰ অধিকাৰেই নহয়, এটা কৰ্তব্যও। শিক্ষিত লোকসকলৰ জৰিয়তে সমাজৰ অশিক্ষিত লোকসকলক শিক্ষিত কৰিব লাগিব। পিছ পৰা অঞ্চল সমূহত বিদ্যালয় স্থাপন কৰিব লাগিব। তেতিয়াহে মানুহৰ মনৰ পৰা অন্ধ বিশ্বাস নামৰ বিকাৰবোৰ আঁতৰাই সুস্থ পৰিৱেশ এটাৰ সৃষ্টি কৰিব পৰা যাব। আমাৰ সমাজত এনেকুৱা বহু অভিভাৱক আছে যাৰ বাবে পৰিৱেশৰ অভাৱত ল'ৰা-ছোৱালীয়ে নিজকে বিকাশ কৰাৰ সুবিধাকণৰ পৰা বঞ্চিত হৈছে তেনেহ'লে সেইসকল ভাৱষ্যতৰ নাগৰিক উন্নতিৰ

জখলাত কেনেকৈ আগবাঢ়িব? সিহঁতবোৰে পুৰণি কু-সংস্কাৰ, অন্ধ বিশ্বাস আঁতৰাই কেনেদৰে নতুন চিন্তা কৰিব? সেয়ে আমি সকলোৰে মানৱ অধিকাৰৰ জৰিয়তে সকলোকে সমানভাৱে শিক্ষিত কৰিব লাগিব। এইদৰে প্ৰাচীন কালৰে পৰা অন্ধ বিশ্বাসবোৰ বুকুত বান্ধিয়েই বিশেষকৈ দুখীয়া পিছপৰা এচাম অশিক্ষিতই মৃদু শান্ত্বনা লভি আছে। উদাহৰণ স্বৰূপে দুৰ্গা পূজা আহিলে এচাম মানুহে আৰম্ভ কৰে খৰচৰ প্ৰতিযোগিতা আৰু এচামে এখাজ খাই উঠি দ্বিতীয় সাজলৈ চিন্তা কৰিছে। তেনেকুৱা পৰিৱেশতো দুয়ো চামেই দেৱী দুৰ্গাৰ চৰণত প্ৰণিপাত জনাই বলিদান দিয়ে। এনে সময়ত ভক্তপ্ৰাণ সকলোৰে এটাই অন্ততঃ কামনা— দেৱী দুৰ্গাৰ কৃপাতেই কিজানি ঘৰখনলৈ শান্তি ঘূৰি আহে অনাবিল প্ৰশান্তি। জাগ্ৰত হ'ব মানৱীয় প্ৰমূল্যবোধ।

এইদৰে আঁতৰিও যায় দেৱী দুৰ্গা পুনৰ এটা বছৰলৈ। সেয়েহে আহক দেৱী বিসৰ্জনৰ লগতে আমিও বিসৰ্জন দিও সমাজত চলি থকা অন্ধ বিশ্বাস, কু-সংস্কাৰ, ভ্ৰষ্টাচাৰ, দুৰ্নীতি, উচ্চ-নীচ আদি সকলো চয়তানবোৰক। মানৱতাৰ সহায়েৰে ভাতৃত্বৰ এনাজৰীৰে পুনৰ বান্ধ খাই পৰো। সংকল্প লওঁ সমাজৰ পৰা সকলো অপায়-অমংগল, অন্ধ বিশ্বাস, কু-সংস্কাৰ খেদি পঠাই অনাগত প্ৰজন্মৰ বাবে এখন সুস্থ সবল সমাজ গঢ় দিয়াৰ যাতে সমাজখনেই সম শিক্ষাৰে মানৱীয়তাৰে নিজৰ নিজৰ ক্ষেত্ৰত থকা মানৱ অধিকাৰ প্ৰয়োগ কৰিব লাগে। লগতে ইয়াৰ সৈতে জড়িত প্ৰতিটো প্ৰচেষ্টামূলক চিন্তা ধাৰাতে সমাজৰ প্ৰতিজন সচেতন ব্যক্তি মহলেও নজৰ দিয়াতো উচিত।

*****

## কৌতুক

দুজন বন্ধুৱে এদিন চাকৰিৰ ইন্টাৰভিউ দিবলৈ গ'ল। ইন্টাৰভিউ এনে ধৰণৰ—

অফিচাৰ : প্ৰথম কেণ্ডিডেট আহাচোন। (কেণ্ডিডেট সোমাই আহে)

অফিচাৰ : কোৱাচোন, ভাৰতৰ প্ৰথম মহিলা প্ৰধান মন্ত্ৰী কোন আছিল?

কেণ্ডিডেট : ইন্দিৰা গান্ধী।

অফিচাৰ : আহোম সকলে কিমান বছৰ ৰাজত্ব কৰিছিল?

কেণ্ডিডেট : ১০০ বছৰ।

অফিচাৰ : মঙ্গল গ্ৰহত পানী আছে বুলি তুমি ভাবানে?

কেণ্ডিডেট : বৈজ্ঞানীক সকলে পৰীক্ষা-নিৰীক্ষা চলাই আছে।

প্ৰথমজন ওলাই অহাত দ্বিতীয়জনে সুধিলে—তোক কি সুধিলে অ'। প্ৰথমজনে ক'লে—তই কবি প্ৰথমটো ইন্দিৰা গান্ধী, দ্বিতীয়টো এশ বছৰ আৰু তৃতীয়টো বৈজ্ঞানীক সকলে পৰীক্ষা-নিৰীক্ষা চলাই আছে।

অফিচাৰ : দ্বিতীয়জন কেণ্ডিডেট আহাচোন। (কেণ্ডিডেটজন সোমাই আহিল)

অফিচাৰ : কোৱাচোন তোমাৰ নামটো কি?

কেণ্ডিডেট : ইন্দিৰা গান্ধী।

অফিচাৰ : তোমাৰ বয়স কিমান?

কেণ্ডিডেট : ১০০ বছৰ।

অফিচাৰ : কি তুমি পাগল হৈছা নেকি?

কেণ্ডিডেট : বৈজ্ঞানিক সকলে পৰীক্ষা-নিৰীক্ষা চলাই আছে?

# লোকগীতত অসমৰ প্ৰকৃতি

দীপক কুমাৰ
স্নাতক, ২য় বৰ্ষ

লিখিত সাহিত্য সৃষ্টি হোৱাৰ আগৰে পৰা অসমীয়া ভাষা-ভাষীসকলে গীত-মাত সাধুকথা আদিৰ যোগেদি ব্যক্তিগত বা জাতীয় জীৱনৰ আনন্দ-উৎসৱ, আশা-নিৰাশা, প্ৰেম-প্ৰীতি আদিৰ ভাৱ প্ৰকাশ কৰি আহিছে।

নগৰীয়া জীৱনৰ কৃত্ৰিমতা বা সংকোচন লোক-জীৱনত নাই কাৰণেই প্ৰকৃতিৰ ৰূপ লোক সাহিত্যত ধূসৰ নহয়। বৰঞ্চ জীৱন আৰু প্ৰকৃতি ইমান অন্তৰংগ যে জীৱনৰ যি কোনো উপলব্ধিয়ে প্ৰকৃতিৰ মাজতহে প্ৰকাশ বিচাৰি পায়। 'লাক-গীত' ক যদি আমি চকু ফুৰাই চাওঁ তেন্তে আমি দেখিম যে ই সাধাৰণতে লোক সাহিত্যৰ এটা প্ৰধান অংগ। পটভূমিলৈ, বাতাৱৰণলৈ, ভাৱাত্মক ব্যঞ্জনাৰ সম্ভাৰলৈ লো-জীৱনৰ প্ৰতিটো মূহুৰ্ততে প্ৰকৃতি বিদ্যমান। সহজ অৰ্থত লোক-জীৱনৰ কাৰণে প্ৰকৃতিয়েই জীৱন।

মানুহ প্ৰকৃতি মাতৃৰ সন্তান। একোটা জাতিৰ সাহিত্য-সংস্কৃতি, ধ্যান-ধাৰণা, ধৰ্ম-কৰ্ম, দৰ্শনে গঢ় লয় অজানিতেই সেই ঠাইৰ ভৌগোলিক পটভূমিৰ দ্বাৰা। প্ৰাচীন ধৰ্ম আৰু সাহিত্য সৃষ্টিত যিদৰে বিস্ময়-বিজড়িত হিমালয়, বিন্ধ্যাচলৰ সুউচ্চ শিখৰে ভাৰতৰ প্ৰকৃতিৰ ৰমণীয় শোভাই প্ৰেৰণা যোগাইছিল ঠিক সেইদৰে অসমৰ চিৰী লুইত, চটাই পৰ্বেবত, চকু জুৰোৱা ধাননী পথাৰ, অজস্ৰ নৈ, জান-জুৰি, ছয় ঋতুৰ সাতোবৰণীয়া সৌন্দৰ্য, ৰূপালী বালি, সোণালী সৰিয়হ ফুল, বিভিন্ন পখীৰ গীত অপৰূপ ৰং প্ৰতিভাৰে ভৰা ফুলাম শ্যামল প্ৰকৃতিৰ শোভাই অসমীয়া জীৱনক সৃষ্টিৰ প্ৰেৰণা কেনেকৈ যোগাই আহিছে সেই ইতিহাস ৰং আৰু সুৰভিৰে ভৰা। অসমীয়া ধ্বন্যাত্মক বহুতো শব্দও সৃষ্টি প্ৰকৃতিৰ অনুকৰণতে।

অসমীয়া লোকগীতবোৰ স্বৰূপাৰ্থত অসমৰ মানুহৰ মনৰ আৰু অসমৰ প্ৰকৃতিৰ প্ৰতিচ্ছৱি, আনহাতেদি কেৱল মমতাময়ী প্ৰকৃতিৰ বৰ্ণনা বুলিলেই লোকগীতসমূহ ৰমণীয় নহয়, প্ৰকৃতিৰ ৰূপ হৃদয়েৰে আহৰণ কৰা কাৰণে এই গীতবোৰত নিয়ৰস্নাত কুসুমৰ দৰে সৰ্ব কালৰ সজীৱতা আছে। সেউজীয়া আৰু সোণালী পথাৰৰ দিগন্ত বিয়পা বিস্তৃতি, গৰু-ম'হ চৰোৱা উদং চাপৰি প্ৰাণতকৈও আপোন লুইত আৰু জীৱন লগৰী নৈবোৰ, মনোৰম চকুৰে মনা-নমনা পাহাৰবোৰ, চৰাইবোৰ আৰু বিভিন্ন ঋতুৰ শোভা এনেবোৰ গীতত মূৰ্ত হৈ উঠা দেখা যায়। এই আটাইবোৰ অসমীয়া জীৱনৰ প্ৰকৃত স্বৰূপ প্ৰতিচ্ছবিত হোৱা বিহুনাম, বিয়ানাম, বাৰমাহী গীতবোৰ ফহিয়াই চালে সেইবোৰত অসমৰ লেণ্ডস্কেপৰ অপূৰ্ব ছবি প্ৰথমেই জ্যোতিষ্মান হৈ উঠে।

পথাৰৰ শোভা, লুইতৰ চাপৰি, নৈ আৰু লুইত, পৰ্বত-পাহাৰ, চৰাই-চিৰিকটি, ফুল, গছ-লতা, জোন-বেলিৰ চিকমিকিয়া ৰং আটাইবিলাক অসমৰ লোকগীতত বিৰাজমান। প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে অসমীয়া নাৰীৰ ফুলৰ প্ৰতি থকা প্ৰীতি চিত্তাকৰ্ষক। উজনি-নামনি দুই অঞ্চলত চলা বিয়া

নামৰ উপৰিও হুঁচৰি গীততো ফুল ফুলি উঠাৰ সুক্ষ্ম আৰু আশ্চৰ্য সুন্দৰ প্ৰকাশো আছে ——

কৃষ্ণাইৰ মূৰৰে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল। (হুঁচৰিগীত)

জাপানী হাইকু কবিতাৰ দৰে এক অপূৰ্ব ব্যঞ্জনা বিয়ানামত ধৰা পৰিছে এনেকৈ ——

বাহৰে আগতে জোনে চিকেমিকায়
মই বোলো কিবা ফুল ফুলে। (বিয়ানাম)

অসমৰ প্ৰকৃতিৰ অনুপম ছবি ৰূপায়িত কৰা এই গীতবোৰক প্ৰকৃতি বা ঋতুৰ পোনপটিয়া বন্দনা বুলিব নোৱাৰি। প্ৰাকৃতিক জীৱনৰ শিশুসুলভ সৰলতাই প্ৰকৃতিক মানৱীকৰণ কৰি প্ৰকৃতিৰ লগত কি নিবিড় সম্বন্ধ গঢ়ি তুলিছিল তাৰ উল্লেখ বৰ মোহনীয় ——

ক) ৰ'দালি এ ৰ'দ দে ।
খ) জোনবাই এ বেজি এটি দিয়া ।
গ) অ' ফুল অ' ফুল নুফুল কিয়,
গৰুৱে যে আগ খায়
মই ফুলিম কিয়?

অসমৰ লোকগীতত অসমৰ বনৰীয়া গোণা ম'হ, বান্দৰ, কেৰ্কেটুৱা, পহু, ছাগলী, বৰল, বাদুলি, ভোমোৰা, উইচিৰিঙিয়া, পানী-মড়লি, ঢোৰা, কাৰ্শলা, ভেটিগোম আদি সাপৰ উল্লেখ বিভিন্ন কৰ্মৰ লগত সাঙোৰ খাই আছে।

ক) আমনি ধানকে দাবলৈ গৈছিলো
বাউলী বতাহে পালে
কাচি দলি মাৰি হাবিতে সোমালো
ওঁঠতে বৰলে খালে। (বিহুনাম)

ইয়াৰ উপৰিও পকা ধানৰ সোণালী বৰণ, চৰাই-চিৰিকটিৰ ৰূপ-ৰং, প্ৰকৃতিৰ সূক্ষ্ম ধ্বনি অসমীয়া লোকগীতত দেখা যায়।

**উদ্দীপনাৰ প্ৰকৃতি ঃ** অসমৰ প্ৰকৃতিৰ জীৱন্ত শোভাই, প্ৰকৃতিৰ প্ৰাণময়তাই নাহৰফুল, কেতেকী ফুলৰ সুবাস হৈ, নিজান বনৰ কপৌৰ কুৰুলি হৈ, কুলিৰ কাকলি হৈ, গুৰু-গুৰু বাৰিষা মেঘৰ ধ্বনি হৈ শৰতৰ আকাশেদি উৰি যোৱা বগলী, ৰাজহাঁহৰ লানি হৈ, বিৰহৰ, যুগ্ম বাসনাৰ প্ৰাণ উন্মাদ কৰা ঋতু আহে বসন্তৰ, নাহৰ ফুলৰ সুবাস বিয়পি যায় ——

ক) আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ,
নাহৰৰ গোন্ধ পাই লাহৰীৰ ততে নাই
গছ কত ভাঙি যায় যঁতৰ। (বিহুনাম)

প্ৰতি ঋতুৰ লগত মানৱ অন্তৰৰ কি নিবিড় সংযোগ আছে, প্ৰতিটো ঋতুৱেই মানহৰ প্ৰাণত কি আশ্চৰ্য প্ৰতিক্ৰিয়া কৰে তাৰ অপূৰ্ব বৰ্ণনা আছে কামৰূপ আৰু গোৱালপাৰা অঞ্চলৰ প্ৰচলিত 'বাৰমাহী' বা 'বাৰমাসী' গীতবোৰত। কন্যা বাৰমাহীত বেদনাৰ চকুলোৰ লগতে ছদ্মবেশী চতুৰ স্বামীয়ে প্ৰতীক্ষা ক্লান্ত পৰীক্ষা কৰি চোৱাৰ মধুৰ বৰ্ণনাত আছে প্ৰকৃতিয়ে মন উদ্দীপিত কৰাৰে ছবি ——

ফাগুণৰ মাসতে কন্যা বসন্তৰে কাল
জাই, যুতি ফুলে ফুলে, বেলি তৰুৱাল।
চৈতৰ মাসতে কন্যা চতুৰ্দিশে মন
বিলাওৰে বিলাওৰে কন্যা নবীন যৌৱন।

**প্ৰতীকত প্ৰকৃতি ঃ** অসমৰ প্ৰকৃতিক প্ৰতিকী ৰূপত দেখাৰ অপৰূপ উদাহৰণ হ'ল ফুলকোঁৱৰ মালিতাটি। অলৌকিক 'ফুলকোঁৱৰ' যেন অসমৰ ঋতুৰাজ বসন্তৰ মূৰ্ত প্ৰতীক ——

মালিনীৰ বাৰীতে পৰি ফুলকোঁৱৰে
চৌপাশে মাৰিলে দলি,
সেউতী মালতী তগৰ গুটিমালী
সবেও পেলালে কলি।

উপমাৰে বুজাব নোৱাৰা, স্পৰ্শ কৰিব নোৱাৰা সৌন্দৰ্য কি ইঙ্গিতময় প্ৰকাশ! সেইদৰে দিনত কাৰোবাক দেখা ৰূপ মনৰ পানীত জিলিকি বৈ যায়।

**প্ৰকৃতিৰ লগত একাত্মক ঃ** অসমৰ লোকগীতত আপোন প্ৰকৃতিৰ লগত তদাত্ম স্থাপন কৰাৰ উদাহৰণ বৰ মনোৰম ——

কেলেই ফুলিলি ৰূপহী মদাৰ ঐ
কেলেই পেলালি কলি
গুৰুতো নেলাগে ভকতক নেলাগে
থাক তলে ভৰি সৰি। (বিহুনাম)

তেজীমলা ফুললৈ ৰূপান্তৰিত হোৱাৰ সাধুকথা অসমৰ লোক কল্পনাৰেই। এইখিনিতে উৰ্বশীয়ে লতালৈ ৰূপ সলোৱা, লাঞ্চিতা সীতাই বসুমতীৰ বুকুত আশ্ৰয় লোৱা কথালৈও মনত পৰে। পগলা পাৰ্বতীৰ গীততো পাৰ্বতীক সদাশিৱই বন্দী কৰাৰ বিভিন্ন কৌশলৰ পৰা পলাবৰ কাৰণে প্ৰকৃতিৰ বিভিন্ন ৰূপ পাৰ্বতীয়ে গ্ৰহণ কৰিব খুজিছে। অসমৰ ধৰ্মীয় বিশ্বাস বা 'মিথে' প্ৰকৃতিৰ লগত কেনেকৈ তদাত্ম স্থাপন কৰিছে তাৰ উদাহৰণো লোকগীতত আছে ——

ক) আইৰ নাম মৰোঁৱা জোনাকী পৰুৱা
আহে জোৰে ধৰি ৰাতি (আইনাম)

**উপমাত প্ৰকৃতি ঃ** মানৱীয় সৌন্দৰ্যৰ উপমা ৰূপে ফুল, চৰাই, জোন, তৰা, বিজুলী, মেঘ, মাছ, হৰিণা, হাতী, মৌ, সুমথিৰা টেঙা, সৰিয়হ, থুৰি কল্পতাত, ডালিম, তিয়ঁহ, কাকিনী তামোল, কল আদি অসমৰ প্ৰকৃতিৰ বিবিধ বস্তুৰ ব্যৱহাৰ লোকগীতত অসীম ——

ক) হাতো পদুমী ভৰিও পদুমী
বুকুতো পদুমৰ কলি
আঁচুৱালী ৰিহাৰে তুমি কি ঢাকিবা
আপুনি উঠিব ফুলি। (বিহুনাম)

খ) অ' মন জালুক
দৰাৰ ভিনিয়েক অৰণ্যৰ ভালুক।
(বিয়ানাম)

অসমীয়া ঘৰুৱা জীৱনতো কথা-বতৰাৰ প্ৰসঙ্গত উপমা যোজনা দিওতে অসমৰ প্ৰকৃতিৰ ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। প্ৰতিটো চিত্ৰ আহৰিত হৈছে এই প্ৰকৃতিৰ পৰা। উদাহৰণ স্বৰূপে ভমকাফুলীয়া বৰষুণ, পকা থেকেৰা যেন বৰণ, কচুপাতৰ পানী (ক্ষণস্থায়ী অৰ্থত), কুকুৰ খুজীয়া (খৰকৈ খোৱা), সাত ঘাটৰ চেঙেলী (সিয়ান অৰ্থত), কণী বিহৰ গুটি, পাভ যোৰা, ধেনা তামোল (স্বাস্থ্যহীন অৰ্থত), একে গছৰ পাণ, অধিক মাছত বগলী কণা (নিৰ্বাচন কৰিব নোৱাৰা অৰ্থত) আদি অজস্ৰ অসমীয়া খণ্ড বাক্য, উপমা, যোজনাত অসমৰ প্ৰকৃতিৰ সূক্ষ্ম প্ৰকাশ মনোৰম হৈ আছে।

*****

# অনুভূতি

দাউদ আহমেদ
স্নাতক, ৩য় বৰ্ষ

প্ৰেম এক বিচিত্ৰ অনুভূতি। অনুভূতিৰ অন্য নাম প্ৰেম। প্ৰেমত কোনোৱে পৰো বুলি পৰিব নোৱাৰে, ক'ব নোৱাৰাকৈ চকুৰ মাজত কাৰোবাক বন্দী কৰি অজানিতে আলফুলে সজাই থয় হৃদয়ৰ নিভৃত কোণত। প্ৰেম মাথো অনুভৱৰ বিষয়। প্ৰেমে জীয়াই থকাৰ প্ৰেৰণা যোগাব পাৰে। প্ৰেমে আনি দিব পাৰে অনাবিল সুখ, অদম্য সাহস, সততা, কোমল হৃদয়ানুভূতি, দয়া, সহিষ্ণুতা, স্বকীয়তা, উৎসাহ-উদ্দীপনাৰ সমাহাৰ। মন মন্দিৰত ঢালিব পাৰে অমৃত। জীৱনত প্ৰতিটো পলেই ভৰি পৰে ৰজনী গন্ধাৰ সুবাসেৰে। যৌৱনৰ কাঁচিয়লিত সকলোৰে বুকুৰ গোপন বাগিচাত পাহ-পাহকৈ ফুলিবলৈ আৰম্ভ কৰে প্ৰেমৰ ফুল। কোনোৱে আকৌ নিঃসঙ্গতাৰ আৱেষ্টনীত বন্দী হৈ সপ্তৰঙী স্বপ্ন ৰচিছে। প্ৰেম মনোজগতৰ অদ্ভুত অনুভূতি। প্ৰেমক আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো। প্ৰেমে মানুহৰ জীৱনত এবাৰ হ'লেও ভূমুকি মাৰিবই। প্ৰেম আপোনা-আপুনি জাগ্ৰত হয়। প্ৰেমৰ বিশ্বজনীন সত্তা বিচাৰি চণ্ডী দাস, ডান্টে, বুৰঞ্জী বিখ্যাত ছাহজাহান আদিৰ কথা উল্লেখ কৰিব পাৰি। প্ৰেমৰ উন্মাদনাত কবি চণ্ডী দাসে প্ৰেমক জীৱনৰ 'সৰ্ব্বোচ্চ' বুলি জ্ঞান কৰিছে। প্ৰেম সত্য, শিৱ আৰু সুন্দৰ। প্ৰেমেই গতি আৰু প্ৰগতি, প্ৰেম চিৰ শ্বাশ্বত, অবিনশ্বৰ প্ৰেম এক মহাজাগতিক শক্তি। একমাত্ৰ প্ৰেমে দিব পাৰে আমাক পাৰ্থিব জগতৰ নশ্বৰতাৰ পৰা মুক্তি। প্ৰেমেই যেন দুদিনীয়া জীৱনলৈ অমৰত্ব কঢ়িয়াই আনে।

প্ৰেমিকাক 'বেদমাতা গায়ত্ৰী' মন্ত্ৰত উচ্চ আসন দি প্ৰেমিকাকেই উপাসনাৰ ৰস বুলি বৰ্ণনা কৰিছে। বিয়েট্ৰিছক হেৰুৱাই ডান্টেই 'ডিভাইন কমেডী'ৰ দৰে বিখ্যাৎ গ্ৰন্থ লিখিলে। সেইদৰে ছাহজাহানেও নিজৰ প্ৰেমিকাৰ স্মৃতিত পৃথিৱী বিখ্যাৎ 'তাজমহল' নিৰ্মাণ কৰাই প্ৰেমৰ পতাকা উৰুৱাই গ'ল। শিল্পী মাইকেল এঞ্জেলোৱে কৈছিল— "প্ৰেম মোৰ জীৱনৰ পাথেয়। সেইবাবে এতিয়া মোৰ আত্মাভিমান অতি উচ্চ। মই যেন এতিয়া এটুকুৰা খহটা পাথৰ, কিন্তু মোৰ গাত এটুকুৰা জিলমিলিয়া বাখৰ চিকুণকৈ বন্ধাই দিয়া হৈছে।"

প্ৰেম এক সুমধুৰ সেউজীয়া যন্ত্ৰণা যি হৃদয়ৰ কোঠাই কোঠাই বিয়পি থাকে, অথচ কবিতা বা সংগীতৰ সুৰেৰে প্ৰকাশ কৰিবলৈও কেতিয়াবা ভাষা নাথাকে। মানুহ মাত্ৰেই আৱেগ অনুভূতি থকালৈকে জীৱনটোত প্ৰেম আহিব বাৰিষাৰ দৰে। প্ৰকৃততে ভাগ্যবান জনেহে প্ৰেমৰ সোৱাদ লাভ কৰে। এফাঁকি ডাকৰ বচন আছে— চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়। অৰ্থাৎ অনুভূতিবোৰ লুপ্ত হয় সঁচাকৈ। কিছুমান ক্ষেত্ৰত এনে হোৱা দেখা যায়। প্ৰিয়জন যদি কিবা কাৰণত চকুৰ আঁতৰত থাকিব লগা হয় তেতিয়া প্ৰিয়জনৰো আদান-প্ৰদান কমি আহে আৰু এটা সময়ত প্ৰেমৰ অনুভূতিবোৰ সম্পূৰ্ণৰূপে নোহোৱা হয়।

প্ৰেমৰ সম্বন্ধে বিশিষ্ট কথাশিল্পী চৈয়দ আব্দুল মালিকে কৈছিল, নাৰীৰ প্ৰতি পুৰুষৰ বা পুৰুষৰ প্ৰতি নাৰীৰ অকৃত্ৰিম, স্বাভাৱিক আৰু স্বাৰ্থহীন মানৱীয় আকৰ্ষণে যেতিয়া ব্যভিচাৰ, কামনা, যৌন বাসনা আদিক প্ৰশ্ৰয় নিদিয়াকৈ আন্তৰিকতা বিমল অনুভূতি জীৱনৰ এক মহান প্ৰকাশ বুলি গ্ৰহণ কৰে, তেতিয়া প্ৰেমে মৰ্যাদাৰ আনন্দ কঢ়িয়াই আনে। শ্ৰদ্ধামিশ্ৰিত আৱেগৰ মাধুৰ্য থকা স্বাৰ্থহীন প্ৰেমক আমি উচ্চ স্থান দিব পাৰো। বাহ্যিক দৃষ্টিৰে মন উতলা কৰা উশৃংখলতা কেতিয়াও প্ৰেমৰ প্ৰকৃত সংজ্ঞা হ'ব নোৱাৰে। বৰ্তমানৰ স্বাৰ্থপৰ সমাজত প্ৰেম হৈ পৰিছে টকাৰ জোখ-মাখ। আচলতে প্ৰকৃত প্ৰেম কেতিয়াও দেহৰ সৌন্দৰ্য, ৰূপ-লাৱণ্য, ধন-সম্পত্তিৰ বিচাৰৰ ওপৰত নিৰ্ভৰশীল নহয়। প্ৰকৃত প্ৰেম কেতিয়াও ব্যক্তিকেন্দ্ৰিক লাভ-লোকচান, জয়-পৰাজয়ৰ নিৰ্ভৰশীল নহয়। কাৰোবাক যদি কেতিয়াবা আপোন কৰি ল'ব লগীয়া হয়, তেনেহ'লে আপোন কৰি ল'ব হৃদয়ৰ সম্বন্ধেৰে, অৰ্থৰ ঢাক-ঢোলেৰে নহয়। আহক, আমি সকলোৱে প্ৰেমক ঈশ্বৰৰ দান বুলি ভাবি উচ্চ আসনত স্থান দিওঁ।

*****

# মহৎ লোকৰ বাণী

☆ তুমি সাহসী হোৱা কাৰোবাক হত্যা কৰিবলৈ নহয়, তুমি ঘৃণা কৰাজনক প্ৰেমেৰে আকোঁৱালি লবলৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে, বৰং ই আমাক ভগৱানৰ সৈতে সাঙোৰেহে।

—— মাদাৰ টেৰেছা

☆ মই ভাগ্যক খুব বিশ্বাস কৰো— আজিও তাৰ পৰা মই এই কথাত দেখিছো যে মই যিমানেই কঠোৰ পৰিশ্ৰম কৰো সিমানেই ভাগ্য মোৰ প্ৰতি প্ৰসন্ন হয়।

—— ষ্টিফেন লিকক

☆ এটি আদৰ্শ লোৱা, ইয়াকে জীৱন সংগী কৰা, ইয়াতে সপোন দেখা, ইয়াতে জীয়াই থকা আৰু ইয়াতেই সন্তুষ্টি লাভ কৰা, এয়াই কৃতকাৰ্যতাৰ একমাত্ৰ পথ।

—— স্বামী বিবেকানন্দ

☆ তুমি নোপোৱা বস্তুৰ বাবে অসন্তোষ নকৰিবা আৰু যি পাইছা তাতো অহংকাৰ নকৰিবা।

—— কোৰাণ শ্বৰীফ

☆ সন্মান হ'ল এডাল জুই শলাৰ কাঠীৰ নিচিনা। ইয়াক তুমি মাত্ৰ এবাৰেই ব্যৱহাৰ কৰিব পাৰা।

—— মাৰ্চেল পানল

# পৃথিৱীৰ বাবে শেষ দিন হ'ব নেকি ২১-১২-২০১২

জ্যোতিষ ডেকা
স্নাতক, ২য় বৰ্ষ

ধ্বংস হ'ব নেকি বিনন্দীয়া পৃথিৱীখন? শেষ হৈ যাব নেকি পৃথিৱীখনৰ জীৱকুল? বৰ্তমান সময়ত এই প্ৰশ্নটোৱে বিজ্ঞানীসকলৰ লগতে পৃথিৱীবাসীৰ বাবেও এটা ডাঙৰ সাঁথৰ হৈ পৰিছে।

সূৰ্য নামৰ নক্ষত্ৰটোৰ চাৰিওফালে ঘূৰি ফুৰা গ্ৰহকেইটাৰ তৃতীয়টো নীল বৰণীয়া গ্ৰহ আমাৰ বাসস্থান পৃথিৱী নামৰ গ্ৰহটোৰ বাবে ২০১২ চনৰ ২১ ডিচেম্বৰটোৱে শেষ দিন হ'ব নেকি?

সৌৰজগতৰ মূল চালিকা শক্তি সূৰ্যটো আচলতে জলন্ত হাইড্ৰ'জেন আৰু হিলিয়ামৰ অগ্নিপিণ্ড। সূৰ্যৰ ভিতৰত অনবৰতে (প্ৰতি ছেকেণ্ড হিচাপত) ৬০ কোটি টন হাইড্ৰ'জেন পাৰমানৱিক সংযোজন বিক্ৰিয়াৰ ফলত ৫৯৬ টন হিলিয়ামলৈ পৰিৱৰ্তিত হৈ প্ৰচণ্ড শক্তি উৎপন্ন হয়। সেই পাৰমাণৱিক বিক্ৰিয়াই সূৰ্যৰ মূল শক্তি। ইয়াৰ ফলত উৎপন্ন হোৱা তাপ আৰু পোহৰ সূৰ্যই বিকিৰণ কৰে। জগতৰ আত্মা অৰ্থাৎ সূৰ্যটোত থকা হাইড্ৰ'জেনখিনি যদি ছেকেণ্ডত ৬০ কোটি টন হিচাপে খৰচ হয় তেন্তে ই শেষ হৈ যাব। বিজ্ঞানীসকলে নিৰ্ধাৰণ কৰা অনুসৰি সূৰ্যৰ বয়স ১০০০ কোটি বছৰ। সেই হিচাপত ই আৰু ৫০০ কোটি বছৰ জীয়াই থাকিব। সূৰ্যৰ আভ্যন্তৰত হাইড্ৰ'জেন বিক্ৰিয়াৰ ফলত ইয়াৰ ভিতৰ ভাগত হিলিয়ামৰ পৰিমাণ বৃদ্ধি পাইছে। এনেদৰে বৰ্ধিত হিলিয়ামৰ সূৰ্যৰ আয়তন বৃদ্ধি পায় আৰু উত্তাপ কমি আহিব ফলত সূৰ্যৰ আয়তনে শুক্ৰ গ্ৰহৰ কক্ষপথ চুবহি আৰু উত্তাপ পোহৰ অবিহনে পৃথিৱীখনো অসাৰ হৈ পৰিব। তেনেদৰেই হয়তো ৫০০ কোটি বছৰ পিছত পৃথিৱীখনৰ লগতে সৌৰজগতখনো শেষ হৈ যাব।

মোৰ এই প্ৰবন্ধটোৰ উদ্দেশ্য ২০১২ চনৰ ২১ ডিচেম্বৰৰ পৃথিৱী ধ্বংসৰ কাৰণ অন্যহে।

কিছুমানৰ মতে পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ জীৱ মানুহৰ অত্যাচাৰৰ ফলত পৃথিৱীৰ গোলকীয় উষ্ণতা বৃদ্ধি পাইছে ইয়াৰ ফলত পৃথিৱীৰ মেৰু অঞ্চলত বৰফ গলিছে। ইয়াৰ ফলত সাগৰ পৃষ্ঠৰ উষ্ণতা বৃদ্ধি পাইছে আৰু লাহে লাহে উপকুলীয় অঞ্চল বিলাক সাগৰত বিলীন হ'ব আৰু এনেদৰে উত্তাপ বৃদ্ধি হৈ থাকিলে বৰফ গলি গলি গোটেই ভূ-খণ্ডকে তল পেলাই দিব। ফলত পৃথিৱীত বসবাসৰ ঠাই নোপোৱা হ'ব।

কিছুমান বিজ্ঞানীৰ মতে সূৰ্যৰ ভিতৰত ঘটা হাইড্ৰ'জেন বিক্ৰিয়াৰ ফলত পোহৰৰ গতিবেগৰ সমান বেগী নিউট্ৰিন নামৰ কণা এবিধ উৎপন্ন হয়। যিকোনো বস্তুৰ মাজেদি পাৰ হৈ আহিব পৰা এই কণাবিধৰ পৃথিৱীত আঘাত কৰাৰ ফলত পৃথিৱীৰ ভিতৰ ভাগ অধিক উত্তপ্ত হৈ পৰিব। ইয়াৰ ফলত পৃথিৱীৰ ভূ-ভাগত ভূ-স্খলন ঘটিব, য'তে ত'তে আগ্নেয়গিৰিৰ উদ্গীৰণ হ'ব যাৰ ফলত পৃথিৱীখন বসবাসৰ অনুপযোগী হৈ পৰিব। আমি দেখা পোৱা পোহৰ সূৰ্যৰ কেন্দ্ৰত ১ কোটি বছৰ আগতে সৃষ্টি

হৈছিল। অৰ্থাৎ সূৰ্যৰ কেন্দ্ৰৰ পৰা পোহৰ ওলাই আহি উপৰিভাগ পাওঁতে ১ কোটি বছৰমান সময় লাগে। কিন্তু নিউট্ৰিন কণাবোৰ সূৰ্যৰ কেন্দ্ৰৰ পৰা পৃথিৱী পাওতে মাত্ৰ ২ ছেকেণ্ড সময় লাগে। ইয়াৰ গতিবেগ যিমান ই সিমানে ক্ষতিকাৰক। বিজ্ঞানীসকলৰ অনুমান অনুসৰি নিউট্ৰ'নৰ বিকিৰণৰ পৰিমাণ ২০১২ চনত বেছি হয়।

পৃথিৱীখন কিহৰ বাবে ২০১২ চনৰ ২১ ডিচেম্বৰত ধ্বংস হয় সেইটো বিষয়ত সকলো বিজ্ঞানীৰে মতামত বেলেগ বেলেগ। মতামত বেলেগ বেলেগ হ'লেও সকলোৰে দিন এটাই কয় ২০১২ চনৰ ২১ ডিচেম্বৰ।

২০১২-১২-২১ দিনটো শেষ দিন পৃথিৱীৰ বাবে। এইটো বিষয়ত অইন কিছুমান বিজ্ঞানীৰ মতে বিশ্ব ব্ৰহ্মাণ্ডৰ কোনো এটা অংশৰ পৰা পাথৰ সদৃশ এটুকুৰা বস্তু (আকাৰত পৃথিৱীতকৈও ডাঙৰ) পৃথিৱীৰ ফালে আহি আছে। পৃথিৱীৰ কক্ষপথৰ পোনে পোনে আহি থকা বস্তুটোৱে যদি পৃথিৱীক খুন্দা মাৰে তেন্তে পৃথিৱীখন ধ্বংস হৈ যাব। বিজ্ঞানীসকলে ধাৰণা কৰা অনুসৰি বস্তুটো কক্ষপথ স্পৰ্শ কৰাৰ সময়ত পৃথিৱীখনো সেইখিনি পাব আৰু বস্তুটোৰ খুন্দাৰ ফলত পৃথিৱীখন টুকুৰা-টুকুৰ হৈ যাব। বিজ্ঞানী সকলৰ দৃঢ় ধাৰণা বস্তুটো ২০১২-১২-২১ তাৰিখে আহি পৃথিৱীৰ কক্ষপথ পাব আৰু পৃথিৱীখনো সেই সময়ত সেই ঠাইতে উপস্থিত হ'ব। সেয়ে সেইদিনাই হয়তো পৃথিৱীবাসীৰ বাবে শেষ দিন হ'ব।

সকলোৱে কিয় ২১-১২-২০১২ এই দিনটোৱে শেষ দিন বুলি ভাবে? ইয়াৰ কাৰণ ইয়াৰ উৎস এটাই প্ৰাচীন মেছ' মেৰিকান সভ্যতাৰ দিন পঞ্জীখন। এই দিনপঞ্জীখনত শেষ দিন ২০১২ চনৰ ২১ ডিচেম্বৰ। ৫১২৫ বছৰৰ দিনাংক থকা এইখন দিনপঞ্জীৰ শেষ দিন কিয়নো ২১ ডিচেম্বৰ? ৫১২৫ দিন থকা দিনপঞ্জীখন কিয় ২০১২ চনৰ ২১ ডিচেম্বৰৰ পৰা আগুওৱা নাই? ইমান দীঘলীয়া দিনপঞ্জীখনৰ শেষ দিনটো সেয়ে সকলোৱে শেষ দিন বুলি ভাৱে।

এইটো বিষয়ত কিছু সত্যতা আছে নহ'লেনো সকলোৰে মতামতৰ মিল নাথাকিলহেতেন। এই বিষয়ত কিছু মিল থকা আন এটা বিষয় হিন্দু দৰ্শন। হিন্দু দৰ্শন মতে পৃথিৱী কেতিয়াও ধ্বংস নহয়। ইয়াত থকা জীৱ-জন্তুবোৰ ৪.১ বিলিয়ন বছৰৰ পৰা ৮.২ বিলিয়ন বছৰৰ অন্তৰে অন্তৰে জীৱৰ সৃষ্টি বিনাশ হয়। পৃথিৱীত যেনেদৰে ছটা ঋতু — গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্তৰ মাজেৰে পৃথিৱীৰ ৰূপ সলনি হৈ থাকে তেনেদৰে হিন্দু শাস্ত্ৰৰ মতে চাৰিটা যুগ— সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি এই চাৰিটা যুগৰ মাজেৰে পৃথিৱীৰ পুৰণি ৰূপ সলাই নতুন ৰূপ হয়। ছটা ঋতুত এবছৰ শেষ হোৱাৰ দৰে চাৰিটা যুগত এটা কাল শেষ হয়। এটা কাল শেষ হ'লে এটা সৃষ্টি ধ্বংস হয় আৰু পুনৰ নতুন জীৱৰ সৃষ্টি হয়। হিন্দু শাস্ত্ৰ মতে বিষ্ণুৰ দশম অৱতাৰ— মৎস, কুৰ্ম, নৰসিংহ, বামণ, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম, বুদ্ধ আৰু কল্কি। এই অৱতাৰ কেইটাৰ শেষৰটো অৱতাৰ কল্কিৰ অৱতাৰ হয় কলি যুগত আৰু কল্কিৰ অৱতাৰৰ লগে লগে পৃথিৱীৰ পৰা সকলো অশুভ শক্তিক বিনাশ কৰি নতুনকৈ সত্য যুগৰ সূচনা কৰিব। হিন্দু শাস্ত্ৰত উল্লেখ থকা অনুসৰি ইতিমধ্যে পৃথিৱীত চতুৰ্থটো যুগ কলি আৰম্ভ হৈছে আৰু বিষ্ণুৰো ন-টা অৱতাৰ সম্পন্ন হৈছে। বাকী আছে শেষৰটো অৱতাৰ কল্কি। যদি এইটো সঁচা হয় তেন্তে কল্কিৰ অৱতাৰ

২০১২ চনত হ'ব নেকি? সঁচানে হিন্দু শাস্ত্ৰৰ 'গীতা' নামৰ পৌৰাণিক ধৰ্ম গ্ৰন্থখনৰ কথা? যদি সঁচা হয় তেন্তে ২০১২ চনৰ ২১ ডিচেম্বৰত কল্কিৰ অৱতাৰ হ'ব নেকি? এই প্ৰশ্নটোৱে হয়তো ধৰ্মত বিশ্বাসী মানুহক চিন্তিত কৰিছে।

এই ক্ষেত্ৰত খ্ৰীষ্টান ধৰ্মৰ ধৰ্মগ্ৰন্থ বাইবেলতো পৃথিৱী ধ্বংসৰ ক্ষেত্ৰত থকা কথা হিন্দু ধৰ্ম গ্ৰন্থৰ লগত সাদৃশ্য আছে। বাইবেলত উল্লেখ আছে যে পৃথিৱীত যেতিয়া অধৰ্মই চানি ধৰিব তেতিয়া পৃথিৱী তল যোৱাকৈ বানপানী হ'ব আৰু সেই বানপানীত পৃথিৱীৰ সকলো জীৱ ধ্বংস হ'ব। বাকী থাকিব খোৱা নামৰ এজন মাছমৰীয়া। ভগৱান যীশুৱে সপোনত খোৱাৰ নাওখনত পৃথিৱীৰ সকলো জীৱ ৰাখিবলৈ নিৰ্দেশ দিব আৰু যীশুৱে পৃথিৱীখনত থকা জীৱসমূহক ধ্বংস কৰি খোৱাৰ পৰাই নতুন যুগৰ আৰম্ভ কৰিব।

এইটো কথা অসম্ভৱ যেন লাগিলেও কিছু ক্ষেত্ৰত হিন্দু শাস্ত্ৰৰ কথাৰ লগত সাদৃশ্য আছে। অইন কিছুমানৰ মতে এইবিলাক কাৰণত নহয় গোলকীয় উষ্ণতাৰ ফলতহে পৃথিৱীখন ধ্বংস হ'ব।

সকলোৰে কথাৰ পৰাই দেখা যায় যে পৃথিৱীখনৰ অন্তিম দিন যেন সমাগত। সঁচাই ধ্বংস হ'বনে পৃথিৱীখন? শেষ হৈ যাব নেকি বিনন্দীয়া পৃথিৱীখন? সঁচানে ধৰ্মীয় শাস্ত্ৰৰ কথা? সঁচানে সচেতন নাগৰিকৰ কথা? সঁচানে বিজ্ঞানী সকলৰ মতামত? আহক, আমি সকলোৰে সঁচানে মিছা প্ৰমাণ কৰিবলৈ অপেক্ষা কৰো ২০১২ চনৰ ২১ ডিচেম্বৰৰ সেই দিনটোলৈ। *****

# কৌতুক

এজনী ভদ্ৰ মহিলাই পল্টন বজাৰলৈ যাব গৈছিল কিন্তু তেওঁ পল্টন বজাৰ চিনি নাপায়। সেয়ে তেওঁ বাছৰ পৰা নামি এজন ভদ্ৰ মানুহৰ কাণৰ কাষত ফুচফুচাই সুধিলে —

ভদ্ৰ মহিলা ঃ হেৰা, এইখন পল্টন বজাৰ নেকি?

ভদ্ৰ মানুহ ঃ (খঙেৰে) নহয়, এইখন মোৰ কাণহে।

শিক্ষক ঃ তুমি এটা ফঁকৰা যোজনা কোৱা।

ৰহিম ঃ আছে গৰু নবয় হাল, সেই গৰু খোৱাই ভাল।

শিক্ষক ঃ খালি, খালি।

ৰহিম ঃ নাই ছাৰ, ঈদত খাম।

ৰেলৰ ডবা এটাৰ ভিতৰত এজন বৰ শকত মানুহ দেখি এজনে ঠাট্টাৰ সুৰত সুধিলে —— হেৰি, ডবাটো কেৱল হাতীৰ বাবেহে নেকি?

ঃ নহয়, ডবাৰ দুৱাৰ শিয়াল, কুকুৰৰ বাবেও মুকলি আছে, সোমাই আহক।

সংগ্ৰাহক ঃ নয়নমণি বৰুৱা, সাধাৰণ সম্পাদক

# आसामाव जिबौनि मोदायजो मनसानि पुजा

कल्पना बसुमतारी
प्रवक्ता, बर' विभाग
पातिदरं महाविद्यालय

मनसाया जाबाय जिबौनि मोदायजो। जिबौवा सौब्ला मानसिया थैयो। बेखायनो सुबुङ जिबौ सौजानायनिफ्राय बारग'नो एबा थैनायनिफ्राय रैखा मोन्नो थाखै मनसाखौ जिबौर्नि बिमा मोदायजो महरै सिबियो।

ड॰ भगेला गावनि "Indian Serpert Lone" बिजाबाव भारत हादोराव गोदो गोदायनिफ्रायनो मनसा पुजा फालिनोनायनि सोमोन्दै सावरायदों। आसामावबो असमिया आरो जनजाति हारिनि सुबुंफोरा मनसा पुजा खालामो। हिन्दुफोरा बोसोरफ्रामबो मैसो, बोरमा, फारौ बोलि होना मनसा एबा बिसहरिनि फुजा होयो। आथिखालाव जिबौनि मोदायजोखौ घत एबा सिजौ दंफांखौ मिरु हिसाबै लाना फुजा होनाय जायो। बारदेरनाय बेराम एबा महामारिनि समाव बै मनसा देवि एबा मार'य देविखौ गाजा-गोमजायै दासिमबो फालिनाय जायो।

ड॰ धिरेन दासनि बादिब्ला मनसाया अनार्य हारिनि सुबुंफोरनि फुजा। नाथाय समनि फाख'नाव आर्य हारिनि सुबुंफोराबो मनसाखौ गुबुन आर्य मोदायजोफोरनि समान मासि होनानै सिबिनो लार्दोंमोन। बिथांनि बादिब्ला, सोनाब जलपायगुरिनिफ्राय सानजाहा दरंसिम बे गुवार ओनसोलावनो मनकर, दुर्गाबर आरो खन्थायगिरि नारायण देबा जोनोम मोन्दोंमोन। बिसोरो मनसा मोदायजोनि सोमोन्दै गोबां खन्थाय-नेथाय रनसायलांदोंमोन।

आसामनि जनजाति सुबुंफोरा जिबौनि पुजाखौ गुबुन गुबुन महराव सिबिबोगासिनो दङो। खासिफोरा बोसोराव खेबफा 'इउथ्रेन' मुंनि जिबौनि बिगोमाखौ पुजा खालामो। बे पुजानि थाखै मानषि बोलि दोयोमोनब्लाबो आथिखालाव बेखौ नुनो मोनलिया। खासिफोरा जिबौजो लोगोसे धोन-सम्फथि थाफायो होन्नानै सानो। मनिपुरिफोरा गावसोरनि आजौ-आजैयानो नखरनि मोजांनि थाखै जिब्रौ महराव जोनोम लानानै फैफिनो होनानै फोथार्यो। बिसोरनि आजौ-आजैनि मादाव पाखंबाया सासे। पाखंबाया दासिमबो गेजेर-गेजेर जिबौ महर लाना नुजाथिबोयो होन्नानै बिसोरहा खोमसि फोथायनाय दङो। हाजंफोरा बेराम-आजार आरो खैफोदनिफ्राय बारग'नो थाखै जिबौ पुजा खालामो। राभाफोराबो मोनसे समाव दन्दराव थानाय जिबौ मोदाय सासेनि पुजा खालामोमोन आरो बोसोरफ्रामबो बिनजावसा एबा हौवासा साफायै बोलि होनानै गोजोन होयोमोन। बर'फोमबो खायफा-खायफा नख'रा दाव, फारौ, बोरमा बोलि होनानै बारियाव मनसा पुजाखौ दासिमबो होबोगासिनो दङो।

आसामनि असमिया आरो ट्राइबेल

सुबंफोरा दै, बाख्रि आरो धोन-सम्फथि थानाय जायगायाव जिबौवा बेंगिरि जानानै थायो होन्नानै फोथायो। बिसोरो जिबौखौ बैफोर मुवानि मोदाय होन्नानै फोथायना सिबियो। बेबादिनो जिबौखौ गिनानै सिबिनाया आसामाव गोदो गोदायनिफ्रायनो सोलिबोगासिनो दङो। मनसा पुजायाव बायदिसिना जानाय मुवा बावनाय लोगोसे दाव, अमा, फारेव बायदिसिना बोलि होनाय जायो। अजाफोरा अजापालि रोजाबो लोगोसे मनसा पुजानि सोमोन्दै लिरनाय बिजाबनि बायदिसिना बाथ्राफोरखौ मोसानानै, रोजाबनानै आरो आखायजों बायदिसिना फाव-फेखन खालामना सुबुंनि दिन्थियो। बेंनि अनगायैबो दिनजावफोरा देवधा एबा देवधानि मोसायो आरो मोसाखांनि उनाव इयुनाव मा जागोन बेफोरनि सोमोन्दै बाथ्रा खिन्थायो। बिसोरो दाव, फारेव, बोरमानि गोथां थैखौबो लोङो। बेबादिनो मनसा देविखौसिबिनाय जायो।

आसाम आरो भारत बादोराव मनसा देविखौ सिबिनाया गोदो-गोदायनिफ्रायनो सोलिबोदोंब्लाबो बबे मुगानिफ्राय एबा जौथायनिफ्राय सिबिनो लादों बेखौ रोखायै बुंनाया गोब्रान। मनसानि अन्थायाव दान्नाय मुसुखाखौ आसाम आरो बेंगलाव मोन्नाय जादो। बबेखानि खालारखौ थियै बुंनो हायाब्लाबो बेयो 10 थि जौथायनि सिगोनि बाथ्रा होन्नानै हमनो हायो। आसामनि Smriti Digest बिजाब लिरगिरिफोरा 15 आरो 16 जौथायाव मनसा पुजानि सोमोन्दै मखलांदोंमोन आरो 16 जौथायनि सिगाङावनो मनसानि सोमोन्दै असमियाव गांनै बिजाब लिरनाय जादोंमोन। आसामनि सिलघाट आरो नुमलिगड़ाव मोन्नाय मनसानि अनथायनि मुसुखाखौ आसाम रायजोनि मिउजियामाव दोन्नाय जादों। बे मुसुखाखौ नायोब्ला आसामनि सुबुंफोरादि 13 जौथायनि सिगाङावनो मनसाखौ सिबियोमोन बेनि फोरमान मोनो। सिलघाताव मोन्नाय मनसानि मुसुखाया मासे मैदेरनि बिखुं सायाव ज'नानै थानायमोन। बिखौ बायदिसिना मुंजों गाबज्रिनाय जायोमोन, जेरै-- पद्मावति, ब्रह्मानि, बिषहरि, नागमाता बायसेथ्रा। बेफोरनि अनगायैबो खायसे मुंदंबावो जायफोरनिफ्राय आसामनि गामियारि सुबुंनि गेजेराव मनसा देविनि अनसायजानायखौ मोनथिनो हायो। बिखौ गामिनि सुबुंफोरा माराय, कानि, तताला, बाहुरा आरो बेंखायति मुं होनानैबो सिबियोमोन। सुबुङा मनसाखौ गिथावना मोदायजो होन्नानैसो सानो, अनजाथाव महरै नङा। बेखायनो मनसाजों बोराबजानो गिनानै गोबां रंजा-बाजायै सिबियारिफोरा सिबियो। आसामनि सोनाव ओनसोलाव थानाय बर' आरो राभा सुबुंफोरा गेजेर मुगायाव मनसाखौ 'बरमानि' होन्नानै सिबियोमोन। मनसाखौनो 'बिषहरि', 'खानि बुरै' आरो मारै-माराय मुं होनानै सिबिनायखौ दासिमबो बर'फोरनि गेजेराव नुनो मोनो।

ooooo

# Examination Reform : An Analysise

Minakshi Sarma
Lecturer, Education Dept.

To speak on reforms or whatsoever on examination it will not out of place to mention the meaning of examination, which denotes the act of examinine or state of being examined, An exercise testing skill or knowledge through formal interrogation, may be in writing or verbal and physical interview.

Since the time of Epic era of the Mahabharata and the Ramayana, it is found that there had been system of providing education by great Sages in "Ashrams ". On completion of providing necessary education, training in all spheres of life circle, the Gurus used to take test or examination. As such this sort of taking examination has been continuing since time immernorial.

Hence, Examination enable the teacher to determine the degree and direction of the success of his teach ing process. Examination helps the teacher to know about individual differences and diognise the child's weaknesses and help to take preventive and curative measures accordingly. It is an integral part of the educational lives of both students and teachers. Therefore, through examination teacher can set the standard of teaching and learning in school. Examination are extremely important in the entire educational system.

***HISTORICAL PERSPECTIVE :***

Since time immemorial examination is one of form which conducted in our education system. The examination reformed initiatives in India from the "Gurukul" system of education to British days. In 'Gurukul' system the scope of the examinations was quite gives importance on all round development of students personality.

Various committees and commissions had criticize examination system and suggested measures to improve it.

***THE SECONDARY EDUCATION COMMISSION (1952-53) :***

Secondary education commission focussed attention on reforming examination. According to commission, to reduce the elements of subjectivity of the essay type tests, objec-

tive test of attainments should be introduced side by side. And also, the nature of the tests and the type of questions should be throughly changed. They should be such as encourage intelligence and understanding.

It was the secondary education commission which paved the way for examination reform at school level. This commission very strongly recommended that the subjectivity should be reduced in examination. Secondary education commission for the first time in India, introduced the word 'evaluation' along with the examination.

***THE EDUCATION COMMISSION (1964-66) :***

The education commission of (1964-66) recommended that to improve the written examination and gives importance on oral testing and practical examinations. Education commission advocated to conduct a common internal examination for inter school and show result of internal and external assesment separately.

NCERT has taken up a number of activities in order to improve the examination in our country.

a) Studies and investigation in external examinations.

b) Co-ordinationof state level programmes of examination reform.

c) Providing consultancy services to the Board of education.

***DEFECTS OF MODERN SYSTEM OF EXAMINATION :***

There are some problems and short comings in our present examination system. Examination appears to be the sole aim of everyone. The main couse of teaching learning system has vanished.

The incidence like use of unfair means, blackmailing, manhandling of supervisory staff has increased tremendausly. For that reason the smoth conduct of an examination is a big problem.

There is a big gape between the two important factor in education-teaching and testing. Todays education system is examination dominated and for that reason teacher do not have any hold over his student. The student also do not care to show any sense of subordination and respect to the teacher.

The question setter test only samples of knowledge and most of the time, questions of the examination are not really representative one of the whole syllabus. The question are at times vaguely worded.

Examination do not test the

intelligence and character, which are most important outcome of education. There are various examples of men and women who are failures in traditional examination, but who later distinguished themselves in his/her entire life. But some of the brillient products of the examination have awfully failed in test of real life.

The most important draw backs of examination system is their judgement or result. The judgement of different teachers or examiner of a student performance is widely differed, even a single examiner may be incongrous in the standard of marking on two different occasions.

Validity of examinations is questionable. At the end of the session practice of three hour exam not only put an overload on the students but also shows that no importance is given to the work done throughout the year.

Each and every student regarded that examination is a major event. They forget that the examination is only a means and not an end in education. Examination appears to be the sole aim before everyone.

Particularly in India students are not interested in education, they want labels and good levels. Such a system may cause destruction of the soul and destruction of the quality of life itself.

Parents also have a wrong attitude about examination. Parents donot give importance on quality development of their child. They judge their abilities on the basis of marks. Parents spoonfeed their child to enable them to pass examination.

***<u>REFORMS OF EXAMINATION SYSTEM :</u>***

A good examination is one which has the necessary traits of validity, reliability, adequacy, objectivity and practicability. We cannot rule out examination from our educational system.

From *secondary commission (1952-53) to National policy on education (1986)* have expressed their views to reduce subjectivity from the examination. National policy on education proposes to bring about qulitative improvement in examination. According to this policy, *Semister <u>system</u>* will be introduced in the secondary stage in a phased manner.

To minimize subjectivity in essay type examination it is preferable to give short questions. The question in essay type examination should maintain uniform difficulty. Trained evaluators to be needed for better ob-

jective judgement.

To removing all ills from examination system we use *continuous comprehensive evaluation*. By continuous and comprehensive evaluation we mean that evaluation should be done continually through out the academic year. It includes assesment of performences in the class work, home work, laboratory work, project report, seminer, disscussion, debate, social service and other co-curricular acvities. It is not only helps to know the development of intellectual abilities, but also helps in removing the tension, fear from the minds of the students which they feel, if the examinations are annually conducted. Through continuous evaluation the teacher also evaluate himself and try to improve their quality of teaching.

The system of *Grading* has been recommended by various commission. Grading system removes the subjectivity in marking system. This gives a realistic assesment of the learners capabilities. Grading system may bring about stability of judgement. For giving grade teacher should fully trained.

Use of *internal examination,* yet another method to minimize the subjectivity of external examination.In internal assesment teacher's own judgement and evaluation has more reliability than any other outride sources. It also improves the teacher-pupil relationship.

Yet another step that has been taken to reform the examination in India is to make process of evalution *clear*. So that they do not have doubts about their performences and its evaluation. Some peogressive Board have started showing the answer scripts to students. Newly Assam has taken step to clear evaluation system.

Examination should be delinked from job opportunities and other positions of life. National education policy also empharised delinking degrees from jobs in selected areas of learning. We should judge our students through out their total learning experiences in the curricular and co-curricular programmes.

All of the above steps of reforming examination cannot be established if educational authority is not aware for illness of examination. The educational officers and teachers need to be throughly trained to reform examination and should be aware of bring about a change in this system. For an over all improvement of examination effort should be made to improve external and internal examination.

*****

# প্ৰেম

ৰতন পাটোৱাৰী
স্নাতক, ৩য় বৰ্ষ

পল —– দীপা, কি খবৰ তোমাৰ?

দীপা— কি হ'ব আৰু! খবৰ ভাল বুলিয়ে ক'ব লাগিব দে।

পল —– দীপা, কিয় এনেকৈ কলা তুমি, তোমাৰ মুড ভাল নহয় নেকি?

দীপা— একো হোৱা নাই অ' পল, এনেয়ে।

পল —– কিন্তু তোমাৰ মনটো দেখো আজি মৰা।

দীপা— নাই, এনেয়ে।

পল —– মই আজি তোমাক আমনিহে দিলো চাগে, এতিয়া যাওঁ দিয়া, বেয়া নাপাবা আকৌ।

দীপা— নাই, নাই কিয় বেয়া পাম তোমাক।

পল —– মই ভিতৰৰ ফালৰ পৰা আহো ৰ'বা, এবাৰ বৰ মাক দেখা কৰি।

দীপা— অ'.... অ'.... যোৱা, ঠিকে আছে।

(ঠিক সেই সময়তে ৰাজে আহি দীপাক মাত লগালে)

ৰাজ — অ' দীপা তোমাৰ ভালনে?

দীপা— অ' ৰাজ দেখো, তুমিচোন আজি মনে মনে আহিলা, এবাৰো কল এটাও নকৰিলা।

ৰাজ— নাই, ইচ্ছা নগ'ল।

দীপা— ইচ্ছা নগ'ল মোক এটা কল কৰিববলৈ? কি ভাল পোৱা, এয়াই নেকি ৰাজ? মই তোমাক সঁচাই ভাল পাওঁ আৰু তুমি ল'ৰা ধেমালি বুলি ভাবিছা নেকি?

ৰাজ— মনে মনে নোকোৱা কিয়? বৰ মাহঁতে যদি শুনে।

দীপা— শুনক, শুনিলে মোৰ কি হ'ল।

ৰাজ— শুনা দীপা, ময়ো তোমাক বহুত ভাল পাওঁ জানা, কিন্তু .........

দীপা— কিন্তু কি ৰাজ?

ৰাজ— নাই একো নহয়, এতিয়া নক'লেও হ'ব।

দীপা— তুমি যদি নোকোৱা মই মৰি থাকিম ৰাজ, প্লিজ কোৱানা।

ৰাজ— চোৱা দীপা, মই তোমাক ভাল পাওঁ, কিন্তু কি জানা, মোৰ বন্ধু পলৰ মুখত কেৱল তোমাৰ নাম।

সি বোলে তোমাক ভাল পাই পেলাইছে, সি হেনো তোমাক ক'ব পৰা নাই, সি আকৌ মোকে সুধিবলৈ কৈছে, মই কি কৰো দীপা, তুমিয়ে কোৱাচোন।

দীপা— চোৱা ৰাজ, পলে মনতে যিবোৰ কথা ভাবিছে, সি বৰ ডাঙৰ ভুল কৰিব বিচাৰিছে। কাৰণ মই তোমাৰ বাহিৰে অন্য কাকো নিবিচাৰো, তুমি মোক যিমানখিনি মৰম দিছা আন কোনেও নোৱাৰিব। পল তোমাৰ এজন ভাল বন্ধু, মই জানো আৰু ময়ো তাক বন্ধু বুলিয়ে ভাবো।

(পলে ভিতৰৰ পৰাই সকলো শুনি আছিল)

পল— অ' ৰাজচোন, কেতিয়া আহিলা আৰু কিনো কথা পাতি আছা ?

ৰাজ— তোমাৰ বিষয়ে কৈ আছিলো অ'।

পল— মোৰ বিষয়ে, মই আকৌ কিবা ভুল কৰিলো চাগে।

দীপা— তুমি মোৰ বিষয়ে ৰাজক কিবা সুধিছিলা ন ?

পল— ধেৎ, মই এনেহে কৈছিলো। মই তোমালোকৰ মাজলৈ আহিব বিচৰা নাই, মই তোমালোকৰ বন্ধুহে, মই তোমালোক দুয়োৰে সকলো কথা শুনিছো, মই তোমালোকৰ মাজত প্ৰকৃত প্ৰেম দেখিছো আৰু এইটো বুজিছো প্ৰেম জোৰ কৰি পোৱা বস্তু নহয়, তোমালোকৰ জীৱন সুখময় হওঁক, এয়ে ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা।

ৰাজ— পল, তুমি সঁচাই মহান, তুমি মোৰ প্ৰকৃত বন্ধু।

পল— এ কি কৈছা এইবোৰ, মইতো তোৰ বন্ধুহে আৰু ৰাজ তয়ো মোৰ প্ৰকৃত বন্ধু। দীপা তোমাক কথা এটি কওঁ যাতে মোৰ বন্ধু ৰাজক তুমি সদায় মৰম কৰা আৰু আজিৰ পৰা তোমালোক দুয়ো পতি-পত্নী হ'লা মোৰ দৃষ্টিত।

*****

# আমাৰ গৌৰৱ



আমাৰ মহাবিদ্যালয়ৰ ইং ২০০৯-১০ বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ শ্ৰীৰিকু দাস


# কবিতা

## তুমি হাঁহিলে

নয়নমণি বৰুৱা
স্নাতক, ২য় বৰ্ষ
(সাধাৰণ সম্পাদক)

তুমি মোৰ পিনে চাই থাকিলে,
বুকুত আনন্দৰ ঝংকাৰ উঠে।
তুমি হাঁহিলে ,
জোনটি মোৰ কোঁচতে আহি বহে।
তুমি কান্দিলে ,
উচুপি উঠে অকণমানি আকাশখনি।
প্ৰস্ফুটিত ফুলৰ পাপৰিত
মই দেখা পাওঁ,
তোমাৰ মুখৰ অনাবিল হাঁহি।
কেনেকৈ কটাইছা ইমানবোৰ অকলশৰীয়া ৰাতি।
মোৰ বাহিৰে কোনেও নাজানে, নাজানিব,
তোমাৰ হৃদয়ত যে আছে
জীৱনৰ ব্যৰ্থতা ভৰা অমানিশা স্মৃতি।
আহিবানে তুমি এবাৰ কাষলে',
বহু সপোনক বাস্তৱৰ ৰূপত কল্পনা কৰিবলে'?
মোৰ বিশ্বাস তুমি এদিন আহিবা,
জিৰ জিৰ বতাহ এজাকৰ স'তে।

*****



## প্ৰতাৰণা

মানৱ ডেকা (মানস)
স্নাতক, ২য় বাৰ্ষিক

কিয় বাৰু আহিছিলা
মোৰ হৃদয়লৈ
বাৰিষাৰ পানীৰ দৰে
বেদনাৰ অশ্ৰু হৈ।
কিয় বাৰু আহিছিলা
প্ৰেমৰ দোলেৰে বান্ধি
নতুন জীৱন গঢ়াৰ
প্ৰেৰণা দিবলৈ?
কিয় বাৰু আহিছিলা
মৰম বিচাৰি
যদিহে যোৱাগৈ আঁতৰি
মৰমবোৰ গচকি।
কিয় বাৰু আহিছিলা
সপোনৰ ছবি হৈ
বাস্তৱ জীৱন গঢ়াৰ
অসাৰ প্ৰেৰণা লৈ?
কিয় বাৰু গ'লা গৈ
বাৰিষাৰ পানীৰ দৰে
অকলশৰে এৰি থৈ
মায়া মৰীচিকা হৈ?

*****




# স্মৃতি

ধনশ্ৰী ডেকা
স্নাতক, ২য় বৰ্ষ

যিমানে পাহৰিবলৈ চেষ্টা কৰিছোঁ
সিমানে পৰিছে মনত
আগৰ স্মৃতিবোৰৰ কথা
পাৰিম জানো পাহৰিব?
সেই স্মৃতিবোৰ
যদি পাহৰি যাওঁ
হিয়া ভাঙি উটি যাব মোৰ
সময়ৰ সোঁতত।
পৰেনে মনত তোমাৰ
সেই আগৰ স্মৃতিবোৰৰ কথা
যদি পৰে মনত
সেই আগৰ স্মৃতিবোৰৰ কথা
তেন্তে মই কিয় তোমাৰ
মৰমৰ পৰা ব্যৰ্থ?
যদিও তুমি মোৰ আঁতৰত
তথাপিও মই তোমাক পাইছো
অতীতৰ স্মৃতিৰ মাজত।
যদিও কেতিয়াবানোহোৱাও হৈ যোৱা
তথাপিতো মই তোমাক জীয়াই ৰাখিম
অতীতৰ স্মৃতিৰ মাজত।

*****



# তোমাৰ চকুৰ ছাঁত

বিউটি পাটোৱাৰী
স্নাতক, ২য় বৰ্ষ

তোমাৰ ওঠৰ পৰা সৰি পৰা
এটা মিঠা হাঁহিয়ে
মোৰ বুকুত সুখৰ আলোড়ন তোলে।
মোৰ চুলিৰ মাজত সাঁচি ৰখা
বুকুৰ অজস্ৰ দুখ,
গলি গৈছে বৰফৰ টুকুৰা এটাৰ দৰে।
যিটো বাটেৰে এদিন আমি খোজ লৈছিলো,
জোনাকৰ স্নিগ্ধতা, ফুলৰ সুগন্ধিৰ মাজেৰে,
নিজৰাৰ সুৰেৰে লিখিছিলো কবিতা,
তোমাৰ বুকুত গান আছে
ওঠত আছে সুৰৰ এখন সাগৰ।
মোৰ বাবেই ফুলাবা তোমাৰ বুকুত
প্ৰেমৰ ৰঙা গোলাপ,
তোমাৰ নিশাহ লাগি
প্ৰতিপাহ ফুল জিলমিল কৰিব,
তোমাৰ চকুৰ ছাঁত
আনন্দৰ মেলা পাতিব।

*****



# তুমি

অৰূপা ডেকা
স্নাতক, ১ম বৰ্ষ

তুমি, মোৰ হয়নে?
প্ৰশ্ন জাগে।
ক্ষত-বিক্ষত হিয়াখনত
দুৰু-দুৰু কঁপি উঠে।
হৃদয়ৰ প্ৰতিটো ধমনি
তুমি, হৃদয়ৰ দাপোনত
ধৰা দিয়া।
নীল আকাশৰ গভীৰতাৰ জোনটো হৈ
আকুলতাৰে ৰৈ আছো
মাথোন জোনটো চুই চাবলৈ
জ্বলি জ্বলি শেষ হৈছো
মাথো কল্পিত আশাক লৈ
ধূপৰ দৰে নিজকে বিলাই দি
ৰৈ থাকিম তোমাৰ স্মৃতিক লৈ
বুকুত আলফুলে তোমাক সাৱটি লৈ।


*****

# এটি গোলাপৰ কলি

তফিক আলী
স্নাতক, ৩য় বৰ্ষ

বহু আশাত ৰুলো
এটি গোলাপৰ পুলি
ডালত ফুলিল মাথো
এটিহে গোলাপৰ কলি
তাইও মোক দেখুৱাই
বহু মৰমৰ সপোন
এৰি থৈ গ'ল
অকলশৰীয়া কৰি।
আকৌ জানো ফুলিব
ডালত এটি কলি
পাৰিম জানো তাইক
ৰাখিব নিজৰ কৰি ??

*****



# তুমি

আফজাল আলী
জেহেৰুল আলী
স্নাতক, ৩য় বৰ্ষ

তোমাৰ মৰম বিচাৰি
হ'লো মই আজি অঘৰী,
জগতৰ দুৱাৰে দুৱাৰে ঘূৰি
মৰম নেপালো তোমাৰ তথাপি।
নোৱাৰো যাব আৰু
মই তোমাক বিচাৰি,
নোৱাৰো ঘূৰিব আৰু
এই সুন্দৰ মনোৰম পৃথিৱী।
নাই দেহত শক্তি, নাই মনত শক্তি
সকলো ভাগৰুৱা হৈ
গ'ল দেহ এৰি।
যাওঁ নেযাও কৰি আছে
মাথো জীৱনটো (আত্মা)
তাতেও ৰাখিছো মই
তোমাৰ ভক্তি, মাথো ভক্তি !

*****



# সপোন ভৰা আবেগ

জেহেৰুল আলী
স্নাতক, ৩য় বৰ্ষ


বহুদিন দেখা নাই তোমাক
উজাগৰে কটাইছো বহু ৰাতি
কিন্তু সিদিনা হঠাৎ
মাজনিশা ৰাতি
সপোনত দেখিছিলো তোমাক
সপোন কুৱঁৰী হিচাপে।
তুমি মোৰ অতিকৈ কাষতে বহিছিলা
আৰু মৰমো হিয়া উজাৰি দিছিলা।
কিন্তু তুমি দিয়া মৰমবোৰৰ মাজত
মৰমৰ কোনো মাদকতাৰ চিন-স্বৰূপ নেপালো।
মৰমহীন মৰমৰ মাজতো
তুমি মোক ধৈৰ্যৰ সীমা নোহোৱা কৰি পেলাইছিলা।
মোৰ সঁচা কোমলীয়া হৃদয়ত
তোমাৰ মিছলীয়া মৰম সানি
তুমি চাগে বহু আনন্দৰ জোৱাৰ পালা
কিন্তু তুমি মোক কি দিলা ?
মাথো আবেগ, মাথো স্মৃতিভৰা আবেগ।
মই এখন হৃদয় বিচাৰিছিলো
এখন সঁচা হৃদয়ৰ বিনিময়ত
হাঁহি-কান্দোন পোৱা-নোপোৱা হিয়া দিয়া নিয়া
আনন্দ-বেদনা সুখ-দুখৰ সমভাগী হ'ব পৰা
এখন অন্তৰ
কিয় তাতো প্ৰতাৰণা ?
কিয় আঁতৰি গ'লা চকুলো বোৱাই ?
আজি যেন মই চিৰ প্ৰতীক্ষাত
প্ৰেমৰ বোকোচাত
সজীৱকৈ ৰাখিছো স্মৃতি,
মই যেন তোমাৰেই একমাত্ৰ প্ৰেমিক। *****

# হিয়াত তুমি

চাজিদ আহমেদ (নিপু)
স্নাতক, ৩য় বৰ্ষ

হিয়াত মাথো তুমি, মই তোমাক ——
নিজৰ ভাল পোৱা যাচিবলৈ যাওঁতে
মোৰ বহুতো হেৰুৱাব লগা হয় ——
যেন বকুল ফুলৰ সুবাস।
কপৌ ফুল আৰু পলাশৰ ৰংবোৰ।
আদৰি নিব পৰা তোমাৰ ভাল পোৱা
হেঁপাহেৰে বিলাব পৰা ব'হাগৰ দিনত।
কুলি-কেতেকীৰ সুৰত,
ৰাতিৰ আন্ধাৰত, জোনাকৰ পোহৰত
আকোঁৱালি ল'ব পৰা তোমাৰ প্ৰেমক।
ঘূৰি নাচাবা ঘূৰি চালে
আকৌ দেখিবা পলাশৰ ফুলবোৰ।
বুকুত ৰাখিছো বহুতো আশা
ল'গ পালে কম, পৰি থাকিম
এডোখৰ নিজান ঠাইত তোমালৈ,
ৰৈ থাকিম।

*****



# প্লিজ! কোৱানা কিবা এটা

ৰতন পাটোৱাৰী
স্নাতক, ৩য় বৰ্ষ

তোমাক কোৱা কথাটি
মনত আছেনে
তুমি দেখো একোকে নক'লা
কিজানি তুমি পাহৰি গৈছা
নহ'লে তুমি মোক
জনাবলৈ লাজ কৰিছা
যদি তুমি পাহৰি গৈছা
মই আজি পুনৰ তোমাক কম
মোৰ হৃদয়ত আন্দোলিত কৰা
মোৰ প্ৰেমৰ ৰাগিনী
আজি তোমাক মই
মোৰ কবিতাৰে সুধিম
তুমি কবিতাৰে পাৰিলে জনাবা
সঁচাই তুমি মোক
হয়-নহয় কিবা এটাতো কোৱা
প্লিজ!
মোক সন্মান নকৰিলেও
তুমি মোৰ কবিতাটো
অসন্মান নকৰিবা
মইতো তোমাক আদেশ দিয়া নাই
তোমাক মই অনুৰোধ কৰিছো
প্লিজ !

*****



## অনুভৱ

ৰিয়াজুদ্দিন আহমেদ বৰা
স্নাতক, ১ম বর্ষ

জীৱনে বহু দেখিলে
জানিলো বহুতো
এই জটিল পৃথিৱীত
ঠুণুকা সকলো পণ
আৰু ভাগৰুৱা মন।
ভাবিছিলো এই জীৱনতে
দুখৰ পিছত সুখ আহে
য'তে ত'তে এনে লাগে
পৃথিৱী দেখা মাথো খেলাহে
কোনে কিমান জানে
কোনে কিমান ল'লে
কোনে কিমান হেৰালে
কান্দি ৰয় মাথো সেই সময়ে।
নিৰ্জন জীৱনৰ কোৰ্হালৰ পৰা
বুকুৰ শিল ভাঙি দুহাত মেলি
হাহাকাৰ কৰি ওলটি আহিছো মই
আলফুলীয়া শৈশৱ মোৰ
সোণোৱালী হুলস্থুল বিচাৰি
তেজৰ ৰঙতে স্তব্ধ
অতীতৰ বুকু ফালি
বিচাৰিছো শৈশৱ
আজি মোৰ আকৌ অনুভৱ।

*****



## ভগা সপোন

হেলেনা বেগম
স্নাতক, ১ম বর্ষ

তুমিয়েইতো .............
মোৰ জীৱনলৈ
জোনাক ভৰা ৰঙীণ সপোন
ৰচিবলৈ আহিছিলা ;
মোৰ মনৰ পৰা আঁতৰি গৈছিল
ক'লা ডাৱৰ।
মনৰ আকাশত উজ্বলি উঠিছিল
পূৰ্ণিমাৰ জোন।
যেতিয়া তুমি মোৰ হৃদয়ত
সিঁচিছিলা প্ৰেমৰ বীজ,
তেতিয়া,
মোৰ বাদামী ৰঙৰ হৃদয়
হ'বলৈ ধৰিছিল সেউজীয়া ...........
আৰু তুমিয়ে এদিন
আঁতৰি গৈছিলা মোৰ পৰা
হাঁহি হাঁহি মোক কন্দুৱাই
মোক নিঃসঙ্গ কৰি।
জোনটোৱেও বিষাদত লুকুৱাইছিল
ক'লা ডাৱৰৰ আঁৰত,
আন্ধাৰ নামি আহিছিল
মোৰ জীৱনলৈ
তেতিয়া,
মোৰ মনৰ আকাশত
ঘোৰ অমাৱস্যাৰ জোন।

*****


# শৈশৱ প্ৰেমৰ স্মৃতি

কিশোৰ কুমাৰ কাকতি
স্নাতক, ২য় বৰ্ষ

মনৰ বেজাৰত নীৰৱে থাকি
থাকো তোমাক সুঁৱৰি,
তুমিয়েই সেই অতীত মধুৰ
সৌন্দৰ্যৰ সপোন কুঁৱৰী।
তোমাৰ গোলাপ পাহিত উঠে
বিজুলী চমক হাঁহি,
তোমাৰ প্ৰেমৰ অৱসান হ'লে
গোলাপ মোৰ যায় মৰহি।
তোমাৰ সপ্ত সুৰত
মুগ্ধ হয় বনৰ হৰিণী,
তুমি প্ৰকৃতিৰ সৌন্দৰ্যৰ খনি
মোৰ স্বপ্নৰ জীৱন তাৰিণী।
হৃদয়ৰ স্তৰতে অতীত কাহিনী
হিয়া প্ৰেম-ৰসে ভৰা,
তুমি পঞ্চম-সুৰৰ গীতটি জুৰি
বনে বনে গাই ফুৰা।
মনত নকৰো শৈশৱ কাহিনী
জাগি উঠে অতীতৰ স্মৃতি,
নকৰো মনত দুখ
নুশুনো তোমাৰ শুৱলা গীতটি।



*****



# তুলনা

সতীশ কাকতি
স্নাতক, ১ম বৰ্ষ

ছিঃ
তুমি ইমান নিৰ্লজ্জ
ছিঃ ছিঃ
সভ্য বুলিবলৈ থাকিল কি ?
চোৰাচোন
আগপিনে ওলাইছে অৰ্দ্ধ বক্ষ
পিছপিনে আকৌ পিঠিৰ আধা অংশই উদং
কিয়
এইখিনিও খুলি থোৱা
গা ঢাক নোযোৱা
পাতল দু-আঙুলীয়া কাপোৰখিনি
ধেৎ
এয়াই নেকি
সমান অধিকাৰ দাবী কৰা
ধৰ্ষণ-নিৰ্যাতন বন্ধ কৰা
বৰ্তমান সময়ৰ সচেতন নাৰীৰ আদৰ্শ ?
ছিঃ ছিঃ ছিঃ
মোৰ সন্দেহ হৈছে
তোমাৰ দৰে
এচাম নাৰীৰ ওপৰত
তোমালোক বাৰু দিনে দিনে
তললৈ নামিছা নে ওপৰলৈ উঠিছা ?
নাই নাই
বহুত তললৈ নামি গৈ আছা
কাৰণ
আদিম যুগৰ জ্ঞান শূণ্য লোকৰ দৰে
বা
চৰিত্ৰহীনাৰ নিচিনা
তোমালোকৰ চল-চলনা। *****


# অৰ্থ বিচাৰি

ৰীতামণি বৰুৱা
স্নাতক, ১ম বৰ্ষ

জীৱনৰ অৰ্থ বিচাৰিছিলো
কাৰোবাৰ দুচকুত ..........
ভুল কৰিলো নেকি ........
জীৱন নামৰ অংকটোৰ সূত্ৰ বিচাৰি বিচাৰি
যন্ত্ৰণাৰ নৈখনত সাতুৰি-নাদুৰি .........
হাবাথুৰি খালো ............
কাৰোবাৰ হাতত আছে নেকি ......... ?
জীৱন অংকটোৰ উপযুক্ত সূত্ৰ
আছে যদি দিবা নেকি ..........
তাৰ বিনিময়ত তোমাক কি দিম
যন্ত্ৰণাৰে কড়াল বন্ধা মোৰ হৃদয় .......
নে আন কিবা ..........
নাই ...... , এতিয়া যে ...... মই তেনেই উদং .....

*****





# হিয়া ভঙা সপোন

মইনুল আলী

হৃদয়ৰ খিৰিকী খনেদি
এমুঠি শাৰদীয় শীতল
প্ৰেমৰ জোনাক সোমাই আহে
অন্তৰৰ কোনোবা প্ৰেমৰ কোঠালৈ।
এছাটি মৃদু বতাহে বোৱাই আনে
প্ৰেমৰ মিঠা সুবাস আৰু সুগন্ধি।
কাৰোবাক পোৱাৰ আশাত নোপোৱাৰ বেদনাত
পাহৰি পেলাইছোঁ পৃথিৱীৰ মায়া-মোহ ।
হৃদয়ত নাই মোৰ কোনো দুখ-ক্লেশ
মনত বহুত আশাৰ সমাৰেশ।
সময়ৰ প্ৰবাল সোঁতত প্ৰেমৰ মাদকতা
বহু দূৰলৈ উটি-ভাঁহি যায়।
আশাৰে বন্ধা বালি ঘৰবোৰ
ঠান-বান হৈ গ'ল।
মৰমৰ ফুলেৰে ফুলা হৃদয়
বাগিছাখনি মৰুভূমিত ৰূপায়িত হ'ল।
স্মৃতি হিচাপে বৈ গ'ল মাথো
হৃদয়ৰ পৰা নিগৰি অহা অশ্ৰু
আৰু হিয়া ভঙা সপোনবোৰ।


*****

# ইউনিয়ন – ২০১০

দীপক কুমাৰ
স্নাতক, ২য় বৰ্ষ

নৰজিত হ'ল উপ-সভাপতি কলেজৰ
কিযে ভিতৰি হাঁহি তাৰ,
ইউনিয়নৰ বাবটো পাইছো যেতিয়া
টকাৰ লেন-দেনত চকু ৰখাই কাম।
নয়নমণি সদায় সকলোৰে আপোন
জি. এছ. আমাৰ ভাই,
বাজপেয়ীৰ নিচিনা আঁচনি ল'লেও
কামত একো নাই।
চাহিদ হ'ল এ. জি. এছ. আমাৰ
খবৰ-খাতি নাই,
প্ৰণৱ ডাঙৰীয়া গেম্ চেক্ৰেটাৰী
কি কবা ক্ৰীড়া সপ্তাহৰ কথা
আধা খেল বাকী ৰৈ যায়।
মেগাজিন চেক্ৰেটাৰী চহিদুল ইছলাম
তাৰটো ক'বই ভাল,
যিখনহে মেগাজিন উলিয়াব সি
সাহিত্য সভাৰ সম্পাদক যেন পায়।
মানৰ আমাৰ চ'চিয়েল চাৰ্ভিছ
ইউনিয়নৰ চেক্ৰেটাৰী ভাই,
মিচিকিয়া হাঁহিৰ মাজে মাজে
ছোৱালী চিনাকী লোৱাই কাম।
জ্যোতিষ আমাৰ বইজ কমন ৰুমৰ
চেক্ৰেটাৰী ভাই,
টকাৰ কথা ভাবি ভাবি
টোপনি নাহে তাৰ।
বৰ্ণালীৰ কথা কিনো কবা
খবৰ-খাতি নাই,
আনকণ্টেছত জয়ী হৈ কোনোমতে
ইউনিয়নত থাকিলে ভাই।
মোৰ কথা কিনো ক'বা
কালচাৰেল চেক্ৰেটাৰী ভাই,
নামত আছো কামত নাই
একে নাৱৰে যাত্ৰী যে মই।
এনেকৈয়ে হ'ল ইউনিয়ন গঠন
২০১০ ৰ পাতিদৰং কলেজৰ।

*****




# বুকুত এজাক হেঁপাহ

নৰজিৎ দাস
স্নাতক, ৩য় বৰ্ষ

বুকুত এজাক হেঁপাহ লৈ
আৰম্ভ কৰিছো
এই মোৰ যাত্ৰা
সৃষ্টি সাগৰৰ অপূৰ্ব্ব সুৰৰ
মূৰ্চ্চনাত এই মোৰ যাত্ৰা।
জীৱন সাগৰৰ বাট হিল দল
ভাঙি আগুৱাইছে মোৰ যাত্ৰা
তথাপিতো নাই
মোৰ এই যাত্ৰাৰ শেষ সীমা।
জীৱনৰ কত ধুমুহা নেওচি
আগলৈ ধাৱমান এই মোৰ যাত্ৰা
শত সহস্ৰ বাধা-হেঙাৰ নেওচি
পৰা নাই এই মোৰ যাত্ৰাৰ অন্ত
মাথো গতিহে বাঢ়িছে এই মোৰ যাত্ৰাৰ।
ক্ৰমশঃ গভীৰৰ পৰা গভীৰতলৈ
আন্ধাৰৰ পৰা পোহৰলৈ ।
নগ্নতাৰ পৰা সভ্যতালৈ।

*****





# কবিতা

লভিতা দাস
স্নাতক, ১ম ব

কি নাম তোমাৰ
ক'বা নেকি
কি নাম তোমাৰ
খোজৰ গতানুগতিকতা।
বৈ যোৱা শৰীৰৰ ঘাম
শান্তিৰ নীলা ৰং
সিঁচি সিঁচি
কাৰোবাৰ হৃদয়ত
বজাইছোঁ এবুকু
সুখৰ ভায়'লিন।।
হেৰা, কি নাম তোমাৰ
যাৰ বাবে আছে
মোৰ হৃদয়ত এতিয়াও
নীলা ৰং ।

*****



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে দেশৰ অস্তিত্বৰ বাবে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত শত সহস্ৰ ছহিদলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাই শ্ৰদ্ধাৰে সুঁৱৰিছো।

পাতিদৰং মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইং ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদৰ বাবে নিৰ্বাচিত কৰি এই গুৰুভাৰ অৰ্পণ কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই এই ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত থাকি আপোনালোকৰ বাবে কৰণীয় কামসমূহ কৰিবলৈ যত পৰনাস্তি চেষ্টাৰ ত্ৰুটি কৰা নাই যদিও আৰ্থিক দুৰৱস্থাৰ বাবে এয়া বহু ক্ষেত্ৰত সম্ভৱ নহ'ল। মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ যোগেদি এই মহাবিদ্যালয়ৰ বিশেষভাৱে অভাৱ মূলতঃ ছাত্ৰ জিৰণি কোঠা, চাইকেল ষ্টেণ্ড, শোধিত পানীৰ ব্যৱস্থাৰ অভাৱ, পূৰ্ণ পৰ্যায়ৰ পুথিভঁৰালৰ অভাৱ সমূহৰ অভাৱ দূৰ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষলৈ বিশেষভাৱে অনুৰোধ জনাই দৃষ্টি আকৰ্ষণ কৰিলোঁ।

এই মহাবিদ্যালয়ৰ উপ-সভাপতি পদৰ দায়িত্বত থাকি মহাবিদ্যালয়ৰ ক্ৰীড়া, বঁটা বিতৰণী, নৱাগত সভা আদি অনুষ্ঠান সমূহত চকু ৰাখি পাৰ্যমানে এইবোৰ চকুত লগা কৰিবলৈ চেষ্টা কৰিছিলো।

মোৰ এই কাৰ্যকালত বিভিন্ন দিশত উৎসাহ-অনুপ্ৰেৰণা জনোৱা আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, বিভিন্ন বিষয়ৰ চাৰ-বাইদেউ সকল তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো লগতে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ বিদ্যাৰ্থীলৈও শুভেচ্ছা যাচিলোঁ।

এই চেগতে অশেষ ত্যাগ স্বীকাৰ কৰি যিসকল মহান ব্যক্তিয়ে এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি এই অঞ্চলৰ সুনাম কঢ়িয়াই আনিলে সেই সকল মোৰ চিৰ নমস্য।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ মঙ্গল কামনা কৰি অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু পাতিদৰং মহাবিদ্যালয়।

জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰদ্ধাৰে-
শ্ৰীনৰজিৎ দাস
উপ-সভাপতি,
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
ইং ২০০৯-২০১০ বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাকমূহূৰ্তত যিসকল মহান জ্ঞাত-অজ্ঞাত, প্ৰয়াত-জীৱিত পূণ্যাত্মাৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মৌজাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান "পাতিদৰং মহাবিদ্যালয়" নামৰ জ্ঞানৰ বন্তি গছিৰ জন্ম হ'ল সেই সকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

দ্বিতীয়তে অসম, অসমীয়া জাতি আৰু মানুহৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ গৈ যিসকল ব্যক্তি অকালতে ছহিদ হ'ল সেই সকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

পাতিদৰং মহাবিদ্যালয়ৰ ইং ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিপুল ভোটেৰে জয়লাভ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো। আশা কৰিছিলো এই গুৰু দায়িত্ব লৈ এই অনুষ্ঠানৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ যৎ কিঞ্চিত হ'লেও উপকাৰ সাধন কৰিম। কিন্তু এই এবছৰীয়া কাৰ্যকালত কি কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। কাৰ্যভাৰ গ্ৰহণ কৰি ইং ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰ (২০০৯) লৈ "মহাবিদ্যালয় প্ৰতিভা সপ্তাহ" উদ্‌যাপন কৰা হয়। তাৰ পাছতে মিলাদ-এ-মেহফিল, বাথৌ পূজা আৰু সৰস্বতী পূজা পালন কৰা হয়। ইং ২৫ চেপ্তেম্বৰ, ২০১০ তাৰিখ শনিবাৰে ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ অতি উলহ-মালহেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা দেৱে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে বোলছবি (অসমীয়া) জগতৰ স্বনামধন্য শিল্পী শ্ৰীযুত দীনেশ দাস আৰু শ্ৰীযুত মুকুল দাস দেৱে। নিৰ্দিষ্ট বক্তাত্ৰয় ক্ৰমে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি মাননীয় শ্ৰীধৰ্মেশ্বৰ দাস, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা মাননীয় শ্ৰীদিলীপ পাটগিৰি আৰু 'এদিন' কাকতৰ সম্পাদক মাননীয় শ্ৰীঅদীপ ফুকন দেৱকো নিমন্ত্ৰণ জনোৱা হৈছিল।

হে সুধীবৃন্দ, শিক্ষাই হ'ল জাতিৰ মেৰুদণ্ড স্বৰূপ। যি সমাজৰ ব্যক্তি সকল সু-শিক্ষাৰে শিক্ষিত নহয় সেই সমাজৰ উন্নতি সুদূৰ গৰাহত। সেয়েহে সমাজৰ প্ৰতিজন ব্যক্তি সু-শিক্ষাৰে শিক্ষিত হোৱাতো যুগুত। সেই মহান উদ্দেশ্য শিৰোধাৰ্য কৰিয়ে জন্ম দিছিল আশাৰ পদুম পাতিদৰং মহাবিদ্যালয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে পাতিদৰং মহাবিদ্যালয় আজি নানা অভাৱ-অনাতনেৰে জৰ্জৰিত।

ছাত্ৰ আৰু ছাত্ৰীৰ বাবে সুকীয়াকৈ জিৰণি কোঠা আজিলৈ হৈ নুঠিল। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এটি চাইকেল ষ্টেণ্ড নাই। পাতিদৰং মহাবিদ্যালয়ত প্ৰায় সহস্ৰ ছাত্ৰ-ছাত্ৰীয়ে দূৰণিবটীয়া অঞ্চলৰ পৰা আহি ইয়াত নাম ভৰ্ত্তি কৰিছেহি। কিন্তু ভালেমান বিষয়ত এতিয়াও শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ হোৱা স্বত্বেও শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়া হোৱা নাই। ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সুকীয়াকৈ Account নথকাৰ বাবে প্ৰতি বছৰে সকলো সময়তে নিজৰ কাম কৰিব নোৱাৰে আৰু ইয়াৰ বাবে প্ৰতি বছৰে তেওঁলোক নানা সমস্যাৰ সন্মুখীন হ'ব লাগে। এই ক্ষেত্ৰত কৰ্তৃপক্ষক সজাগ হ'বলৈ অনুৰোধ জনালো।

জনাবলৈ পাই দুখিত যে আমাৰ মহাবিদ্যালয়ৰ ঐক্য পোছাকযোৰ নামত আছে কিন্তু কামত নাই। প্ৰায় ৭০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অৰ্ধ ঐক্য পোছাকেৰে আৰু প্ৰায় ১০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ ঐক্য পোছাক পৰিধান নকৰাকৈয়ে বছৰটো পাৰ কৰি দিয়ে। তাৰ বিৰুদ্ধে ছাত্ৰ একতা সভাৰ ফালৰ পৰা এটা পদক্ষেপ লোৱা হৈছিল যদিও তাতো বাধা আহি পৰে। ফলত অৰ্ধ ঐক্য পোছাকেৰে পাৰ হৈ যায় আৰু এটা বছৰ। মই কৰ্তৃপক্ষক এই বিষয়টোৰ প্ৰতি হেমাহি নকৰি গুৰুত্ব সহকাৰে ল'বলৈ বিনম্ৰ অনুৰোধ জনালোঁ।

পাতিদৰং মহাবিদ্যালয়ে আজি বাইশটা বসন্ত অতিক্ৰম কৰিলে। তৎস্বত্বেও ই চৰকাৰী বিভাগৰ পৰা পূৰ্ণতা নাপালে যাৰ বাবে আজি শিক্ষক-শিক্ষয়িত্ৰী সকল আৰু ছাত্ৰ-ছাত্ৰী সকল নানা সমস্যাৰে জৰ্জৰিত হৈ পৰিছে।

নানা অভাৱ-অনাতন, সমস্যাৰ মাজেদি মোৰ কাৰ্যকালত এটা STUDENTS` UNION ROOM ৰ লগতে কেইখনমান চকী আৰু এখন মেজৰ ব্যৱস্থা কৰো।

হে শ্ৰদ্ধাৰ সুধী সমাজ, বিগত সময়ছোৱাত মোৰ কৰণীয় বহুতো বাকী ৰৈ গ'ল। অনাগত ভৱিষ্যতত সেইবোৰ সমাপ্ত কৰিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে সহায় কৰা পৰম শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা, মাননীয় দুলাল শৰ্মা চাৰ, পৰমেশ দত্ত চাৰ, তপন শৰ্মা চাৰ, মুকুতাৰ ৰহমান চাৰ, ৰছিদ চাৰ, ধীৰাজ তালুকদাৰ চাৰ, দীপক বড়ো চাৰ আৰু মুকুল বেজবৰুৱা চাৰৰ লগতে সমূহ চাৰ-বাইদেউলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ লগে লগে এই সময়ছোৱাত সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়া আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ ত্ৰুটি-বিচ্যুতি মাৰ্জনা বিচাৰি সম্পাদকীয় প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

'জয় আই অসম'

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰদ্ধাৰে—
নয়নমণি বৰুৱা
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়
ইং ২০০৯-২০১০



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মূহুৰ্ত্তত দেশ মাতৃৰ উন্নতি তথা স্বাৰ্থৰ হকে কলিজাৰ কেঁচা তেজ ঢালি দি দেশ মাতৃৰ বুকু ডাঠ কৰি থৈ যোৱা সেই বীৰ ছহিদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। ইয়াৰোপৰি যিসকল সুধি ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ বিনিময়ত "পাতিদৰং মহাবিদ্যালয়"খনে প্ৰতিষ্ঠা লাভ কৰিলে সেই মহান পুৰুষ সকললৈ মোৰ আন্তৰিক ধন্যবাদ তথা শ্ৰদ্ধা নিবেদিছোঁ।

"পাতিদৰং মহাবিদ্যালয়"ত নামভৰ্তি কৰাৰে পৰা মহাবিদ্যালয়ৰ হকে কিবা অলপ কৰাৰ আশা মনতে সাঁচি ৰাখিছিলো। কিন্তু কেনেকৈ কৰিম সেয়া নিশ্চিত নাছিল। ইং ২০০৯-২০১০ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সহঃ সাধাৰণ সম্পাদক পদত জয়ী কৰি আজি এই প্ৰতিবেদন লিখাৰ যি সুযোগ দিলে সেই সকল দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিলৈ মোৰ আন্তৰিক মৰম-চেনেহ আৰু কৃতজ্ঞতা প্ৰেৰণ কৰিলোঁ। মোৰ কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়োৱা চাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অশেষ ধন্যবাদ যাচিলোঁ।

অৱশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিবোৰৰ বাবে সকলোৰে ওচৰত মূৰ দোৱাই ক্ষমা প্ৰাৰ্থনা কৰিছো আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু দীৰ্ঘজীৱি কামনা কৰি মোৰ লিখনি সামৰিলো।

'জয়ত পাতিদৰং মহাবিদ্যালয়'

চহিদুল ইছলাম
সহঃ সাধাৰণ সম্পাদক
ইং ২০০৯-২০১০ বৰ্ষ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

দেশ মাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে কলিজাৰ কেঁচা তেজ ঢালি ইতিহাস ৰচি থৈ যোৱা জ্ঞাত-অজ্ঞাত ছহিদ সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে যি সকল ব্যক্তিৰ চেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয় নামৰ এই মহান শিক্ষানুষ্ঠানটিৰ জন্ম হ'ল সেই মহান ব্যক্তি সকলকো মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

ইং ২০০৯-২০১০ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক পদত মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমাজ সেৱা সম্পাদক হিচাপে কাৰ্য গ্ৰহণ কৰাৰ পাছত প্ৰতিভা সপ্তাহৰ আগে আগে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা হয়। সৰস্বতী পূজাত খোৱা-লোৱা চাহ পানীৰ ব্যৱস্থা, প্ৰসাদ বিতৰণ আদি নিয়াৰিকৈ সম্পাদন কৰা হয়। নৱাগত আদৰণি সভাৰ আগে আগে মহাবিদ্যালয় চৌহদত বৃক্ষ ৰোপন কৰাৰ লগতে শ্ৰেণী কোঠা পৰিপাটিকৈ ৰখা ইত্যাদি কথাবোৰত মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয়খনত আৰু বহুতো কৰিবলগীয়া কাম থাকি গ'ল, কৰা নহ'ল। কিয়নো মহাবিদ্যালয়খনৰ আৰ্থিক নাটনি হেতুকে কৰিবলগীয়া সকলো কাম কৰাটো সম্ভৱ নহ'ল তাৰ বাবে সকলোৰে ওচৰত মই দুঃখিত। সেই হেতুকে মই প্ৰতিবেদন দীঘলীয়া কৰিব বিচৰা নাই। বিগত বছৰবোৰত ছাত্ৰ বন্ধু-বন্ধৱী সকলৰ সকলো অসুবিধা দূৰ কৰিব বুলি মাননীয় অধ্যক্ষ মহোদয় তথা মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালো।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয় আৰু চাৰ-বাইদেউ সকলৰ লগতে মোৰ বন্ধু-বান্ধৱী সকল ক্ৰমে চন্দন, চহিদুল, কংকণ, ভাস্কৰ, প্ৰণৱ, সঞ্জীৱ, ভূচিত্ৰা, ধনশ্ৰী, জুৰি, চুমি, জ্যোতিমা এই সকললৈ মোৰ অভিনন্দন জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উজ্বল ভৱিষ্যৎ কামনা কৰি নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ ইমানতে ইতিৰেখা টানিলো।

" জয়তু পাতিদৰং মহাবিদ্যালয় "

মানৱ ডেকা (মানস)
সম্পাদক,
সমাজ সেৱা বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



"আমি অসমীয়া নহওঁ দুখীয়া
বুলি শান্তনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।"—

প্ৰতিবেদনৰ আৰম্ভণীতে অশেষ কষ্টৰ ফলত এই অনুষ্ঠানটি গঢ়ি তোলা ব্যক্তিসকলৰ লগতে এই মাতৃভূমিৰ কাৰণে যিসকল বীৰ, বীৰাঙ্গনাই নিজৰ দেহ ত্যাগ কৰিলে সেই সকললৈ মই সহস্ৰ শ্ৰদ্ধা নিবেদিছোঁ। মহাবিদ্যালয়ৰ সমূহ চাৰ-বাইদেউৰ লগতে বন্ধু-বান্ধৱীক এই চেগতে আগন্তুক 'নৱবৰ্ষ'ৰ লগতে 'মিলাদ-এ-মেহফিল'ৰ শুভেচ্ছা জ্ঞাপন কৰিলো। ইং ২০০৯-১০ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী কৰাৰ বাবে সকলো সহপাঠীলৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ।

বহু সপোন, কল্পনা আগত লৈ সংস্কৃতিৰ দৰে এই বিশাল সাগৰত নাওঁ মেলি দিছিলো। পিছে ভবা কথা যে সিদ্ধি নহয় তাক গীতৰ সুৰেৰে বুজাই দিছে সু-কণ্ঠ শিল্পী জুবিন গাৰ্গে। ছাত্ৰ একতা সভাৰ ফালৰ পৰা সাংস্কৃতিক বিভাগত যিখিনি ধন মঞ্জুৰ কৰিলে সেই খিনি মাত্ৰ এপাচি শাকত এটা জালুক সদৃশ। যিখিনি ধন মোৰ হাতত পৰিল সেইখিনিৰে মোৰ কৰণীয় সকলোখিনি কামেই কৰা বুলি হয়তো অধ্যক্ষ মহোদয়েও সপক্ষে ক'ব। সাংস্কৃতিক সম্পাদক পদ লাভ কৰিয়েই প্ৰথম কাম পৰিছিল "প্ৰতিভা সপ্তাহ"ৰ কিছু খেল, দ্বিতীয়তে নৱাগত আদৰণি সভাৰ সাংস্কৃতিক মঞ্চত বিহু নৃত্য প্ৰদৰ্শন। ইয়াৰ লগতে সাংস্কৃতিক বিভাগৰ সমস্ত ভাৰ। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ কোঠাত এখনকৈ চকী দিয়া হয় আমাৰ কাৰ্যকালত। মাননীয় অধ্যক্ষ মহোদয়েও হয়তো ভাবিলে আচৰিত হ'ব যে ইমানখিনি কাম মাত্ৰ ৯০০ টকাৰে কৰাটো। অধ্যক্ষ মহোদয়লৈ মোৰ এটি বিনম্ৰ অনুৰোধ যে অহা বছৰৰ পৰা যেন এই পদটি নাৰাখি সমস্ত ভাৰ সাধাৰণ সম্পাদকক দিয়ে নাইবা কিছু ধন বঢ়াই দিয়ে যাতে মহাবিদ্যালয়ৰ কাম কৰাত সহায় হয়। আন এটি অধ্যক্ষ মহোদয়লৈ মোৰ অনুৰোধ যে মহাবিদ্যালয়ৰ নিচিনা অনুষ্ঠান এখনত সংগীতৰ সঁজুলি বিশেষকৈ তবলা,হাৰ্মোণিয়ামৰ আচলতে বৰ দৰকাৰ। এইখিনিতে উল্লেখ কৰিব পাৰি যে নানা প্ৰলোভন দি উঠা ছাত্ৰ একতা সভাৰ সদস্যসকলে নিজৰ কাৰ্যকালত পিছ হুহুকি মৰা দেখা যায়।

কৃতজ্ঞতা ঃ মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচীতে অংশ গ্ৰহণ কৰি প্ৰতিটো দিশতে চকু দিয়াৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় শিক্ষাগুৰু পৰমেশ দত্ত চাৰে নৱাগত আদৰণি সভাত অদীপ ফুকন, দিলীপ পাটগিৰি, অভিনেতা দীনেশ দাসক মঞ্চত উপস্থিত কৰোৱাই ছাত্ৰ-ছাত্ৰী সকলক দুগুণে উৎসাহিত কৰাৰ বাবে মাননীয় চাৰলৈ শলাগৰ শৰাই আগবঢ়ালোঁ। মোৰ কাৰ্যকালত প্ৰতিটো দিশতে সহায়-সহযোগিতা কৰাৰ বাবে মহঃ মুকুতাৰ ৰহমান চাৰক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ বন্ধু কংকণ, নয়নমণি, প্ৰণৱ, চহিদুল, চন্দ্ৰমা, সবিতালৈ অশেষ ধন্যবাদ থাকিল। সদৌ শেষত মহাবিদ্যালয়ৰ সকলো প্ৰবক্তাৰ লগতে সকলো কৰ্মচাৰীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয়খনিৰ উজ্বল ভৱিষ্যৎ কামনা কৰি অসমৰ চুকে-কোণে ইয়াক উজ্বলাই তোলাৰ আশাৰে প্ৰতিবেদনৰ ইয়াতেই মোখনি মাৰিলো।

" জয়তু পাতিদৰং মহাবিদ্যালয় "

দীপক কুমাৰ, সম্পাদক, সাংস্কৃতিক বিভাগ

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণীতে মাতৃভূমিৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ গৈ যিসকল জাতীয় বীৰ ছহিদে আত্ম বলিদান দিলে সেই সকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। লগতে যিসকল মহান ব্যক্তিৰ ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়ৰ ভেঁটি গঢ় লৈ উঠিল সেই সকলক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

মই ইং ২০০৯-২০১০ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত "খেল বিভাগ"ৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হওঁ। খেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচনী প্ৰ-পত্ৰ দাখিল কৰিবলৈ উদ্‌গনি জনোৱাৰ বাবে বন্ধু-বান্ধৱীবোৰ ক্ৰমে নয়নমণি বৰুৱা, চহিদুল ইছলাম, মানৱ ডেকা, জ্যোতিষ ডেকা, চন্দন ডেকা, হাচনা বেগম, কৃষা মণি ডেকা, নীতামণি ডেকা, ৰিতুমণি ডেকা, বিউটি পাটোৱাৰীলৈ মোৰ হিয়া ভৰা মৰম তথা শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শ দিয়া শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

অসুপ্ত প্ৰতিভাই থমকি নৰৈ বিকাশ প্ৰাপ্ত মাধ্যমলৈ বাগৰি গৈ যি ৰূপ ধাৰণ কৰে তাতে আমিবোৰ ক্ষুব্ধ নহৈ নোৱাৰো ; অৰ্থাৎ প্ৰতিভাৰ মৃত্যু নাই। দেহ-মনৰ উৎকৃষ্ট সাধনাই হ'ল খেল। এই গুৰুত্বপূৰ্ণ বিভাগত সেৱা আগবঢ়োৱাত হাত উজান দি সহায় কৰা সকলক পুনৰ সুঁৱৰিছো। মোৰ অভিজ্ঞতা সীমিত। সেয়ে অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছোঁ। শেষত মানৱ সম্পদ তৈয়াৰ কৰা এই মহান অনুষ্ঠানটিৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

" জয় আই অসম "

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰদ্ধাৰে—
প্ৰণৱ ডেকা
সম্পাদক
খেল বিভাগ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



পাতিদৰং মহাবিদ্যালয়ৰ ইং ২০০৯-২০১০ বৰ্ষৰ আলোচনীৰ ছাত্ৰ জিৰণি কোঠাৰ বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণীতে মই সশ্ৰদ্ধ প্ৰণাম জনালো সেই সকললৈ, যিসকলে অসীম ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টাৰে এই মহাবিদ্যালয়খনক জন্ম দিলে।

ইং ২০০৯-১০ বৰ্ষত ছাত্ৰ একতা সভাত এই সাধাৰণ পদটোত সেৱা আগবঢ়োৱাৰ বাবে এইকণ সুবিধা দিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলক অভিনন্দন জনাইছোঁ।

ব্যস্ত জীৱনত শাৰীৰিক আৰু মানসিক শান্তিৰ প্ৰয়োজন। সেই ব্যস্ত জীৱনৰ দৰে মহাবিদ্যালয়ৰ ক্লাছৰ মাজতে অলপ সময় জিৰণিৰ প্ৰয়োজন। জিৰণি ল'বলৈ এটা কোঠাৰ প্ৰয়োজন। আৰু এই কোঠাটো পৰিচালনা তথা ইয়াত জিৰণি লোৱা ছাত্ৰ সকলৰ মাজত মিলা-প্ৰীতি বজাই ৰাখিবলৈ খেল-ধেমালি অনুষ্ঠিত কৰিব লাগে। আমাৰ মহাবিদ্যালয়ত এই পদটো আছে যদিও কোঠাৰ অভাৱৰ বাবে এই পদটো থাকিও নথকাৰ দৰে হৈছে। সেয়ে ছাত্ৰ-ছাত্ৰী সকলে আজৰি সময়ত কোঠাৰ অভাৱত ঘূৰি ফুৰিব লগা হয়। অৱশ্যে এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱে ছাত্ৰ-ছাত্ৰীৰ খেলৰ সামগ্ৰীখিনি আনি ছাত্ৰ-ছাত্ৰী সকলক সকাহ দিছে। অনাগত দিনত অধ্যক্ষ মহোদয়ে এটা কোঠা দি ছাত্ৰ সকলক জিৰণিৰ বাবে নিৰ্দ্দিষ্ট ঠাই দিয়ে যেন। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে ছাত্ৰ জিৰণি কোঠা নহ'লেও পুথিভঁৰালত কিতাপ পঢ়ি সময় অতিবাহিত কৰিব পাৰে। কিন্তু ছাত্ৰ-ছাত্ৰী সকলক কিতাপ পঢ়া দেখা নাযায়। ছাত্ৰ-ছাত্ৰী সকলে কিহৰ বাবে পুথিভঁৰালতঅধ্যয়ন নকৰে এই বিষয়টো অধ্যক্ষ মহোদয়ে গুৰুত্ব দি ছাত্ৰ-ছাত্ৰী সকলক পুথিভঁৰালত কিতাপ পঢ়িবলৈ আকৰ্ষিত কৰে যেন।

বিগত বৰ্ষত কোঠা নোহোৱা ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে একো কৰিব নোৱাৰিলেও অন্তত সাপ্তাহিক খেলত মোৰ ফালৰ খেলখিনি অনুষ্ঠিত কৰিব পাৰি এই পদটোৰ সাৰ্থকতা অনুভৱ কৰিছো।

মোক মোৰ কাৰ্যকালত সহায় কৰা অধ্যক্ষ মহোদয় আৰু সকলো বন্ধু-বান্ধৱীকে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত জ্ঞাত অজ্ঞাত ভাৱে কৰা সকলো ভুল আৰু এই প্ৰতিবেদনখনত হোৱা ভুলৰ বাবে শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

জ্যোতিষ ডেকা, সম্পাদক
ছাত্ৰ জিৰণি কোঠা



আমাৰ মহাবিদ্যালয়ৰ
শিক্ষক-কৰ্মচাৰী বৃন্দ



আমাৰ মহাবিদ্যালয়ৰ
নৱাগত আদৰণি সভাৰ সম্বৰ্ধনা
অনুষ্ঠানত অভিনেতা
মাননীয় শ্ৰীদীনেশ দাস



নৱাগত আদৰণি সভাত
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা
পৰিৱেশন কৰা বিহু দল।




মহাবিদ্যালয়ৰ ছহিদ বেদীত
পুষ্পাঞ্জলি প্ৰদান।



পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা



নৱাগত আদৰণি সভাত
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ
দ্বাৰা বিহু নৃত্য পৰিৱেশনৰ
এক মুহূৰ্ত্ত।